# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখঃ ২৩/২/২০২৪ শুকুৰবাৰ

মাননীয় অধ্যক্ষ মহোদয়ে আজি ইং ২৩-০২-২০২৪ তাৰিখে ৰাতিপুৱা ৯ বজাৰ পৰা পুনৰ সদনৰ কাম- কাজ আৰম্ভ কৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৮১। ৰমাকান্ত দেউৰী। তেখেত নাই।

প্ৰশ্ন নং ১৮২ বিদ্যাসিং ইংলেং।

**শ্ৰীকেশৱ মহন্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী বিদ্যাসিং ইংলেং, (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াত ভাল লাগিছে। বিশেষকৈ কাৰ্বি আংলং জিলাৰ সদৰত স্থাপন কৰা মেডিকেল কলেজখনত কি কি বিভাগ খোলা হৈছে। সেইটো স্পষ্টকৈ দিয়াৰ বাবে ভাল হৈছে।Anatomy, Anesthesiology, Biochemistry, Community Medicine, Dentistry, Dermatology, E & T, Forensic Medicine আৰু Micro Biology, Obstetrics and Gynaecology এই বিভাগ খোলাৰ কাৰণে সচাঁকৈয়ে সন্তুষ্ট হৈছো। এইটো এটা হিষ্টৰি যে পাহাৰত মেডিকেল কলেজ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্তবিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ পদক্ষেপক মই ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ ২য় প্ৰশ্নটো হৈছে যে ডাক্তৰ কোন কোন বিভাগত দিয়া হৈছে। সেইটোও উত্তৰ দিয়া হৈছে মোৰ ভাল লাগিছে, আৰু ডাক্তৰ বিলাকৰ ভিতৰত কাৰ্বি ল'ৰা আৰু ছোৱালী কেইজন আছে, যেনেকৈ ধৰক প্ৰফেচাৰো হৈছে, আমাৰ পিম্পু টেৰণ, মেডিচিন আমাৰ ধৰমসিং টেৰণ তেওঁলোকে যোগদান কৰাৰ কাৰণে আমাৰ ভাল হৈছে। কিন্তু অধ্যক্ষ মহোদয় ডিপাৰ্টমেন্টত এতিয়ালৈকে নিযুক্তি দিয়া নাই। বিশেষকৈ Radiotherapy। Radiotherapyত Professor দিয়া হোৱা নাই। Associate Professor ৰ পদ এটা খালী হৈ আছে দিয়া নাই। Demonstrator Register ৰ পদ ৩টা খালী হৈ আছে দিয়া নাই Asstt. Professor ২টা খালী হৈ আছে দিয়া নাই। এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় যি ২-৪ টা পদ খালী আছে, সেইটো আমি প্ৰমোশ্যনৰ জৰিয়তে খালী থকা পদসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰি আছো। যিটো Demonstrator ৰ কথা কৈছে, এই ক্ষেত্ৰত আমি কেইটামান বিভাগ বিশেষকৈ Basic Scienceৰ Anatomy, Physiology য়ে হওঁক P.G কৰা Student খুব কম পাই আছো। গতিকে ইয়াত এটা নতুন প্লেন কৰিছো,আমাক MMC য়ে পাৰমিশ্যন দিছে, টিউটৰ হিচাপে দিয়াৰ কাৰণে আমি এটা প্লেন কৰিছো এই বছৰৰ পৰা এইখিনি আমি আগবাঢ়িব পাৰিম। তেতিয়া বৰ বেছি খালী পদ ন'হব। এতিয়া আমি প্ৰমোশ্যন দি যি ২-৪ টা খালী পদ আছে, সেইখিনি আমি পূৰণ কৰিবলৈ চেষ্টা কৰিছো তথাপিও আমি এটা অনুপাত চাইছো। যাতে তাত যিখিনি আছে, Asstt. Professor কে ধৰি Register, Associate Professor, Professor সকলো মিলাই অন্ততঃ ইয়াত যাতে এটা গেপ নাথাকে এইটো ঠিক কৰিছো আৰু আমি এতিয়া ইতিমধ্যে ৫২৬ টা পদ পূৰণ কৰিবৰ কাৰণে আমাৰ যি এম এচ আৰ ডি বোৰ্ডক আমি এই প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ দায়িত্ব দিছো।

**শ্ৰী বিদ্যাসিং ইংলেং, (ডিফু)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মেডিকেল কলেজৰ কেইটামান সমস্যা আছে। এই সমস্যা কেইটাও মই তেখেতক জনাব বিচাৰিছো।

1. Construction College Building(Incomplete)
2. Eye major OT equipment not available
3. Modular OT incomplete
4. Incomplete Boys and Girl's Hostel.
5. No Paying Cabin Building
6. College Auditorium incomplete
7. Drainage System and water logging problem specially during rainy season.

কাৰণ বৰষুণ দিলে পানী আহিলে ঘৰটোতে সোমাই যায়। গতিকে এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেইটামান বিষয় তেখেতে উল্লেখ কৰিছে, অতি প্ৰয়োজনীয় বিষয়। এই মেডিকেল কলেজখন যেতিয়া নিৰ্মাণ কৰিছিল, নিৰ্মাণ কৰাৰ সময়ত তাত হয়তো পাহাৰীয়া ঠাই আৰু এই কলেজখন অলপ দ ঠাইত নিৰ্মাণ হৈছিল। ইয়াৰ পানীটো ওলাই যাবৰ কাৰণে এবাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু সেই ব্যৱস্থাৰে পানীটো ওলাই নগ'ল। তাৰ পিছত আমি গুৱাহাটী আই আই টি ক ইয়াৰ দায়িত্ব দিলো। এই আই আই টি য়ে সেই গোটেই পৰিকল্পনাটো কৰি দিছে তাৰ পানীটো কেনেকৈ উলিয়াই নিব পৰা যাব। গতিকে অলপ উচ্চ পৰ্য্যায়ৰ টেকনলজি আমি ব্যৱহাৰ কৰিবলৈ গৈ আই আই টি ক ইয়াৰ দায়িত্ব দিছো পি ডব্লি অ ৰ উপৰিও। গতিকে আই আই টি ৰ যিখিনি ব্যৱস্থা সেই ব্যৱস্থাৰে আমাৰ ইয়াৰ পৰা পানী ওলাই যোৱাৰ যিটো টেকন'লজি সেইটো তেখেত সকলে ঠিক কৰিবলৈ কৈছে । বাকী যিকেইটা কথা কৈছে, নিৰ্মাণৰ ক্ষেত্ৰত আটাইকেইটা নিৰ্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত তাৰ উপৰিও মই কৈ দিও যে Public Health ৰ জৰিয়তে পানী যিটো পৰিশোধন কৰি তাত ব্যৱহাৰ কৰিব লাগে সেই পানীৰ ক্ষেত্ৰটো তেওঁলোকে কাম আৰম্ভ কৰিছে। Electrical Sub-station সম্পূৰ্ণ হোৱা নাছিল। সেইটো সম্পূৰ্ণ হৈছে। তাৰ পিছত যিখিনি হোষ্টেল ছাত্ৰ-ছাত্ৰীৰে হওক বা শিক্ষকৰে হওক, সেই খিনি আমি অলপ ওপৰলৈ বনাইচো। য'ত পানীৰ সমস্যাটো তেখেতে কোৱাৰ দৰে নাই বা ন'হব। সেইখিনি ইতিমধ্যে নিৰ্মাণ হৈ আছে। আমি লাহে লাহে এলট কৰিম। ইয়াৰ উপৰিও আমি তাত এটা Rehabilate Centre ড্ৰাগচৰ কাৰণে সেইখিনি নিৰ্মাণ কৰা হৈছে, পুলিচৰ আউট পোষ্ট তাতে নিৰ্মাণ কৰা হৈছে। গতিকে এই গোটেইখিনি ব্যৱস্থা লোৱা হৈছে। সন্মানীয় বিধায়ক আৰু তাৰ কাউঞ্চিল সকলোৱে এইখিনিত সহায় সহযোগিতা কৰিছে। তাতোকৈ মই তেখেত সকলক ভাল খবৰ এটা দিছো, যে ডিফুৰ লগত এখন চুপাৰ স্পেচিয়েলিটি হস্পিতাল আমি নিৰ্মাণ কৰিবলৈ ইতিমধ্যে সিদ্ধান্ত লৈছো। যেনেকৈ গুৱাহাটী মেডিকেল কলেজত চুপাৰ স্পেচিয়েলিটি হস্পিতাল আছে, ডিফু মেডিকেল কলেজতো এখন চুপাৰ স্পেচিয়েলিটি হস্পিতাল দিয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দিনে দিনে মানুহ Heart Attack, Brain stroke ত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিব ধৰিছে, আৰু ইয়াৰ সংখ্যা বৃদ্ধি পাব

ধৰিছে। গতিকে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম যে অসমত নতুনকৈ স্থাপন হোৱা মেডিকেল কলেজ সমূহত যি সমূহ মেডিকেল কলেজত Cardiology, neurology বিভাগৰ ডাক্তৰ নাই সেই ডাক্তৰ সমূহ কেতিয়া নিয়োগ কৰিব?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Cardiology আৰু neurology ৰ ক্ষেত্ৰত কিছু বিশেষ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। আপোনালোকে জানে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগত নতুনকৈ এখন চুপাৰ স্পেচিয়েলিটি হস্পিতাল যোগ হৈছে চি এন চেন্টাৰ Cardiology আৰু neurology বুলি। ইয়াৰ উপৰিও ডিব্ৰুগড়ত এখন চুপাৰ স্পেচিয়েলিটি হস্পিতাল কৰ্মৰত হৈ আছে এ এম চি ত সেইখনতো Cardiology আৰু neurology আছে। যোৰহাটত আমি নিৰ' প্ৰফেচাৰ দিছো তাত ঠিক তেনেধৰণে আৰম্ভ হৈছে। আৰু এটা কথা আমি ঠিক কৰিছো যে neuro, Cardio আৰু nethro এইখিনি লৈ এখন এখন চুপাৰ স্পেচিয়েলিটি হস্পিতাল শিলচৰত নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ ৰাখিছো, সেইটো ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ হৈছে। তাৰ পিছত আমি যোৰহাট, বৰপেটা, তেজপুৰ আৰু লক্ষীমপুৰত আমি এই ৬ টা ঠাইত neuro, Cardio আৰু nethro থকা ৬ খন চুপাৰ স্পেচিয়েলিটি হস্পিতাল আমি নিৰ্মাণ কৰিবলৈ ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ব্যৱস্থাটো ইতিমধ্যে আগুৱাই দিছে। অতি সোনকালে ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব। তেখেতে যিটো প্ৰস্তাৱ আনিছে, কেৱল বিভাগত Neuro Surgeon দিয়াৰ উপৰিও ই সম্পূৰ্ণৰূপে একোটা একোটা অঞ্চলত তেখেতে কোৱা যিটো সমস্যা এই সমস্যাটো সমাধান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৩। মাননীয় সদস্য শ্ৰী ৰূপেশ গোৱালা। তেখেত অনুপস্থিত।

**শ্ৰী অতুল বৰা, (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা উত্থাপন কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি to the point আপোনাৰ বিষয়টো উত্থাপন কৰক।

**শ্ৰী অতুল বৰা, (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল হস্পিতাল বহুত হৈ আছে এইটো ভাল কথা। কিন্তু মই এনেকুৱা এটা কথা ক'ব খুজিছো যে দিশপুৰ সমষ্টিৰ District আৰু ৩০ খন বিচনাযুক্ত হস্পিতাল দুখনত ডাক্তৰ খুব কম। কিন্তু মই এগৰাকী ডাক্তৰৰ বিষয়ে ক'ব খুজিছো। তেখেত আই এছ বিষয়া এগৰাকীৰ জীয়েক। তেওঁ হ'ল ডাঃ পি. এম. বন্দনা। MBBS পাচ কৰাৰ পিছত গ্ৰাম্য অঞ্চলত এবছৰ কাম কৰাতো নিয়ম বা সেই কাম কৰাতো বাধ্যতামূলক। তেওঁ আই এছ বিষয়া এগৰাকীৰ ছোৱালী হোৱাৰ কাৰণেই তেওঁক জি. এম. চি. এইচত attached কৰি দিয়া হৈছে। মই আজি মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াক চিঠি এখন দিম বুলি কৈছিলো। কিন্তু কথাটো অলপ ৰাজহুৱা হ'লে ভাল। এনেধৰণৰ কথাবোৰ কিয় ঘটি আছে, এইটো সমাধান হোৱাতা বিচাৰিছো। তেওঁ ৩০ খন বিচনাযুক্ত হস্পিতালত যোগ কৰিলে কিন্তু তেওঁ উভটি আহি ইয়াত আকৌ attached কৰিছে। এইটো বেয়া কাম হৈছে। এইটো আপুনি শুধৰাই যাতে সংশোধন কৰে তাৰ বাবে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটো খবৰ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৪। মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Smart City, Water

ATM আৰু E-toilet সম্পৰ্কত প্ৰশ্ন কৰিছিলো। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। কিন্তু এই উত্তৰ মই আধৰুৱা বুলি ভাবো। কাৰণ এই Water ATM আৰু E-toilet ৰ দায়িত্ব কোম্পানী দুটাক কেনেধৰণে দিলে আৰু বিশেষকৈ ইঞ্জিনিয়াৰ সকলৰ মতামতক গ্ৰাহ্য কৰা নহ'ল। বিষেশকৈ Swajal Water Private Limited আৰু Eram Scientific Solution Private Limited ক এই বিশাল টকাৰ যি দায়িত্ব দিলে আৰু তাতকৈ ডাঙৰ কথা এবছৰ পৰিচালনা কৰাৰ কাৰণে Water ATM ৰ বাবদ ৪ লাখ ২৭ হাজাৰ ২৩২ টকাকৈ, মুঠ ৮৫ লাখ ৪৪ হাজাৰ ৬৪০ টকা আৰু E-toilet বিলাকক পৰিচালনা কৰাৰ বাবে ২ লাখ ৩১ হাজাৰ ৪৪ টকাকৈ মুঠ ৬৯ লাখ ৩১ হাজাৰ ৩২২ টকা এই দুটা ফাৰ্মক আদায় দিয়া হৈছিল। এই বিলাক এতিয়া বিকল হৈ আছে। বিকল হৈ থকাৰ বাবে এই টকাখিনি পানীত পৰিলেই আৰু কেনেকৈ এইধৰণে কোম্পানী বিলাকক পইচা দি পইচা লুণ্ঠন কৰাৰ সুযোগ দিয়ে? কিছুমান বিষয়াও ইয়াত জড়িত। ইয়াৰ বাবে চৰকাৰে কি বিহীত ব্যৱস্থা লৈছে? এই কোম্পানী বিলাকক যে এই টকাতো উলিয়াই দিলে আৰু বিকল হৈ পৰি আছে, এতিয়া কতো আমাৰ E-toilet চলা নাই। এবছৰতে শেষ হৈ গ'ল। কিন্তু এবছৰ পৰিচালনাৰ বাবে টকাও দিলে। এতিয়া আমাৰ Smart City ৰ যিটো প্ৰকল্প ১০০ খন চিটি লৈছে। এই ১০০ খন city ৰ ভিতৰত গুৱাহাটীৰ স্থান হৈছে ৯৭। এই যিটো বিপৰ্য্যয় যে ১০০ খন city ৰ ভিতৰত ৯৭ হৈছে, আমাৰ যিটো অৱস্থা এইটো প্ৰকাশ হৈ গৈছে। Smart City ৰ বিষয়টো প্ৰশাসনত থাকিব লাগে। এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, E-toilet আৰু water vending machine, মই দায়িত্ব লোৱাৰ আগতেই খবৰ যেতিয়া পালো যে E-toilet আৰু water vending machine বিলাক বিকল হৈ আছিল। আমি কলো যে কোম্পানীক দিব নালাগে water vending machine বিলাক NGO ক গটাই দিব লাগে। No cost to the Government তেখেত সকলে অপাৰেট কৰিব আৰু E-toilet বোৰ আমি GMC ত গটাই দিছিলো। কিন্তু ভালকৈ পৰিচালনা হোৱা নাই বুলি আজি যিটো তথ্য মোৰ হাতত আছে যে সেইবিলাক বিকল হৈ আছে, চলা নাই। মাননীয় বিধায়ক ডাঙৰীয়াই এটা গুৰুত্ব পূৰ্ণ কথা ইয়াত আনিছে যে গুৱাহাটীৰ smart city ranking ১০০ খন smart city ৰ ভিতৰত ৯৭ ত আছে। মাজতে বাতৰি কাকত আৰু চচিয়েল মিডিয়াতো এই কথাবিলাক ওলাইছিল। কিন্তু আজি আপোনাৰ জৰিয়তে মই সদনক জনাব বিচাৰো যে গুৱাহাটীৰ smart city ৰ ranking ৯৭ নহয়, ইয়াৰ ranking ৫৯ ত আছে। মই যেতিয়া দায়িত্ব লৈছিলো বা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোক মন্ত্ৰী হিচাপে যেতিয়া দায়িত্ব দিছিল, তাৰ পিছতে আমি কাম কৰা আৰম্ভ কৰিছিলো আৰু গুৱাহাটী smart city ৰ যি ৯৭ ranking কথা কৈ আছে, সেইটো ২০২১ ৰ মাৰ্চৰ ৰেংকিঙৰ কথা কৈ আছে। আজিৰ ৰেংকিং টো ৫৯ ত আছে। বেছি ভাগ প্ৰকল্প আমি ইতিমধ্যে সম্পূৰ্ণ কৰিলো আৰু ২৪ টা প্ৰকল্পৰ ভিতৰত ১৮ টা প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে। আৰু যি ১৭-১৮ টা প্ৰকল্পৰ কাম গুৱাহাটীত কৰিবলৈ বাকী আছে সেইকেইটা আমি ২০২৪ চনৰ জুন মাহৰ ভিতৰত সম্পূৰ্ণ কৰিম। গুৱাহাটী ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ বৃহৎ প্ৰকল্পটোৰ কাম উজান বজাৰৰ পৰা ৰাজ ভৱনলৈ তীব্ৰ গতিত চলি আছে। এই কামখিনি মই কিছুদিন আগতে নিজে চাই আহিছো। এই কামখিনি মই ২০২৫

চনৰ ভিতৰত শেষ কৰিম বুলি আশা কৰিছো। ইয়াত আৰু এটা কথা মই জনাব বিচাৰিছো যে smart city ৰ ranking ত কোচ্চি, গান্ধীনগৰ, ৰায়পুৰ, শ্ৰীনগৰ আদি বহুত state capital ত কৈ আমাৰ ৰেংকিং ওপৰত আছে। এইটো কথা সঁচা যে আৰম্ভণীতে smart city ৰ কাম যিদৰে আগবাঢ়িব লাগিছিল সেইদৰে আগনবঢ়াৰ বাবে ৰেংকিঙটো তলতৈ নামি আহিছিল। কিন্তু যোৱা ডেৰ বছৰত আমাৰ ৰেংকিঙটো ৯৭ ৰ পৰা ৫৯ লৈ উঠাই আনিবলৈ আমি সক্ষম হৈছো। মই ভাবো এইবাৰ যিহেতু চাৰ্ভে হ'ব তাত আমাৰ ৰেংকিটো আৰু ভাল হ'ব। মই মাননীয় সদস্য গৰাকীক ধন্যবাদ দিছো যে তেখেতে এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। কিয়নো গুৱাহাটীবাসীয়ে অতি আগ্ৰহেৰে বাট চাই থকা এটা বিষয়ৰ ওপৰত মই স্পষ্টীকৰণ দিবলৈ পাই ভাল পাইছো। মই আৰু এটা কথা ক'ব বিচাৰিছো যে গুৱাহাটীৰ smart city ৰ যিটো মিশ্যন আছে, সেই মিশ্যনটো যোৱা বছৰ ইতিমধ্যে শেষ হৈ গ'ল আৰু বাকী থকা কামখিনি চলি আছে আৰু এই কামখিনিও শেষ হ'লে এই প্ৰকল্পটো আৰু নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো ৯৭ ৰ পৰা নামি ৫৯ হৈছে বুলি কৈছে, তথাপিও মই বৰ ভাল হৈছে বুলি ক'ব নিবিচাৰো। মোৰ কথাটো হ'ল এই ১১ কোটিৰো ওপৰৰ এই বৃহৎ পৰিমাণৰ টকা Water ATM আৰু E-toilet ৰ নামত খৰছ কৰা হ'ল আৰু যি দুটা কোম্পানীয়ে এই প্ৰকল্পটোৰ কাম কৰাৰ লগতে এবছৰ, পৰিচালনাৰ যি কাম কৰিলে তাৰ বাবে এই কোম্পানী দুটাৰ বিৰুদ্ধে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যিহেতু এই প্ৰকল্পটোৰ গোটেই সম্পত্তিবোৰ নষ্ট হৈ গ'ল। এই Swajal Water Private Limited আৰু Eram Scientific Solution Private Limited দুটাই যি লুণ্ঠন কৰিলে আৰু গুছি গ'ল যদিও সেই সময়ত আজিৰ মন্ত্ৰী গৰাকী নাছিল যদিও সেই সময়ত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰেই আছিল। গতিকে এই দুটা কোম্পানীক ১১ কোটিতকৈ অধিক টকা লুণ্ঠন কৰিবলৈ দিয়া হৈছে। এই কোম্পানী দুটাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিব এই বিষয়ে মই জানিব বিচাৰিছো।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ দিনত দূৰ্নীতি হোৱাৰ কোনো কাৰণ নাই আৰু দূৰ্নীতি কৰা মানুহ কোনো কাৰণত বাচি যাব নোৱোৰে বুলি মই আজিৰ সদনত আশ্বাস দিব খুজিছো। মাননীয় বিধায়ক গৰকীয়ে যিটো অভিযোগ আনিছে সেই অভিযোগটো মোৰ নজৰত আহিছে। গতিকে মই ইয়াৰ বাবে যি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী গৰাকীক সুধিব বিচাৰিছো যে কেৱল গুৱাহাটী smart city ৰ ranking তেই যে পিছপৰি আছে সেইটো নহয়। ভাৰত চৰকাৰ আৰু আপোনাৰ বিভাগৰ কেন্দ্ৰীয় চৰকাৰত যিটো বিভাগ আছে তাত আজিৰ পৰা ৬ বছৰ ধৰি স্বচ্ছতাৰ ওপৰত এটা ranking আছে। যিটো স্বচ্ছ স্বদেশন বুলি কয়। ইয়াৰ বাবে তেওঁলোকে ফিজিকেলী আৰু অন লাইন যোগেদি চাৰ্ভে কৰে। কিন্তু গুৱাহাটীখনৰ ২৭ খন ৰাজ্যৰ ভিতৰত স্থান হৈছে ২০ আৰু ৰাজধানীৰ ক্ষেত্ৰতো ranking হয়। ৩৬ খন ৰাজ্যৰ ৰাজধানীৰ ভিতৰত State Union Teritory ত গুৱাহাটীৰ স্থান হৈছে ৰাজধানী হিচাপে স্বচ্ছতাৰ ভিতৰত ৩১। যোৱা বাৰৰ ৰাজ্যপালৰ ভাষণত চৰকাৰে কৈছিল যে গুৱাহাটীক আৱৰ্জনা মুক্ত কৰিবৰ

কাৰণে প্ৰায় ৪ টা আঁচনিৰ কথা উল্লেখ কৰিছিল আৰু প্ৰায় ৩৯৫ কোটি টকা invest কৰা হৈছে। কিন্তু গুৱাহাটী smart city ৰ লগতে স্বচ্ছতাৰ ক্ষেত্ৰতো পিছপৰি আছে। আনকি যদিও এইটো আপোনাৰ বিভাগৰ নহয়, pollution ৰ ক্ষেত্ৰতো পিছপৰি আছে। আজি আপোনালোকৰ চৰকাৰৰ তিনি বছৰ নহয়, আপোনালোকৰ চৰকাৰৰ কাৰ্য্যকাল মে' মাহত প্ৰায় ৮ বছৰ হ'ব। স্বচ্ছতাৰ ক্ষেত্ৰত গুৱাহাটী কিয় ইমান পিছপৰি আছে?

**শ্ৰী অশোক সিংহাল, (গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত জাৱৰ নিষ্পত্তিৰ যিটো সমস্যা এই সমস্যাটো আজিৰ সমস্যা নহয়। আমাৰ চৰকাৰ হোৱাৰ ৮ বছৰ হ'ল ঠিকে, আৰু ৮ বছৰত যিখিনি কৰিবলগীয়া কাম আছিল কাম হৈছে। যোৱা আঢ়ৈ বছৰত transfer station, য'ত নেকি জাৱৰ য'ৰ পৰা উঠোৱা হয় dumping ground ত সেই গাড়ীখনহে লৈ যাব লগীয়া হয়। ইয়াৰ আগতে গুৱাহাটীৰ কতো transfer station নাছিল, দুই এটা সৰু transfer station আছিল, ৰাজগড়, শৰনিয়াত এটা এটাকৈ আছিল, কিন্তু এইবিলাক বহুত সৰু হোৱাৰ ফলত কাম নকৰে। বৈজ্ঞানিক প্ৰক্ৰিয়াৰ পদ্ধতিৰে তিনিটা transfer station নিৰ্মাণাধীন হৈ আছে আৰু লগতে বেলাউটৰ তলত এক বৈজ্ঞানিক পদ্ধতিৰে জাৱৰ নিষ্পত্তি আৰু নিস্কাষণৰ আমি প্ৰকল্প লগাই আছো।

কিন্তু এটা কথা ঠিক যে গুৱাহাটী পিছ পৰি আছে। কিন্তু পিছ পৰাত অকল চৰকাৰে যে সকলোখিনি কৰি দিব পাৰিব সেইটো সঠিক নহয়। ৰাইজে যেতিয়ালৈ সহযোগ নকৰে, তেতিয়ালৈ কোনো নগৰ আৰু চহৰ আমি চাফ চিকুন কৰি ৰাখিব নোৱাৰিম। গতিকে সদনৰ জৰিয়তে এটা বৰ্তা যাব লাগে যে চাফ চিকুন গান্ধীজিয়েও কৈছিল যে cleanliness is next to God. এই কথাবিলাক যদি আমি আয়ত্ত কৰো, এই কাম বিলাকৰ কৰাৰ যদি চেষ্টা কৰো, চৰকাৰে ব্যৱস্থা কৰিছে মাননীয় অধ্যক্ষ মহোদয়, নকৰা নহয়।

**শ্ৰী ভৰত চন্দ্ৰ নহৰ, (নাওবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা তিনি বছৰ ধৰি গুৱাহাটীত যিমান ওৱাৰ্ড আছে, প্ৰতিটো ওৱাৰ্ডত আপুনি ভ্ৰমণ কৰিছে নে নাই আৰু প্ৰতিটো ওৱাৰ্ডত আপুনি সজাগত মিটিঙ পাতিছে নে নাই। কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদন কৈ গ'ল যে মই অধিবেশন শেষ হলে গুৱাহাটীৰ প্ৰতিটো ওৱাৰ্ডত মই নিজে যাম।

**শ্ৰী অশোক সিংহাল, (গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সজাগতা সভা সময়ে সময়ে পতা হৈ আছে। গুৱাহাটীত এটা নিৰ্বাচিত বদি আছে, যাক আমি Gauhati Municipal Corporation বুলি কওঁ, তাত Mayor, Deputy Mayor আছে, ৬০ জন নিৰ্বাচিত সদস্য আছে। তেখেতসকলে নিজৰ নিজৰ দায়িত্ব পালন কৰি আছে। Gauhati Municipal Corporation এটা সুকীয়া বদি হয়, আৰু তেখেতসকলে নিজৰ কাম কৰি আছে, নকৰা নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মই মন্ত্ৰী হিচাপে সময়ে সময়ে ওৱাৰ্ডে ওৱাৰ্ডে ভ্ৰমণ কৰি আছো আৰু আমি আনন্দৰে ক'ব খোজে যে এই নিৰ্বাচিত সদস্য ৬০ জনৰ বেছিভাগে আমাৰ দলৰে কৰ্মী আৰু ভাল কাম কৰি আছে। মই এটাই কথা কলো যে ৰাইজে অলপ সহযোগ কৰিলে আমাৰ কাম বিলাক কৰাত সুবিধা হ'ব আৰু অহা দিনবোৰত গুৱাহাটীক ভাল কৰাৰ যিটো দায়িত্ব আমাৰ আছে, সেই দায়িত্বটো পালন কৰি যাম, নকৰা নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক কৈছে যে ৩ শ বিঘা মাটি জাৱৰ নিষ্পত্তি কৰা প্ৰকল্পৰ কাৰণে আমাক দিব আৰু আমি ভাৱো যে অহা দিনবোৰত সেই মাটিতো পালে এক বৈজ্ঞানিক পদ্ধতি আৰু

প্ৰক্ৰিয়াৰে কামবোৰ কৰিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা জনাব খুজিছো যে Unified Portal, Assam urban service ৰ এই portal টো দিয়া হৈছে, য'ত নেকি গোটেই গুৱাহাটীৰ যিমান জাৱৰ নিষ্পত্তিৰ গাড়ী আছে, সেইটোত GPS tracking হৈছে, ক'ত গৈছে, ক'ত যোৱা নাই। গতিকে মই ভাৱো যে এটা বৈজ্ঞানিক পদ্ধতিৰে কাম হৈ আছে আৰু অহা দিনবোৰত এটা ভাল ফল আমি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৫, সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ)।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ, মানকাচৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দঃ শালমাৰা মানকাচৰ জিলাখন এতিয়া এটা সমষ্টি হৈছে আৰু ইয়াৰ জনসংখ্যা ৫ লাখৰ ওপৰত। ইয়াত আমি দেখিছো যে Blood bank নাই, আৰু blood bank ৰ ব্যৱস্থাপনা কৰা হৈছে। এই কথাটোত আমি স্বাগতম জনাইছো যে পলমকৈ হলেও আমাৰ তাত ব্যৱস্থা ল'বলৈ ওলাইছে।

কিন্তু blood bank টোৰ লগতে কিছুমান building, Gajarikandi BPHC, Mankachar CHC, Tumni CHC, South Salmara BPHC, Kakripara SD, Jhowdanga SD, Kalapani SD, এই ঘৰ বিলাক ৮০ আৰু ৯০ দশকত বনোৱা ঘৰ। এই বিলাকৰ অৱস্থা বহুত বেয়া। এইখিনিৰ কাৰণে এটা ব্যৱস্থা অতি সোনকালে ল'ব লাগে আৰু মানকাচৰত যিটো CHC এইটো আজিৰ পৰা ২৭ বছৰ আগতে FRU হিচাপে ঘোষণা কৰা হৈছিল। বিল্ডিঙো হ'ল কিন্তু FRU আজিলৈকে হৈ নুঠিল, সেইটো যাতে অতি সোনকালে হয়, সেইটো কৰিব বুলি প্ৰস্তাৱ লোৱা হৈছে বুলি কৈছে লগতে দঃ শালমাৰ district headquarter ৰ পৰা ৪৫ কিলোমিটাৰ দূৰত্ব। সেই দঃ শালমাৰাৰ BPHC টোক FRU হিচাপে ল'ব লাগে। এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মানকাচৰৰ গোটেই বিষয়টো আমি যথেষ্ট গুৰুত্বসহকাৰে চাইছো, এই কাৰণে যে মানকাচৰ পৰা যোগাযোগটো আমাৰ ধুবুৰীলৈ হলেও নাওঁত যাব লাগে আৰু এফালে মেঘালয়। গতিকে মানকাচৰক যথেষ্ট স্বনিৰ্ভৰশীল কৰি তুলিব লাগিব যাতে আমাৰ তাত সকলো কাম হ'ব পাৰে। সেই কাৰণে কিছুমান সিদ্ধান্ত লৈছো, সন্মানীয় সদস্যগৰাকীয়ে যিখিনি কথা কৈছে। মানকাচৰত কেইবাটাও ব্যৱস্থা অতিৰিক্তভাৱে লৈছো, সদস্য গৰাকীয়ে blood bank ৰ কথা কৈছে, তেখেতে যোৱা অধিবেশৰ প্ৰথম অৱস্থাত কৈছিল আৰু আমি লগে লগে ১২ তাৰিখে বিষয়াসকলে গৈ blood bank ৰ ব্যৱস্থা যিটো কৰিব লাগে তাৰ কাৰণে কাম আৰম্ভ কৰিছে।

তাৰ পিছত আজিৰ পাৰ চাৰি দিন আগত এটা CT Scan স্থাপন কৰিবৰ কাৰণে বিভাগৰ মানুহ পঠোৱা হৈছে, সদস্য গৰাকীজনে হয়তো গম পোৱা নাই, তেখেতে এই বিষয়টো আগতে অৱগত কৰিছিল যে তাত CT Scan ৰ প্ৰয়োজন আছে। তাত CT Scan স্থাপন কৰাৰ কাৰণে পঠোৱা হৈছে।

ঠিক তেনেধৰণে আৰু কেইটামান কথা লৈছো যে আপুনি বিল্ডিংৰ মেৰামতি বিচাৰিছে, কিন্তু আমি তাত তাতোকৈ ভালকৈ তাত থকা দুটা block PHC ৰ ক্ষেত্ৰত এটা হ'ল Gajarikandi আৰু আনটো South Salmara, এই দুটাত পুৰনি ঘৰৰ উপৰিও নতুন

বিল্ডিঙৰ ৮০ লাখ, ৮০ লাখ টকাৰ কাম ইতিমধ্যে চলি আছে।

তাৰ উপৰিও district hospital খনত এটা Critical Care Unit ৫০ খন বিচনাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। CT Scan ৰ যিখিনি ব্যৱস্থা সেইখিনি কৰা হৈছে। Sub-centre ৰ ক্ষেত্ৰতো যিখিনি ভাড়াত থকা sub centre সেইখিনিৰ মাটি সদস্য গৰাকীয়ে উলিয়াই দিব পৰা নাই, মাটি উলিয়াই দিলে তাত একোটা একোটা বিল্ডিং সম্পূৰ্ণৰূপে কৰি দিবলৈ প্ৰস্তুত, তথাপিও তেখেতৰ তাত ইতিমধ্যে ১৯ টা বিল্ডিংৰ কাম কৰা আৰম্ভ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ অনুমানটো এনেকুৱা যে চৰকাৰে দঃ শালমাৰাত একো কৰা নাই নেকি? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দঃ শালমাৰক ভালকৈ দৃষ্টি ৰাখিবলৈ দিছে, ঠাইখিনি যিহেতু isolated, গতিকে তাত যাতে সকলো কামখিনি ভালধৰণে হয়। ইয়াৰ ক্ষেত্ৰত মই পোনপতীয়া ভাৱে জৰিত আছো যে তাত বিষয়া সকল গৈছে আৰু বিষয়া সকল যাব। তাত এতিয়ালৈকে ডাক্তৰ ৪৫ জন আছে। ঠিক ধৰণে তাত ৪৬১৯ টা delivery বছৰত হৈছে। গতিকে এই গোটেই কথাখিনি খুব সুন্দৰভাৱে তাত হৈ আছে। আমি অতি সোনকালে district hospital খন FRU পৰ্যায়লৈ আৰু পিছলৈ CHC খন, সেই ধৰণে আগবাঢ়িবলৈ চেষ্টা কৰিছো। লগতে তাত এটা ভাল laborartory প্ৰায় ডেৰ কোটি টকাৰ দিবলৈ লৈছো। গতিকে বাকী যিখিনি কাম আছে, সেইখিনিও সম্পূৰ্ণ হ'ব।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ, মানকাচৰ)** ঃ ধন্যবাদ মন্ত্ৰী মহোদয়, যিখিনি কৰিব ওলাইছে, সেইখিনি খুব ভাল কথা। লগতে আৰু কথাটো হ'ল মৰনোত্তৰ পৰীক্ষা কেন্দ্ৰ নাই। এইটোৰ কাৰণে ধুবুৰী যাব লাগে নহলে অন্যহাতে গোৱালপাৰা যাব লাগে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে দক্ষিণ শালমাৰত মৰণোত্তৰ পৰীক্ষা কেন্দ্ৰ এটা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী কেশৱ মহন্ত, মাননীয় স্বাস্থ্য মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি স্বাস্থ্য বিভাগৰ দ্বাৰা যদি পৰীক্ষা কৰো এইটো গৃহ বিভাগৰ অনুমতিৰ প্ৰয়োজন। গৃহ বিভাগৰ লগত ইতিমধ্যে যোগাযোগ হৈছে আৰু যোগাযোগ কৰিম। গৃহ বিভাগৰ পৰা সেইটো পালে আমাৰ স্বাস্থ্য বিভাগৰ দ্বাৰা তাত room লাগিব, Doctor লাগিব এইখিনি সম্পূৰ্ণ আছে। গৃহ বিভাগৰ অনুমতি পালে কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰীৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, Blood Bank ৰ কথা আহিছে মোৰ কলগাছিয়া বৰপেটা Civil Hospital ভালকৈ চলি আছে মন্ত্ৰী মহোদয়ে Gynie ৰ ৪ -৫ জন ডাক্তৰ দিছে আৰু Gynie Department ৰ ডাক্তৰ সকলে মাহত ২৫০ শ ৩০০ cesarean case তাত কৰে। গোটেই জিলাৰ পৰা আহে আৰু বাহিৰৰ পৰাও আহে ভাল service হোৱাৰ কাৰণে। কিন্তু Blood Bank নাই আৰু বৰপেটা মেডিকেল কলেজখন আছে দূৰ হয়। অন্যান্য operation যিহেতু তাত হয়, প্ৰায় ৩ শ ৰো অধিক operation case মাহত হয়। তাত blood bank অত্যন্ত জৰুৰী। তাত অন্যান্য বহুখিনি সুবিধাও আছে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তাত যদি blood bank ৰ ব্যৱস্থা কৰি দিয়ে তেতিয়াহ'লে বহুত সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, মাননীয় স্বাস্থ্য মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, Blood Bank ৰ ক্ষেত্ৰত মই যাৱতীয় ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। প্ৰশ্ন নং- ১৮৬। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীযোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো সম্পূৰ্ণ যেনেধৰণে বিভাগৰ পৰা আশা কৰা হৈছিল পোৱা হোৱা নাই। মহোদয়, অসমৰ কিমানলোক গ্ৰাণ্টৰূপে চিহ্নিত ৰূপে ভূমিত বাস কৰে। ইয়াত কোৱা হৈছে চৰকাৰী তথ্য অনুসৰি ২৪ হাজাৰ ৩ শ ১৮ জন লোকে গ্ৰাণ্ট ৰূপে ভূমিত বাস কৰে। কিন্তু মোৰ সমষ্টিত চাইচোগ্ৰান নামৰ এটা গ্ৰাণ্ট আছে, সেই গ্ৰাণ্ট servey হোৱা নাই। গতিকে উত্তৰটো হ'ব লাগিছিল এতিয়াও servey কৰিবলৈ বাকী আছে। যদি সেইখিনি মানুহক বঞ্চিত কৰা হয়, তেওঁলোকে ভবিষ্যতে বঞ্চিত হ'ব। দ্বিতীয়তে, ৬ হাজাৰ ৬৯ জন ব্যক্তিয়ে মিছন বসুন্ধৰাত আবেদন কৰিছিল তাৰ ভিতৰত মাত্ৰ ৮ শতাংশ হ'ব বোধকৰো ৪ শ ৮৪ জনকহে approve কৰা হ'ল। ইমান বেছি মানুহক কিয় বঞ্চিত কৰা হ'ল মই একেলগে কৈ দিছো, এখন পত্ৰ মই প্ৰেৰণ কৰিছিলো পোৱা নাই বুলি কোৱা হৈছে। মোৰ সমষ্টিত বহুত আদৰ্শ গাওঁ আছে যিসমূহত চৰকাৰে বিভিন্ন সময়ত বান ক্ষতিগ্ৰস্থ ভূমিহীনক দিছে সেইবিলাক এতিয়া ওলাইছে যে Supreme Court ৰ ৰায় অনুসৰি VGR, PGR ৰ কাৰণে তেওঁলোকক দিব পাৰ নাযায়। তাৰ ফলত তেওঁলোকে loan ল'ব পৰা নাই, school ৰ certificate, ল'ৰা-ছোৱালীৰ education ৰ ক্ষেত্ৰত সমস্যা হৈছে। এইখিনি কেতিয়া সমাধা হ'ব আৰু LAC ত approve কৰাৰ পিছতো মই যিটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আপত্তি কৰিছিল মিছন বসুন্ধৰাৰ বিষয়ত। চিৰাজউদ্দিন আহমেদ নামৰ এজন ব্যক্তিয়ে ২০২১ চনতে মিছন বসুন্ধৰাত আবেদন কৰিলে প্ৰথম পৰ্য্যায়ত। LAC ত পাছ হ'ল তেওঁক বিদেশী নেকি বুলি সন্দেহ কৰিছিল যদিও মোৰ সমষ্টিত এজনো D-Voter আজিলৈকে কোনো নথিত ওলোৱা নাই। তেওঁক বঞ্চি কৰি থকা হৈছে। এই মীমাংসা কেতিয়া কৰিব এইখিনি কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যেনেকৈ ভূমিৰ অধিকাৰ প্ৰত্যেকৰে এক গুৰুত্বপূৰ্ণ আৰু প্ৰাপ্য দায়িত্ব আৰু এই ভূমি সংক্ৰান্তিয় সকলোএই প্ৰশাসনটোক অধিক জনমুখী কৰি তোলাৰ বন্ধত্বপূৰ্ণ আৰু সহজলভ্য কৰি তোলাৰ কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি দুটা বসুন্ধৰা ইতিমধ্যে সফলতাৰে সমাপ্ত কৰিছো। আপোনালোকে জানি ভাল পাব যোৱা ২২ তাৰিখৰ পৰা যিসকলে পট্টা পাইছে তেখেত সকলক আনুষ্ঠানিকভাৱে বিতৰণৰ কাম আৰম্ভ হৈছে। আমাৰ যোৱা কালি মাননীয় মুখ্যমন্ত্ৰীয়ে দুখন LAC ত সুন্দৰকৈ আনুষ্ঠানিকভাৱে বিতৰণ কৰাত জনসাধাৰণ যথেষ্ট উৎসাহিত হৈছে আমাৰ ধেমাজী আৰু জোনাইত। গতিকে এনেকুৱা ধৰণৰ এই মিছন বসুন্ধৰাই জনসাধাৰণৰ মনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। কিন্তু আজি কিছু ঠাইত আইন সংক্ৰন্তিয় হাইকোৰ্ট, চুপ্ৰিমকোৰ্ট বা কিছুমান আইনৰ যিবিলাক আওতাত আছে আমি ১৮৮৬ ৰ আৰু Land Policy 2019 ৰ আধাৰতে আমি ভূমিৰ অধিকাৰ দিবলৈ গৈ আছো। যদিও আমি মিছন বসুন্ধৰা ২.০ সমাপ্ত হৈছে ইতিমধ্যে ৩.০ আৰম্ভ কৰিবৰ কাৰণে যিটো প্ৰচেষ্টা আৰম্ভ হৈ আছে আমি খুব সোনকালে মিছন বসুন্ধৰা 3 ত আমি যিখিনি grant ৰ মাটি, সেইখিনিৰ কাৰণেও অলপ আইন প্ৰণয়ন কৰি সংশোধন কৰি হ'লেও এটা ব্যৱস্থা কৰি আছে গতিকে 3.0 পৰৱৰ্তী সময়ত যেতিয়া আৰম্ভ হ'ব এই grant ত থকা সকলে বা VGR, PGR থকা সকলেও কিছু সুবিধা পাবলৈ সক্ষম হ'ব বুলি আমি আশা কৰিছো

কাৰণ যিহেতু মাটি অমূল্য সম্পদ মাটিৰ ৰক্ষণাবেক্ষনা দিয়াতো আমাৰ দায়িত্ব আছে। আজিৰ তাৰিখত চৰকাৰী মাটিৰ ৰক্ষণাবেক্ষণ এখন চৰকাৰৰ দায়িত্ব আছে। এতিয়া যি ব্যৱস্থা চলি আছে উদ্যোগীকৰণ হ'ব লাগে, অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিব লাগে। পোনে পোনে Revenue Department ৰ মাটি আমাক বিচাৰে। গতিকে এনেকুৱা ধৰণে চৰকাৰী ভূমি আমি VGR, PGR ৰক্ষণাবেক্ষনা কৰাতো আমাৰ দায়িত্ব আৰু সকলো সজাগো হ'ব লাগিব। কাৰণ ৰাজ্যখন যদি আমি আগবঢ়াই নিব বিচাৰো যথেমধে যাকেতাকে আমি মাটি দখল কৰিব দিম অসমখনত অৰাজকতা সৃষ্টি হ'ব। কথা হ'ল যিসকল যোগ্য হিতাধিকাৰী, যিসকল landless তেওঁলোকক দিয়াটোৰ কাৰণেই 2019 policy হৈছে, 1886 ৰ আইন আমাৰ হাতত আছে। গতিকে আমি ভাবিছো যে, এই 2019 policy আৰু পৰৱৰ্তী সময়ত যি মিছন বসুন্ধৰা 3.0 ৰ কাৰণে আৰম্ভ কৰিম, তাত আমি দিব পাৰিম যথেষ্ট সংখ্যক ৰাইজক।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** চাৰ, মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই এটা কথা সুধিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** নৰহ ডাঙৰীয়া, এইটো প্ৰশ্ন শিতান।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** চাৰ, লক্ষীমপুৰ আৰু ধেমাজী জিলাত Forest আৰু Revenue মাটি bord ত বহুত tribal গাওঁ আছে। যিটো কেন্দ্ৰীয় চৰকাৰৰ এখন আইন আছে ২০০৫ চনৰ Forest Place Settlement Act য'ত পট্টা দিব লাগে। এতিয়া Forest Act ৰ এই গাওঁখন Revenue ৰ পৰা আমাৰ মাটিত পৰিছে। এতিয়া forest য়েও এৰি নিদিয়ে, revenue য়েও এৰি নিদিয়ে। এইটো মিছন বসুন্ধৰা ১ তো settlement কৰা নাই ২ তো settelment হোৱা নাই। কেইবাখনো গাওঁ আছে লক্ষীমপুৰ আৰু ধেমাজী জিলাত।

**শ্ৰীযোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা সমস্যা অসমৰ কেইবাখনো জিলাত আছে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** ২০০৫ চনত কেন্দ্ৰীয় চৰকাৰে যিখন আইন বনালে এই আইনমতে forest য়ে তাত কোনো claim কৰিব নোৱাৰে। আইনখনত directly লিখিছে যে, ২০০৫ চনলৈকে forest মাটিত বসবাস কৰা চৰকাৰে মানুহবিলাকক পট্টা দিব লাগে।

**শ্ৰীযোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী ঃ** Forest Dweller Act মতে, Forest Department ৰ সেইটো কথা। আমি বনভূমিতো হাত দিবই নোৱাৰো আমাৰ ৰাজহ বিভাগে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা ঃ** Forest য়ে কয় এইটো আমাৰ মাটিত আছে। Revenue ৰ পৰা আমাৰ মাটিত আছে। Forest য়েও servey নকৰে আৰু Revenue য়েও servey নকৰে। এতিয়া গাওঁবিলাক এনেকৈ পৰি আছে।

**শ্ৰীযোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় সদস্য গৰাকীক এইটো ক'ব বিচাৰিছো যে বিভাগে servey হিচাপে গৈ আছো। Bord বিলাকত এনেকুৱা ধৰণৰ সমস্যা আছে। এইখিনি যেতিয়া Join verification হ'ব, Revenue আৰু Forest লৈ আমি বিভাগে কথা পাতিছো। এনেকুৱা border ত থকা forest আৰু revenue jointly verification কৰো নিশ্চয় এই সমস্যাটো সমাধা হ'ব। আমি এই বিষয়টো বিভাগত আলোচনা কৰি আছো। মিছন বসুন্ধৰা এনেকুৱাধৰণৰ আপোনালোকে দেখিবলৈ পাব।

**মাননীয় অধ্যক্ষঃ** হ'ব। তেওঁলোক দুয়োটা বিভাগে কথা পাতিছো বুলি কৈছে। এইটো আলোচনা নহয়। এইটো প্ৰশ্ন শিতান। Zero Hour আছে। বহক। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে’ পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, বসুন্ধৰা ১.০ আৰু বসুন্ধৰা ২.০ত আমি দেখা পালো যে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমৰ ইতিহাসত প্ৰথম ইমান সংখ্যক মানুহে পট্টা পালে । এইটো আমি অস্বীকাৰ কৰিব নোৱাৰিম। এইটো আমি ধন্যবাদ দিবই লাগিব। অধ্যক্ষ মহোদয়, আমাৰ বহুখিনি সমস্যা আছিল, প্ৰতিটো সমস্যা সমাধানৰ কাৰণে বসুন্ধৰা ১.০ আৰু বসুন্ধৰা ২.০ ইতিমধ্যে ইমপ্লিমেন্ট হৈছে আৰু বহুখিনি মাটিৰ সমস্যা সমাধান কৰা হৈছে । অধ্যক্ষ মহোদয়, এতিয়া বসুন্ধৰা ৩.০ ইমপ্লিমেন্ট হ’ব । এইটো ভাল কথা । অধ্যক্ষ মহোদয়, বেংগলী মানুহৰো কিছু সমস্যা আছে। বসুন্ধৰা ৩.০ ত যাতে বেংগলী মানুহৰ মাটিৰ সমস্যাখিনি তৎপৰতাৰে সমাধান কৰে এইটো মই চৰকাৰক অনুৰোধ জনাইছো ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয় , ইয়াত বেংগলী বা বেলেগ বুলি কথা নাই । আমাৰ ভাৰতীয় নাগৰিকে যিটো সুবিধা পাব লাগে, তেওঁলোকে প্ৰপাৰ ডকুমেন্ট চাবমিট কৰিলে যিখিনি এল্লিজিবল হ’ব তেওঁলোক পাবই । ট্ৰাইবেল বেল্টৰ কথাটো বেলেগ - কৰ’বাত প্ৰটেক্টেড আছে । ৮৪ পাৰ্চেন্ট ট্ৰাইবেল মানুহে ইয়াত পট্টা পাবলৈ সক্ষম হ’ল । আগতে ৭ বিঘা আছিল এতিয়া ৫০ বিঘালৈকে ৰাইট দিয়া হৈছে । বসুন্ধৰাত বেছিকৈ উপকৃত হোৱা মানুহখিনিয়ে হ’ল ট্ৰাইবেল মানুহখিনি । যিখিনি প্ৰপাৰ ভাৰতীয় মানুহ এল্লিজিব্‌ল হ’ব তেওঁলোক পট্টা পাবই ।

**মাননীয় অধ্যক্ষ ঃ** নেক্সট কোৱেশ্চন হ’ল তৰঙ্গ গগৈ । তৰঙ্গ গগৈ অনুপস্থিত, নেক্সট দৰসিং ৰংহাং।

**শ্ৰী দৰসিং ৰংহাং, (ডিফু) ঃ** অধ্যক্ষ মহোদয়, যিটো ৰিপ্লাই দিছে - কাৰ্বি অটোনোমাচ কাউন্সিলৰ পৰা লেণ্ড এলাইনেশ্যনৰ বিল গৰ্ভনৰৰ এপ্ৰোভেলৰ কাৰনে পঠিওৱা হৈছে। চৰকাৰে ক্লেৰিফিকেশ্যন কিছুমান কাউন্সিলৰ পৰা বিচাৰিছিলে। এইটো ৰিমাইণ্ডাৰ দিয়াৰ পিছতো ৰিপ্লাই পোৱা নাই বুলি কৈছিলে, কিন্তু যোৱা এক বছৰ আগত ২৩ ডিচেম্বৰ ২০২২ ত ৰিপ্লাই দিয়া হৈছে । ৰিপ্লাই মোৰ হাতত আছে কিন্তু আজিলৈকে দিশপুৰলৈ এই ৰিপ্লাইটো আহি পোৱা নাই বুলি কৈছে গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এইটো প্ৰশ্ন কৰিব বিচাৰিছো যে কিছুমান নথি পত্ৰ দিশপুৰলৈ পঠিয়ালে বা দিশপুৰৰ পৰা ডিফুলৈ আহোতে বহু বিলম্ব হয়। এক বছৰ হৈ যোৱাৰ পিছতো দিশপুৰলৈ নথি আহি নাপায় গতিকে ব্যুৰক্ৰেট লেভেলত নেগলিজেন্সি হৈছে নেকি এই কথাটো মই জানিব বিচাৰিছো । লগতে উল্লেখ কৰা ক্লেৰিফিকেশ্যনটো যদি পাইছে কিমান দিনৰ ভিতৰত কামটো হ’ব সদনত মন্ত্ৰী মহোদয়ে জনাব নেকি ?

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয়, কাৰ্বি আংলং অটোনোমাচ কাউন্সিলৰ যিখন ৰেগুলেশ্যন এমেণ্ডমেন্টৰ কাৰণে ট্ৰেন্সফাৰ বিল ,২০১৯ আনিছে এইখনৰ ওপৰত আমাৰ এচ এ ডি ডিপাৰ্টমেন্টৰ ফালৰ পৰা কিছুমান ক্লেৰিফিকেশ্যন বিচাৰি কাৰ্বি অটোনোমাচ কাউন্সিললৈ পঠিওৱা হৈছিল । ক্লেৰিফিকেশ্যন যেতিয়াই আহিব আমি লগে লগে বিবেচনা কৰিম । আমি এক ঘন্টাও নলওঁ আৰু ডকুমেন্টখিনি অহাৰ ক্ষেত্ৰত যিটো ক’লে এতিয়া যিহেতু অন লাইন ব্যৱস্থা হৈছে , পোৰ্টেলত অহাৰ লগে লগে আমি ডাউনলোড কৰি ব্যৱস্থা ল’ম ।

**শ্ৰী দৰসিং ৰংহাং, (ডিফু) ঃ** ধন্যবাদ । মোৰ ওচৰত কপি আছে মই আপোনাক দিম ।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে দিব । এতিয়া নেক্সট কোৱেশ্যন ১৮৯ কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ , বৰ্ত্তমানে মোৰ বিশেষ ক'বলগীয়া নাই । ইতিমধ্যে মই তথ্যখিনি পালো । ইতিমধ্যে পুঁজিও ৰিলিজ হৈছে । কেতিয়া কিমান টকা ৰিলিজ হৈছে সকলোখিনি উত্তৰ পাইছো , ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** নেক্সট্ কোৱেশ্যন - ১৯০ - নৰুল হুদা ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰীনৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পালো । কিন্তু হতাশ হৈ গ'লো । বসুন্ধৰা ২.০ ত ১৩,৩৯,৬০৫ জনে

আবেদন কৰিছিল । কিন্তু তাৰ ভিতৰত মাত্ৰ ২,২৯,৬৪৯ জনেহে মাটিৰ পট্টা পালে । অসমত ১৭, ৬৪,৭৯৫ পৰিয়ালে এতিয়াও পট্টা পাবলৈ বাকী আছে । এটা দুখজনক কথা যে, বসুন্ধৰা -২.০ ত আমাৰ নগাওঁ জিলাৰ ৫০,২৫৩ জনে আবেদন কৰিছিলে কিন্তু মাত্ৰ ১০০৪ জনেহে পালে । মানে ৯০ শতাংশ মানুহৰ আবেদন গৃহীত কৰা নহ'ল । মোৰ সমষ্টিৰ ৰূপহীহাটত একচনীয়া মাটিৰ পট্টা চৰকাৰী মাটিত পিজিআৰ- ভিজিআৰ , ভূমিহীন আৰু উচ্ছেদিত পৰিয়াল বহুতো আছে । এই সকলে আবেদন কৰাৰ পিচতো পট্টা পোৱা নাই । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, অসমৰ লগতে নগাওঁ জিলা আৰু মোৰ ৰূপহীহাট সমষ্টিত যিসকলে মাটিৰ পট্টা পোৱাৰ বাবে আবেদন কৰিছিল সেই বিষয়ে কিবা চিন্তা কৰিছেনে ?

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয়, মই ইতিমধ্যে গোটেইখিনি কথা মোৰ বক্তব্যত ৰাখিছো । আমি বসুন্ধৰা ৩.০ আৰম্ভ কৰিম । কিন্তু বসুন্ধৰা ২.০ টো আছিলে আমাৰ সম্পূৰ্ণ খিলঞ্জীয়া মানুহক ভূমিৰ অধিকাৰ দিয়া । তেখেতে দুখজনক বুলি কৈছে কিন্তু এইটো সুখজনকহে কাৰণ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টভাৱে তেওঁৰ বক্তব্যত কৈ গৈছে যে, তেখেতে পৰৱৰ্ত্তী সময়ত চৰ অঞ্চলৰ যিবিলাক মাতব্বৰ সেইবিলাকক উৎখাত কৰাৰ পিচত তাতো মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা অসম চৰকাৰে হাতত লৈছে কিন্তু ১৩ লাখ ৩৯ হাজাৰৰ ভিতৰত আমি দুই লাখ উনত্ৰিশ হাজাৰ পৰিয়ালক অহা ২৫ তাৰিখৰ ভিতৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি আনুষ্ঠানিকভাৱে এই পৰিয়ালসকলৰ হাতত মাটিৰ পট্টা অৰ্পণ কৰিম । এনেধৰণে অসমৰ জনসাধাৰণলৈ এটা আনন্দৰ বতৰা কঢ়িয়াই আনিছে আৰু ভূমি সংক্ৰান্তীয় যিবিলাক জটিল সমস্যা আছিল সেইবিলাকো এই বসুন্ধৰাৰ জৰিয়তে নাইকিয়া হ'বলৈ ধৰিছে । পৰ্য্যায়ক্ৰমে অসমত বাস কৰা ভূমিহীন লোকক আইন প্ৰণয়ন কৰি বা সংশোধন কৰি হ'লেও মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই এই সদনত আশ্বাস দিছে যে এইসকলক ভূমি পট্টা দিব। গতিকে মই ভাবো আপোনালোক সকলোৱে এই বিষয়ে চিন্তা কৰিব নালাগে । কাৰণ আমি পৰ্য্যায়ক্ৰমে বসুন্ধৰা ৩-৪-৫ কৰি হ'লেও এই বিষয়ত কাম কৰিম । হয়তো অলপ ধৈৰ্য্য ধৰিব লাগিব কাৰণ আমি আইনৰ আওঁতাত আছো । ১৮৮৬ চন আৰু ২০১৯ চনৰ পলিচি আদিকে ধৰি সময়ে সময়ে আমি কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু নীতি মানিব লাগিব। আমি আইন অমান্য কৰি কোনো অবৈধ কাম কৰিব নোৱাৰো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীনৰুল হুদা, (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সুখদায়ক বুলি ক'লে কেনেকৈ হ'ব ? ৫০২৫৩ টা পৰিয়ালে আবেদন কৰাৰ পিচত মাত্ৰ ১০০৪ টা পৰিয়ালে পট্টা পালে । গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ৰূপহীহাট সমষ্টিত

যিবিলাক ভূমিহীন উচ্চেদিত পিজিআৰ -ভিজিআৰ , চৰকাৰী, একচনীয়া  মাটিত মানুহে বসবাস কৰি আছে সেইসকলক কিমান দিনৰ ভিতৰত পট্টা দিব ?

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** অধ্যক্ষ মহোদয়, ৰূপহীহাটৰ লগেত সমগ্ৰ অসমতে এই নীতি প্ৰযোজ্য হ'ব। সকলো নথি পত্ৰ চাইহে মাটিৰ পট্টা দিয়া হয়। কাৰোবাৰ দখল নাই, কোনোবাই ৭৩ ৰ জেনেৰেশ্যন দিব পৰা নাই, কাৰণে আমি মাটিৰ পট্টা দিব পৰা নাই। এইখিনি Fulfill কৰি দিলে আমি পৰৱৰ্তী সময়ত তেওঁলোকক মাটিৰ পট্টা দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশান্ত ফুকন ডাঙৰীয়াই কওঁক।

**শ্ৰী প্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰত্যেকখন সমষ্টিতে বহুখিনি জলডুবা মাটি আছে আৰু সেই মাটিসমূহ ক্ৰমান্বয়ে বাম হৈ গৈ আছে। সেই মাটিসমূহত Unauthorise occupancy দিনে দিনে বাঢ়ি গৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমাৰ যিমানখিনি জলডুবা মাটি আছে, সেইখিনি পৰৱৰ্তী সময়ত ফিচাৰীলৈ ৰূপান্তৰিত কৰাৰ ব্যৱস্থা হাতত ল'ব পাৰো নেকি? যাতে সেইখিনি মাটি পিছলৈ আমাৰ সহায় হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্ৰশান্ত ফুকন ডাঙৰীয়াই গুৰুত্বপূৰ্ণ কথাই কৈছে। কিন্তু জলডুবা আৰু জলাশয় দুটা শ্ৰেণী আছে। জলাশয় প্ৰাকৃতিক ভাৱে হয় আৰু তালৈ আমি পানী যাবলৈ দিব লাগে। আমি যদি এইবোৰ পুতি দিওঁ বানপানী কিয় নহ'ব? ইয়াৰ বাবে আজি বানপানী হৈছে। যিখিনি জলাশয় আৰু জলাডুবা অঞ্চল আছে, তাত আইনে হাত দিব দিয়া নাই আৰু প্ৰাকৃতিকভাৱে থাকিবলৈ দিছে। যিখিনি জলাশয় বা জলডুবা অঞ্চল ৰেকৰ্ডত আছে, কিন্তু তাৰ কোনো চিন-মোকাম নাই। পৰৱৰ্তী সময়ত আমি ইয়াত কিছু সংশোধন কৰিব লাগিব। আমাৰ বিভাগে এইবোৰ Geological Analysis কৰি পৰৱৰ্তী সময়ত কিছু ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১৯১ । ভাস্কৰ শৰ্মা, তেখেত অনুপস্থিত। প্ৰশ্ন নং-১৯২ । ড° পৰমানন্দ ৰাজবংশী।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো পাইছো হয়। এই প্ৰশ্ন কেইটাৰ মাজত এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ বাবেহে মই এই প্ৰশ্নকেইটা উত্থাপন কৰিছো। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যোৱা ১৩ নৱেম্বৰ তাৰিখে আমাৰ সমষ্টিলৈ গৈছিল। কিন্তু মোৰ এই কথাটো কোৱা নহ'ল। ১৯৮৬-৮৭ চনত পাতিদৰং জলসিঞ্চন আঁচনি তেতিয়া অগপ চৰকাৰৰ দিনত গ্ৰহণ কৰা হৈছিল। সেই সম্পৰ্কে মই এটা কথা ক'ব বিচাৰিছো যে কোটি টকীয়া সেই আঁচনিখন নোহোৱাৰ বাবে তাত থকা প্ৰায় ১৯ খন গাওঁৰ মানুহে যি ধৰণে কৃত্ৰিম বানৰ সমস্যা আৰু জলসিঞ্চনৰ অভাৱ অনুভৱ কৰিছে আৰু সেই গোটেই বিষয়টোক লৈ মই এই প্ৰশ্নটো উত্থাপন

কৰিছিলো। তেওঁ ইতিমধ্যে যিখিনি কাম হৈ গৈছে, সেইখিনিৰ উত্তৰ দিছে। সেই উত্তৰখিনিত মই সন্তুষ্টি প্ৰকাশ কৰিছো। মোৰ আৰু এটা কথা হৈছে যে পাতিদৰং জলসিঞ্চন আঁচনি সম্পৰ্কে মাননীয় মন্ত্ৰী ডাঙৰীয়াই যদি অকণমান অনুসন্ধান কৰে তেতিয়াহ'লে গম পাব যে কৃত্ৰিম বানপানী

আৰু জলসিঞ্চন আঁচনি নোহোৱাৰ বাবে আজি পথৰুঘাটৰ কৃষক শ্বহীদৰ ১৯ খন গাওঁৰ ৰাইজ সাংঘাতিক ধৰণে জুৰুলা হৈ আছে আৰু মই সেইখন গাওঁৰে মানুহ। এইখিনিৰ পিছত মোৰ এটা পৰিপূৰক প্ৰশ্ন আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পৰমানন্দ ৰাজবংশী ডাঙৰীয়া আৰু বিভাগৰ বিষয়সকলক লগতলৈ তেখেতৰ সমষ্টিত বন্ধ হৈ থকা যিসমূহ প্ৰকল্প ১৯৮৬-৮৭ চনত হৈছিল। কিন্তু কাম আৰম্ভ হোৱা নাছিল আৰু ক'বলৈ গ'লে প্ৰায় ৩৫ বছৰ হৈ গ'ল, কিন্তু কাম আৰম্ভ হোৱা নাছিল। মই তাত দুবাৰকৈ ভ্ৰমণ কৰিলো আৰু তাত এতিয়া কাম আৰম্ভ হৈছে। ২০২৪ চনতে আমি কুৰুৱা প্ৰকল্পৰ দ্বাৰা খেতিয়ক ৰাইজক পানী দিব পাৰিম বুলি আশাবাদী আৰু দ্বিতীয়তে তেখেতে যিটো পাতিদৰং প্ৰকল্পৰ কথা ক'লে সেইটো আপগ্ৰেডেশ্যনৰ কাৰণে হাতত লৈছো। ২০২৪-২৫ চনত আমি এই প্ৰকল্প কাৰ্য্যক্ষম কৰিম। জলসিঞ্চন বিভাগে নতুন প্ৰকল্প কৰাতকৈ যি সমূহ প্ৰকল্প আধৰুৱা হৈ আছে বা বিজুতি ঘটিছে, কিছু পইচা খৰচ কৰিলে ভাল হ'ব আৰু পানী যোগান ধৰিব পৰা হ'ব। তেনেকুৱা প্ৰকল্পসমূহ চিনাক্তকৰণ কৰি তাত কাম কৰি আছো যাতে কম খৰচত বেছি মানুহক পানী যোগান ধৰিব পাৰো। তাৰ কাৰণে আমি বিধায়ক ডাঙৰীয়াক লগত লৈ ভ্ৰমণ কৰিছো আৰু বিভিন্ন অঞ্চলত অভিযন্তা আৰু বিষয়াসকলক লগত লৈ নিজেও গৈ আছো। অসমৰ যিসমূহ প্ৰকল্পত এনেধৰণৰ সম্ভাৱনা আছে, আমি সকলোতে কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছে যে ধুনি জলসিঞ্চন আঁচনিত এটা অবৈজ্ঞানিক শ্লুইছ গেট আছে আৰু তাত যিহেতু ডিমিলা নদী, পান্দাঘাট নদী, কালপানী নদীৰ বান্ধ নাই আৰু সেই অবৈজ্ঞানিক শ্লুইছ গেটখনৰ বাবে সাংঘাতিক ধৰণে বানাক্ৰান্ত হয়। মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি বিষয়া মোৰ লগত পঠিয়াইছিল, তেখেতসকলেও এই কথা স্বীকাৰ কৰিছে আৰু মই আশা কৰিছো যে এই শ্লুইছ গেটখন বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিব লাগে আৰু গোটেই গাওঁৰ মানুহে পানী পাব আৰু কৃত্ৰিম বানপানীৰ পৰা ৰক্ষা পৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, জলসিঞ্চন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথা উল্লেখ কৰিলে মই তেখেতৰ লগত বিবেচনা কৰি আমি যি ব্যৱস্থা ল'ব লাগে লম। অসম চৰকাৰ আৰু জলসিঞ্চন বিভাগে প্ৰত্যেকজন কৃষকৰ খেতি-পথাৰত পানী দিয়াৰ বাবে দায়বদ্ধ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১৯৩ । আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মাণিকপুৰত জলসিঞ্চন বিভাগৰ উপ-সংমণ্ডল যোৱা তিনিবছৰ আগতে স্থাপন কৰা হৈছিল। কিন্তু আজিলৈকে উঃ অভয়াপুৰী সমষ্টিত উপ-সংমণ্ডলৰ জৰিয়তে ৰূপায়ণ কৰা হোৱা নাই। এবাৰ সৌৰশক্তি চালিত আৰু এবাৰ বিজুলী চালিত টিউৱেলৰ আঁচনিৰ বাবে আমাৰ পৰা হিতাধিকাৰীৰ তালিকা ল'লে। যদি আঁচনি লোৱা নহয়েই তেন্তে তাত কিয় উপ-

সংমণ্ডল স্থাপন কৰা হৈছিল ? দেখা যায় যে বঙাইগাওঁ আৰু দঃ অভয়াপুৰীত আঁচনি লোৱা হৈছে। কিন্তু উঃ অভয়াপুৰীত কৃষি ভূমি থকাৰ পিছতো কিয় আঁচনি লোৱা নহ'ল ? উঃ অভয়াপুৰী অঞ্চলত জলঞ্চিন বিভাগৰ ফালৰ পৰা কিবা আঁচনি লোৱা হ'ব নে নাই, সেই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে কামটো হাতত লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এনেকুৱা গা-এৰা মন্তব্য আশা কৰা নাছিলো। এটা উপ-সংমণ্ডলত এখনো আঁচনি নাই। এইক্ষেত্ৰত আপুনি এনেকুৱা উত্তৰ কেনেকৈ দিলে ?

**মাননীয় অধ্যক্ষ ঃ** তেখেতে গা-এৰা মন্তব্য দিয়া নাই। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি জে পি চৰকাৰৰ এটা প্ৰধান প্ৰতিশ্ৰুতি আছিল যে "হৰ খেত কো পানী", মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ 'কৃষি সিঁচাই যোজনা' এইটো এটা বহুল চৰ্চ্চিত বিষয়। কিন্তু অসমৰ এতিয়া কেৱল চৈধ্য শতাংশ পথাৰত পানী যোগান আছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত দিছে। অসমত তিনি হাজাৰ ন শ তেৰ খন জলসিঞ্চন আঁচনি আছে বুলি কৈছে আৰু তাৰে পোন্ধৰ শ পঁচাশী খন অকামিলা বুলি কৈছে। যাৰ ফলস্বৰূপে অসমত একেবাৰে পথাৰবোৰত পানীযোগানৰ ব্যৱস্থা নাই। মোৰ প্ৰশ্নটো হ'ল যে কেতিয়ালৈকে অসমৰ প্ৰত্যেকখন পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব আৰু এতিয়ালৈকে জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰাৰ বাবে জলসিঞ্চন বিভাগটো আটাইতকৈ ব্যৰ্থ বিভাগ হয়নে নহয় তাৰ উত্তৰ লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৰুত্বপূৰ্ণ প্ৰশ্ন আজি অসম বিধান সভাত উত্থাপন হৈছে। মই দুটা কথা বাৰে বাৰে কৈ আহিছো যে জলসিঞ্চন বিভাগে অসমত বহু প্ৰকল্প কৰিলে আৰু সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে বহু প্ৰকল্প বিকল হৈ আছে আৰু আমিও স্বীকাৰ কৰিছো। কিন্তু বিকল হোৱাৰ কাৰণবোৰ আমি মীমাংসা কৰিব লাগিব। অসমৰ নদীয়ে সঘনাই গতি-পথ সলনি কৰিছে। প্ৰকল্প য'ত আছে তাৰ পৰা নদীখন দূৰলৈ গুচি যায়। যেতিয়া........Interruption..........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই একে ডাইলকবিলাক শুনি শুনি আমনি লাগিছে। আচল কথালৈ আহিব লাগে। কেতিয়ালৈকে এশ শতাংশ পানীযোগানৰ ব্যৱস্থা কৰা হ'ব ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো শুনক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, নগৰ পৰিক্ৰমা আৰু জলসিঞ্চন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া সঁচা কথা শুনিবলৈ সাহস নাথাকে, তেতিয়া প্ৰশ্ন কৰিব নলাগে।

**মাননীয় অধ্যক্ষঃ Question Hour is over. Now zero hour.**

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা আপোনাক তিনি মিনিট সময় দিয়া হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (গুৱাহাটী পশ্চিম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শূন্যকালীন ঘণ্টাত

- 'ভৰলুৰ উন্নয়ন, ভৰলুক পুনৰুজ্জীৱিতকৰণ'- এই গুৰুত্বপূৰ্ণ বিষয়টো মই আপোনাৰ জৰিয়তে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। চাৰ, গুৱাহাটী মহানগৰীত তিনিখন নদী আছে। সেইকেইখন হ'ল- ভৰলু, মৰা ভৰলু আৰু বাহিনী নদী। গুৱাহাটী মহানগৰীক যদি বানমুক্ত, প্ৰদূষণমুক্ত কৰিব লাগে তেন্তে এই তিনিখন নদীক পুনৰুজ্জীৱিতকৰণ কৰাৰ ব্যৱস্থা আমাৰ চৰকাৰে গ্ৰহণ কৰিব লাগিব। গুৱাহাটীৰ বাসিন্দা, দোকান-বজাৰ, আমাৰ যিবোৰ কল-কাৰখানা আছে, সকলোৰে গোটেই আৱৰ্জনা এই তিনিখন নদীত পেলোৱা হয়। যাৰ ফলত এই নদীখন সাংঘাতিক ভাৱে প্ৰদূষিত হৈছে। এই তিনিখন নদীক আমি প্ৰবাহিত কৰাৰ ব্যৱস্থা ল'ব লাগিব। এই নদীখনত বিভিন্ন আৱৰ্জনা পেলোৱাৰ বাবে আজি গুৱাহাটী মহানগৰী সাংঘাতিক ভাৱে প্ৰদূষিত হৈছে। এই ভৰলু নদীত আৱৰ্জনা পেলোৱা বন্ধ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰয়োজন সাপেক্ষে এই নদীকেইখনৰ বিভিন্ন স্থানত যদি চি.চি.টি.ভি. কেমেৰা লগোৱা হয়, তেন্তে যিসকলে সেই পানীত আৱৰ্জনা পেলাব, তেওঁলোকৰ ওপৰত আমি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে পদক্ষেপ ল'ব লাগিব। প্ৰয়োজন হ'লে আমাৰ আইনখন সংশোধন কৰি আমি কঠোৰ হোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ এই নদীকেইখন যদি প্ৰবাহিত কৰি ৰাখিব পৰা নাযায় তেন্তে আমি গুৱাহাটী মহানগৰীক বানমুক্ত কৰিব নোৱাৰিম। গতিকে, বানমুক্ত, প্ৰদূষণমুক্ত কৰাৰ বাবে আমাৰ চৰকাৰে কি ব্যৱস্থা লৈছে আৰু পৰ্যটনৰ আকৰ্ষণৰ বাবে মৰা ভৰলুৰ তিনিখন নদীত গাৰ্ডৱাল দিয়াৰ ব্যৱস্থা যদি কৰা হয় তেন্তে মই ভাৱো ই আমাৰ মহানগৰীৰ বাবে যথেষ্ট সুবিধা হ'ব ..interruptions....

**মাননীয় অধ্যক্ষঃ** হ'ব আপোনাৰ তিনি মিনিট হৈ গ'ল। মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (গুৱাহাটী পশ্চিম)ঃ** চাৰ, বহুখিনি ক'বলৈ আছিল, যিহেতু সময় কম, এইখিনিকে কৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, ভৰলু নদী এসময়ত খুব পৰিষ্কাৰ আৰু সুচল নদী আছিল। গুৱাহাটী চহৰৰ মাজ-মজিয়াৰ পৰা ওলাই যোৱা ভৰলু নদীখনত সৰুকালত আমি গা ধুইছিলো, মানুহে তাত মাছ মৰাও আমি দেখিছিলো। কিন্তু, আজি ভৰলু নদী এক নলাত ৰূপান্তৰ হ'ল। ইয়াৰ কাৰণ হ'ল উচিত সময়ত যি ব্যৱস্থা ল'ব লাগিছিল সেই ব্যৱস্থা লোৱা হোৱা নাই। তাৰ কাৰণে আজি ভৰলুয়েই হওক বা মৰা ভৰলুয়েই হওক বা বাহিনী নদীয়েই হওক বা লক্ষীজানেই হওঁক, প্ৰত্যেকখন সৰু ডাঙৰ নদী নলাত ৰূপান্তৰিত হ'ল। এতিয়া এই নদীবোৰ পুনৰুজ্জীৱিত হ'ব লাগে। ইয়াৰ বাবে চৰকাৰে বহু ধৰণে চেষ্টা কৰি আছে, নকৰা নহয়। গুৱাহাটী চহৰত মানুহে sewage যিবিলাক নদীত নিষ্কাষণ কৰে, সেইটো যেন নকৰে তাৰ বাবে ২০২৪-২৫ চনত এটা Sewage Treatment Plant গোটেই গুৱাহাটী চহৰৰ বাবে আৰম্ভ হ'ব। মই ভাৱো যে এবাৰ STP হৈ গ'লে মানুহে ত্যাগ কৰা মল-মূত্ৰ যেতিয়া নদীত নাযাব, তেতিয়া নদীয়ে বহুখিনি সকাহ পাব। আনহাতে, মানুহে জাৱৰ ভৰলু বাহিনীত পেলাই দিয়ে। ইয়াৰ বাবে সজাগতা অভিযানো চলিছে। জাৱৰ উঠোৱাৰ বাবে ভাল ব্যৱস্থা এটাও আমি কৰি আছো। আমাৰ সন্মানীয় সদস্যগৰাকীও Guwahati Municipal Corporation (GMC) ৰ Ex-Officio Member আৰু তেখেত এজন গুণী-জ্ঞানী আৰু অনুভৱী ব্যক্তি, গতিকে তেখেতে GMC ক নিজৰ দিহা-পৰামৰ্শ আগবঢ়ালে GMC যথেষ্ট উপকৃত হ'ব। জাৱৰ নিষ্পত্তি ভাল কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যি কৰিবলগীয়া আছে, সেইখিনি কৰা হ'ব। এই বছৰত গুৱাহাটীত ২০০০ চি.চি.টি.ভি কেমেৰা লগোৱা আৰম্ভ হ'ব। যাৰ দ্বাৰা

কোনোবাই অপৰাধ কৰিলেও তাৰ পৰা ফুটেজ বা ফটো ল'ব পাৰিম, কোনোবাই যদি বেয়াকৈ জাৰৰ-জোঁথৰ পেলাইছে তেন্তে তাৰ ওপৰতো আমি ব্যৱস্থা ল'ব পাৰিম। গতিকে আমি সকলোখিনি ব্যৱস্থা লৈছো। কিন্তু লগতে, গুৱাহাটীবাসী ৰাইজেও অলপ সহযোগ কৰিলে মই ভাৱো গুৱাহাটীক এখন চাফ-চিকুণ চহৰ কৰাৰ লগতে ইয়াত থকা নদীসমূহক পুনৰুজ্জীৱিত কৰি তুলিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী শিবামণি বৰা।

**শ্ৰীমতী শিবামণি বৰা, (বটদ্ৰৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত- 'বিজেপি শাসিত আন ৰাজ্যই পালে শ শ কোটি টকা, অসমলৈ মাত্ৰ ১৪ কোটি' শীৰ্ষক বাতৰিটোলৈ শক্তি মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰৰ নতুন আৰু পুনৰ নৱীকৰণ শক্তি মন্ত্ৰালয়ৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পাইছে যে দৈনিক ভাৰতত উৎপাদিত হৈছে ৭৩,৩১৮ মেগাৱাট সৌৰশক্তি। সমগ্ৰ দেশৰ এই বৃহৎ পৰিমাণৰ সৌৰ শক্তি উৎপাদনৰ ভিতৰত অসমত উৎপাদন হয় মাত্ৰ ১৫৬ মেগাৱাটহে। ছত্তীশগড়ৰ দৰে সৰু ৰাজ্যখনতে সৌৰ শক্তি উৎপাদনৰ পৰিমাণ হ'ল ১০৭২ মেগাৱাট। তাপ বিদ্যুৎ উৎপাদনেৰে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত বহিঃ ৰাজ্যসমূহো অসমতকৈ সৌৰ শক্তি উৎপাদনত বহু বেছি আগবাঢ়ি আছে। প্ৰতিবেদনখনে অসমত সৌৰ শক্তি উৎপাদনৰ সাম্প্ৰতিক কালৰ বাস্তৱ প্ৰতিচ্ছবিখন উদঙাই দিছে। কেন্দ্ৰীয় চৰকাৰে বিগত ২০২২-২৩ বৰ্ষত দেশৰ প্ৰতিখন ৰাজ্যলৈ সৌৰ শক্তি উৎপাদনৰ বাবে ৰাজ্য চৰকাৰে দাখিল কৰা প্ৰকল্প ব্যয় অনুপাতে ধন আৱণ্টন কৰিছিল। এই ক্ষেত্ৰতো সুযোগ গ্ৰহণ কৰাত ব্যৰ্থতা প্ৰদৰ্শন কৰি অসমে মাত্ৰ ১৪ কোটি টকাহে কেন্দ্ৰৰ পৰা সাহাৰ্য্য লাভ কৰিছে। ইয়াৰ বিপৰীতে গুজৰাটে ১১১৪ কোটি, হাৰিয়ানাই ১১৪ কোটি, মহাৰাষ্ট্ৰই ৩০৪ কোটি, কেৰালাই ৯০ কোটি আৰু আন ৰাজ্যসমূহেও অসমতকৈ বেছি টকা সৌৰ শক্তি প্ৰকল্প স্থাপনৰ কাৰণে মোকলাই নিবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহাৰ্য্যত সৌৰ শক্তি উৎপাদন প্ৰকল্প স্থাপন কৰি সুযোগৰ সৎ ব্যৱহাৰ কৰাত দেশৰ বহু ৰাজ্যই সফলতা অৰ্জন কৰিছে। সেই সময়তো অসমে সৌৰ শক্তি উৎপাদনৰ সময়োপযোগী পদক্ষেপ ল'ব নোৱাৰাটো ৰাজ্যখনৰ চৰকাৰ তথা শক্তি বিভাগৰ ব্যৰ্থ ৰূপে চিহ্নিত হৈছে। কেন্দ্ৰীয় চৰকাৰে নৱীকৰণযোগ্য শক্তি উৎপাদন বৃদ্ধিৰ বাবে Roof top solar আঁচনি গ্ৰহণ কৰি ব্যক্তিগত আৱাসিক গোটৰ জৰিয়তে সৌৰ শক্তি উৎপাদনৰ বাবে বিগত কেইবা বছৰৰ পৰাই বৃহৎ অংকৰ ধন ব্যয় কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে দেশ জুৰি চলোৱা এই জৰীপ মতে অসমত সৌৰ শক্তি উৎপাদনৰ সম্ভাৱনীয়তাৰ হাৰ হ'ল ১৩,৭৬০ মেগাৱাট। কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া হাৰত সৌৰ শক্তি উৎপাদন কৰিলে বহিঃ উৎসৰ পৰা অধিক ধন ভৰি প্ৰতিদিনে বিদ্যুৎ ক্ৰয় কৰা ধাৰাবাহিকতাৰ অৱসান ঘটোৱাৰ পূৰ্ণ সুযোগ আছিল। কিন্তু অসমত সকলো কাম লাহে লাহে হয়। বিত্ত মন্ত্ৰী মহোদয়াই ২০২৪-২৫ চনৰ বাজেট ভাষণত কৈছে যে ৰাজ্যখনৰ সকলো নতুনকৈ নিৰ্মাণ হ'বলগীয়া ব্যক্তিগত আৰু চৰকাৰী ভৱনৰ ছাদত সৌৰশক্তিৰ ব্যৱস্থাৰ সুবিধা বাধ্যতামূলক কৰা হ'ব আৰু চৰকাৰে এই উদ্দেশ্যে চলিত বছৰতে এখন আইন প্ৰণয়ন কৰিব। এতিয়াও সকলো কথা হ'ব বা কৰিব পৰ্য্যায়তে আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া শক্তি বিভাগৰ মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰো যে পূৰ্ণ সুযোগৰ সম্ভাৱনীয়তা থকাৰ পিছতো আমাৰ ৰাজ্যখন আন বহুতো ৰাজ্যতকৈ সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত কিয় পিছুৱাই গ'ল আৰু সৌৰশক্তি উৎপাদন ত্বৰান্বিত কৰাৰ বাবে শক্তি বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী ডাঙৰীয়ানী।

**Smti Nandita Garlosa, Minister :** Hon'ble Speaker Sir, the news item published in the news paper "Dainik Agradoot" on 19-02-2024 pertaining to failure of setting up of Solar Power is not based on facts. The total installed solar capacity in the state of Assam is 291MW as against 155MW published in the news paper. Though it is primarily estimated that Assam has a capacity to generate up to 13760MW of solar power, there are some factors in respect of Assam which do not favour development of large solar power projects. Some of the major challenges which have been identified in implementation of solar energy projects in Assam are - Non-availability of suitabale barren land is one of the major challenges for development of large solar projects in the state. Most of the barren land available are low-lying and flood prone areas, hilly & river line areas in the state. Installing large solar power plants on fertile lands in the state will impact agricultural production of the state. Assam has a lengthy rainy season and low sun hours which affect solar power generation. Assam is frequently affected by floods. The flood prone areas are also not certain and every year new areas are affected by floods e.g. in Lalankita Cachar, where there were no records of flood in the past also got submerged last year and the 25MW solar power plant over there was damaged. Lower irradiance is another factor for low development of solar power plants in our state. Low irradiance in Assam results in less generation and consequently higher cost of energy product compared to the state like Gujarat and Rajasthat where irradiance values are quite high.

Inspite of these factors Govt. of Assam trying to boost solar generation through various projects. Total solar power generation as of now in Assam is as follows:

1. 25MWP in Rowta, Udalguri
2. 25 MWP solar power plant at Bhalukghata, Boko, Kamrup
3. 15 MWP solar power plant at Mikir Bamuni Village
4. 10 MWP solar power plant at Padumoni Village, Nagaon
5. 25 MWP solar power plant at Lalankita, Lobokper Village
6. 5 MWP solar power plant atBalipara, Tezpur
7. 4 MWP solar power plant at Industrial Growth Centre, Patanjali,

Tezpur
8. 70MWP solar Park in Amguri, Sibasagar
9. Captive solar power plant, installed capacity 29 MW
10. Grid Connected Rooftop solar power plant, installed capacity 42 MW
11. Off Grid solar power plant, installed capacity 41 MW

There are some upcoming solar power projects which are happening in Assam are-
1. Govt of Assam is implementing 1000MW solar power projects in Karbi Anglong Mukhya Mantri Saura Shakti Prokolpo. The tentative post for the project is INR 4000 crore. 80% of the project cost will be funded by the Govt. of India and the remaining 20% will be invested by the Govt. of Assam.
2. Memorendum of understanding (MoU) has been signed by the APDCL for development of 1000 MW solar power projects by formation of JVC between APDCL and NLC India Renewables Ltd.
3. Another memorendum of understanding (MoU) has been signed by the APDCL for development of 1000 MW renewable energy projects by formation of JVC between APDCL and SJVN Green Energy Ltd.
4. APDCL has also explored the possibility integration of battery energy storage with solar energy generation from the upcoming projects APDCL has signed n Mou with ONGC, Tripura Power Company Ltd.

Deveolpment of 250 MW Battery Enegery Storage System in the state of Assam the new JV Company namely New and Green Energy of Assam Ltd has alreary been registered.
5. In order to the achieve the target capacity set under Assam Renewable Policy, 2022, APDCL floated tenders for procurement of 320 MW Solar Power Plant from Grid connected ground mounted solar PV Power Projects on Build on Operate Mode through tariff based Competitive bidding process. Work order has been awarded to M/s. SJVN Green Energy Ltd. on 28-08-2023 an work will be started in Borsola and Bilasipara for construction of new solar plants in this month. It is also informed that Hon'ble Prime Minister has announced major rooftop solar scheme which will be implemented

in Assam also. It will further add in solar generation capacity of the state. APGCL is also taking a proactive approach to tackling environmental challenges through a sense of Solar Power Projects across the state. To further accelerate its renewable energy ambitions APGCL joints hand with Oil India Ltd. at 51%(APGCL): 49% (OIL) equity share holding. This strtegic partnership aims to make Assam self reliant and energy independent by developing a staggering 650MW of Solar Power Projects over the next 2-3 years. The list of Solar Power Projects taken up by APGCL is furnished as follows: 1. Jagiroad Solar Power Projects capacity 3MW, expected time of completion is April, 2025, 2. Namrup Solar Power Projects (APGCL-OIL JV) Capacity 25MW, expected time of completion May, 2025 and 3. Additional 620 MW Solar Power Projects by APGCL-OIL JV) Capacity 620MW, expected time of completion June, 2026.

So, at the same time we cannot say that Assam is behind it, we will say that some of the major geographical area is only been a constrain but rest of it whatever Assam can do for it in terms of power generation is also counterpart in rest of the state.The Govt. of Assam has already taken significant steps for development of MW scale Solar Power Projects in the state.

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২২ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে গণ অধিকাৰ কাকতত প্ৰকাশিত ME school high school লৈ ৰূপান্তৰিত হোৱা, মাদ্ৰাছা সমূহৰ পদ প্ৰাদেশীকৰণত বঞ্চনা, ক্ষুদ্ৰ আচাম মাদ্ৰাছা converted school teachers association বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, অসমত ৬৩৩ টা Pre Senior Madrassa, Senior Madrassa আৰু Title Madrassa আছিল, সেইসমূহ চৰকাৰে বন্ধ কৰি বিদ্যালয়লৈ ৰূপান্তৰ কৰিলে আৰু বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ পাছত এই শিক্ষক শিক্ষয়িত্ৰীসকলে ইমান বছৰে তেওঁলোকে তেওঁলোকৰ পেটত গামোছা বান্ধি বিনা বেতনে মানৱ সম্পদ বিকাশত অৰিহণা যোগাই আছিলে আৰু সেই সকলৰ পদসমূহ কিন্তু প্ৰাদেশীকৰণ কৰা নহ'ল। যোগ্যতা থকা সত্বেও প্ৰাদেশীকৃত কৰণৰ পৰা বঞ্চিত কৰা হ'ল। ১৫২ খন মাদ্ৰাছা শিক্ষানুষ্ঠানত ১৬০০ শিক্ষক শিক্ষয়িত্ৰী। গতিকে ৰাজ্যখনত ৬৩৩ খন মাদ্ৰাছা শিক্ষানুষ্ঠান আছিল আৰু তাৰে ২০১১ চনত ৩২৮ খন মাদ্ৰাছা শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ কৰা হৈছিল। ২০১৪ চনত প্ৰাদেশীকৰণ আইন সংশোধন কৰি পদ সৃষ্টিৰ বাবে বিত্ত বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল। কিন্তু আজিলৈকে সেই প্ৰস্তাৱ গ্ৰাহ্য কৰা নহ'ল বা পদসমূহ সৃষ্টি কৰা নহ'ল। অধ্যক্ষ মহোদয়, ২০২১ চনত পুনৰ একাংশ শিক্ষকৰ পদ প্ৰাদেশীকৰণ কৰি tutor শিক্ষক হিচাপে কিছু নিযুক্তি দিয়া হ'ল। তাতো মাদ্ৰাছা শিক্ষকসকলক বাদ পেলাই ৰখা হ'ল। অধ্যক্ষ মহোদয়, চৰকাৰৰ নিৰ্দেশমতে Pre Senior Madrassa,

Senior Madrassa আৰু Title Madrassa সমূহো সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰিছে আৰু ২০১৭ চনৰ যিটো শিক্ষা প্ৰাদেশীকৰণ আইন, সেই আইনৰ আওঁতাত থকাৰ পাছতো এই মাদ্ৰাছা শিক্ষানুষ্ঠানসমূহক প্ৰাদেশীকৰণৰ পৰা বঞ্চিত কৰা হ'ল। ২০২৩ চনৰ এপ্ৰিল মাহৰ পৰা এই বিদ্যালয়সমূহৰ মধ্যাহ্ন ভোজনো বন্ধ কৰি দিয়া হ'ল। ইয়াৰ আগতে মধ্যাহ্ন ভোজন চলি আছিল। বহুতো শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনা বেতনে শিক্ষকতা কৰি অৱসৰ লৈছে, যিসকল বৰ্তমান নিয়োজিত হৈ আছে তেওঁলোকৰো পৰিয়াল বহু কষ্টৰে জীৱন নিৰ্বাহ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে তেওঁলোক নিশ্চয় মানৱ দৰদী আৰু মানৱ দৰদী চৰকাৰ হিচাপে মই এইটো অনুৰোধ জনাব বিচাৰিছো এই যিসকল লোকে বিনা বেতনে শিক্ষকতা কৰি এতিয়াও পদ প্ৰাদেশীকৰণৰ পৰা বঞ্চিত হৈ হাহাকাৰত দিন কটাই আছে, পেটত গামোছা বান্ধি থাকিবলগা হৈছে, পৰিয়ালসমূহ বহু কষ্টৰে বসবাস কৰিবলগা হৈছে, তেওঁলোকৰ উপৰি হৃদয়বান হৈ, তেওঁলোকৰ প্ৰতি সৎ দৃষ্টি নিক্ষেপ কৰি, সহানুভূতি জনাই সেই পদসমূহ যাতে প্ৰাদেশীকৰণ কৰে। মোৰ বিধানসভা সমষ্টিতো বহু বিদ্যালয় ৰূপান্তৰিত হৈছে। কিন্তু শিক্ষক সকলৰ পদ প্ৰাদেশীকৰণ হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এইসকল শিক্ষক শিক্ষয়িত্ৰীৰ পদ প্ৰাদেশীকৰণ কৰি তেওঁলোকক যাতে সকাহ দিয়ে তাৰবাবে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়া।

**ড° ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাদেশীকৰণ আইনৰ ভিত্তিত নিৰ্দিষ্ট বিধি প্ৰস্তুত কৰি কৰা হয় আৰু আমি সকলোৱে জানো যে ২০১৭ চনৰ যি প্ৰাদেশীকৰণ আছিল সেই প্ৰাদেশীকৰণ আইনৰ ভিত্তিত ২০২১ চনত যোগ্য বিবেচিত হোৱা শিক্ষক বা tutor সকলৰ সেৱা প্ৰাদেশীকৰণ কৰা হয় আৰু সেই আইনৰ অধীনতে ৫৯৯ খন মাদ্ৰাছাৰ পৰা ১৯১৪ টা পদ তেওঁলোকক tutor হিচাপে প্ৰাদেশীকৰণ কৰা হয়। ইয়াৰ পূৰ্বে ২০১১ চনত তেতিয়াও কিছু সংখ্যাক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হৈছিল আৰু ৪০১ খন মাদ্ৰাছা প্ৰাদেশীকৰণ কৰা হৈছিল। ইয়াৰ পিছত ২০২১ চনত অসম চৰকাৰে উচ্চস্তৰিয় সিদ্ধান্ত গ্ৰহণ কৰি মাদ্ৰাছা সমূহক সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰে যাতে সকলোৱে ছাত্ৰ-ছাত্ৰীয়ে আধুনিক বিষয় সমূহ চেবাৰ অধিনত অধ্যয়ন কৰিব পাৰে। সেই আদেশৰ লগত এইটো কোৱা হৈছিল যিখিনি প্ৰদেশীকৃত মাদ্ৰাছা আছিল সেইখিনি প্ৰাদেশীকৃত বিদ্যালয়লৈ ৰূপান্তৰিত হ'ল। যি খিনি অপ্ৰাদেশীকৃত আছিল সেই অপ্ৰাদেশীকৃত মাদ্ৰাছা সমূহ আমাৰ non Government Educational Institution Act, 2006, অৰ্থাৎ ব্যক্তিগত খণ্ডৰ ২০০৬ আইনৰ অধীনত তেওঁলোক থাকিল। এতেকে এতিয়া আমাৰ নতুনকৈ কোনো প্ৰাদেশীকৰণ বিবেচনা কৰিব লগীয়া নাই। যি বিবেচনা কৰিব লগীয়া আছিল ২০১৭ চনৰ আইনৰ অধীনত ২০২১ ত কৰা হ'ল, যিখিনি নহ'ল সেইখিনি ৰিজেক্ট হ'ল। গতিকে ৰিজেক্ট কৰা বিষয় খিনি পুনৰ বাৰম্বাৰ উত্থাপিত হৈ থাকিব নোৱাৰে, তেওঁলোক আইনৰ আওতাৰ বাহিৰত। এতেকে আইনৰ আওতাৰ বাহিৰত থকা সেই মাদ্ৰাছাই হওঁক বা আন ভেঞ্চাৰ স্কুলে হওঁক তেওঁলোকৰ প্ৰাদেশীকৰণটো নহ'ল। যদি এতিয়াও মই বাৰাম্বাৰ প্ৰথম দিনাৰ পৰা কৈ আহিছো যে আইনৰ আওতাৰ ভিতৰত যদি কোনোবাই প্ৰমাণ কৰিব পাৰে চৰকাৰে বিবেচনা কৰিব। কিন্তু আইনৰ আওতাৰ বাহিৰত থকা মাদ্ৰাছা হওঁক, বিদ্যালয়ে হওঁক সেইটো অসম চৰকাৰে

বিবেচনা কৰিব পৰা অৱস্থাত নাই। গতিকে আমাৰ দৃষ্টিত এতিয়া নতুনকৈ প্ৰাদেশীকৰণ কৰিব লগীয়া কোনো মাদ্ৰাছা নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ ছাৰ, ভেঞ্চাৰ স্কুল একেবাৰে কেতিয়াও আৰু প্ৰাদেশীকৰণ নহয় বুলি কৈছে। ছাৰ, সেইটো বেয়া কথা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ শূণ্যকালীন ঘন্টাৰ উত্তৰ দি আছে, আপুনি অনুগ্ৰহ কৰি বহক। উত্তৰ দি আছে। উত্তৰ দি আছে। মাননীয় মন্ত্ৰী সম্পূৰ্ণ কৰক।

**ড° ৰনোজ পেগু, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই সম্পূৰ্ণ কৰিছো। এই এখন মাদ্ৰাছা বোৰ্ড ভংগ কৰা হৈছে, গতিকে মাদ্ৰাছা ভংগৰ অধীনত এতিয়া আৰু আমাৰ কোনো বিদ্যালয় নাই।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া দেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বেদখল কাৰিলৈ কাৰ্বি স্বায়ত্ব পৰিষদৰ উচ্ছেদৰ জাননী, খেৰণি চৰকাৰী ভূমিত বসাবাসৰ অনুমতি দিয়া ১০ জন চৰকাৰী গাঁও প্ৰধানক বৰ্সাস্ত শীৰ্ষক  দৈনিক জনমভূমি কাকতত এটা বাতৰি প্ৰকাশ পাইছে। এই সন্দৰ্ভত মই আজি শূণ্যকালীন ঘন্টাত  কিছু বিষয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মহোদয়, আমাৰ যি ষষ্ঠ অনুসূচী এইটো সংবিধানৰ বিশেষ প্ৰভিজন ছিক্স চিড'ল আৰু এইখিনি দিয়াৰ পূৰ্বে constitution Assembly ত বহু বিতৰ্ক হৈছিল আৰু বিতৰ্কৰ পিছত অসম, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আদি ৰাজ্য সমূহৰ বাবে এই বিশেষ ক্ষমতা দিয়া হ'ল। এই ক্ষমতাত আমাৰ জনজাতি সকলৰ সুৰক্ষাৰ কথা আছে। যাতে তেখেত সকলত অন্যৰ প্ৰভাৱ পৰি তেখেত সকলৰ নিজৰ স্বকীয়তা হেৰুৱাব নালাগে। এই খিনি আজি বহু বছৰ ধৰি চলি আহিছে। ইয়াত অন্য সকলৰ অসুবিধা নোহোৱাকৈ কেতিয়াবা improvement ৰ কথাও আহে। এইখিনি যিহেতু সংবিধান সভাত বহুত বিতৰ্ক এই বিতৰ্কৰ পিছত লোৱা হ'ল শ্ৰৰ্দ্ধাৰ পেটেলৰ নেতৃত্বত Tribal Sub-Committee গঠন হৈছিল আৰু কমিটীয়ে এইখিনি প্ৰয়োজনীয় বুলি কলে বহুত বাকবিতংগৰ পিছত। যি কি নহওঁক মহোদয়, এতিয়া দেশ স্বাধীন হোৱাৰ পূৰ্বৰে পৰা ব্ৰিটীছ ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহে বিভিন্ন অঞ্চলত বসবাস কৰি আছিল আৰু চৰকাৰৰ আঁচনি অনুসৰি ভূমিহীন লোক সকলক যদিহে তেওঁলোকে বে-দখল কৰিছে বা চৰকাৰী ভূমিত আছে নিয়ম নীতি অনুসৰি তেখেত সকলক সংস্থাপন দিব লাগে আৰু এই ক্ষেত্ৰত Supreme Court ৰ নিৰ্দেশনাও আছে। মহোদয়, 6th Schedule ৰ এতিয়া খেৰণি অঞ্চলত যোৱা ২০ তাৰিখৰ দিনা খন ১০ জন গাঁও প্ৰধানক বৰ্খাস্ত কৰাৰ লগতে নটিছ দিয়া হ'ল যে তাত থকা যি বিলাক enforcement সেই ভিজিআৰ/পিজিআৰ বিলাকৰ immediately Assistant Revenue Officer দনিকা ৰেভিনিউ চাৰ্কোলে step লব লাগে ২০-২-২০২৪ ৰ এইটো নিৰ্দেশনা। মহোদয়, নিশ্চিত ভাৱে যদি চৰকাৰৰ প্ৰয়োজনত চৰকাৰী ভূমি লাগে সেই খিনি দিয়াতো নিয়ম আৰু ভিজিআৰ/পিজিআৰত থাকিলে চৰকাৰে এটা নতুন নিৰ্দেশনা থাকিল যে তেওঁলোকক 5% reservation কৰি নতুনকৈ তাত সংস্থাপন দিব পাৰি। কিন্তু মহোদয়, এতিয়া দেখা গৈছে যে তাত যিখিনি অফিচ আছিল Sub-Divisional irrigation Office চৰকাৰী অফিচ, Medical Branch, sub-divisional office APDCL, APDCL control room, police station, post office, অংগনবাড়ী ১১ টা, JJM ১১ টা, বজাৰ দুখন, প্ৰধান মন্ত্ৰী আৱাস যোজনা ঘৰ ১৩২ টা, youth Club, ইন্দিৰা আৱাস যোজনা ঘৰ ৯০ টা,  Community Hall ৬ টা, Block Education office, bank, RCC house, স্কুল ৩০ টা, মন্দিৰ ২৭ টা, মজিদ ১ টা, কেচাঁ

ঘৰ ১১৫ টা, মুঠতে প্ৰায় ১০ হাজাৰ মানুহক ক্ষতিগ্ৰস্থ কৰা এটা ব্যৱস্থা লোৱা হৈছে। মহোদয়, ইয়াৰে বহুতে ১৯৪০ চনৰ পৰা বসবাস কৰাৰ certificate আছে, যিটো তেওঁলোক ভূমিহীন NRC ত নাম আছে, তেওঁলোকে যোৱা সময়ছোৱাত খাজনা দি আছিল আৰু এতিয়া eviction অৰ্ডাৰটো হঠাৎ দি দিয়াৰ ফলত তেওঁলোকে ক'ত যাব ক'ত নাযাব এনেকুৱা এটা অৱস্থা হৈছে। পূৰ্বতে বোধকৰো তেওঁলোক ভাৰতৰ অন্য প্ৰদেশৰ পৰা আহিছিল আৰু তেওঁলোকে নিশ্চিত সেই সময়ত অসমলৈ যেনেকৈ বহু সময়ত প্ৰব্ৰজন হৈছিল চৰকাৰী ভাৱে উৎসাহ জনোৱা হৈছিল তেনেকুৱা ধৰণৰ কিছু কথাৰ বাবে আহিছিল। যোৱা জুন ২০২২ চনত অসমৰ মুখ্যমন্ত্ৰীয়ে সেই অঞ্চলত election campaign কৰিছিল। তেতিয়া তেখেতে আশ্বাস দিছিল যে কোনো ধৰণৰ এভেক্চন ইয়াত নহয়। বৰ্তমানৰ যিজন মুখ্য কাৰ্যবাহী বিষয়া তুলিৰাম ৰংহাং ডাঙৰীয়া তেখেতেও ৰাজহুৱাকৈ কৈছিল ইয়াত কোনো এভেক্চন নহয় বৰঞ্চ ইয়াত অৰুণোদয় আৰু বেলেগ বেলেগ আঁচনি সমূহ চৰকাৰী ভাৱে দিয়া হ'ব। এতিয়া এই মানুহখিনিৰ যিহেতু তেওঁলোকৰ চেটেল্মেন্টৰ কাৰণে বহুত আগৰ পৰা চৰকাৰী ভাৱে ১৯৭০/৬০ চনতে তেওঁলোকে চৰকাৰক আবেদন কৰিছিল কিন্তু তেওঁলোকক বঞ্চিত কৰি থকা হ'ল। যিটো আমাৰ দেশৰ সংবিধানিক ভাৱে আমাৰ সকলোৰে Article Right to Equality before the law(Article-14), Right against discrimination(Article-15), Right to settle anywhere in India (Article-19) আছে। কিন্তু আমি নিজে যিহেতু 6th Schedule কৰিছো, সেই ক্ষেত্ৰত ইয়াৰে কিছু প্ৰৱণতা আছে। তেনে ক্ষেত্ৰত সদ্যহতে আমি কেনেকৈ যি সকল জনজাতি আৰু অজনজাতি সকলোৰে মাজত এটা সৎভাৱ আনি অসমৰ উন্নতি কৰিব পাৰো আৰু যি খিনি বহু বছৰ ধৰি এনেকুৱা ধৰণৰ অটোনমাচ ডিষ্ট্ৰিক কাউন্সিল অঞ্চলত আছে তেওঁলোকে যাতে যিখিনি দেশৰ নাগৰিক হিচাপে সুবিধা পাব লাগে সেই খিনিৰ পৰা বঞ্চিত নহয় তাৰ বাবে এটা ভাল ব্যৱস্থা কৰিব লাগে এই কথাখিনিকে মই আজি মন্ত্ৰীমহোদয়ৰ যোগেদি চৰকাৰক দৃষ্টিগোচৰ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল যে কাৰ্বি সকল অসমৰ কলস্বাছ। এখন পাহাৰীয়া জিলা সুন্দৰ যি খন সংবিধানৰ ষষ্ঠ অনুসূচিত ভূমি সংক্ৰান্তিয় সকলো তেখেত সকলৰ অন্তৰ্গত। তাত ছিক্স চিড'ল area land is transferred subject, কিন্তু law & order situation টো অসম চৰকাৰৰ হাতত আছে। এতিয়া কথা হ'ল যে আমাৰ এই কাৰ্বি সকলৰ স্বায়ত্ব পৰিষদৰ পৰা পোৱা তথ্য অনুসৰিহে আমি কব পাৰিম। যিহেতু transferred subject, আমি পোনপতীয়াকৈ তাত effection কৰা, allotment এই বিলাক কৰিব নোৱাৰো। কাৰণ তেওঁলোকৰ কাৰ্বি অটোনমাচ কাউন্সিলৰ তেওঁলোকৰ এক্টৰ ভিতৰত এই বিলাক। Karbi Anglong পৰিষদে জনাইছে যে খেৰণিত পিজিআৰ মাটিত তেওঁলোকৰ ১৯৩৩ চনতে সেইটো ব্ৰিটিছে ঘোষণা কৰিছিল পিজিআৰ হিচাপে। আৰু ১৯৪৬ চনত ইয়াত সীমাটো নিৰ্দ্ধাৰণ কৰা হৈছিল। ১৯৫১ চনত গঠিত মিকিৰ পাহাৰ জিলাত ১৯৫২ চনৰ মিকিৰ পাৰ্বত্য জিলা পৰিষদ যি বৰ্তমান কাৰ্বি আংলং স্বায়ত্ব পৰিষদ বুলি কোৱা হয় বা গঠিত হৈছিল। এতিয়া খেৰণিত পিজিআৰ, যিটো হাৱাজান অঞ্চলৰ এতিয়া কাৰ্বি আংলং Autonomous Councilয়ে অলপ dereserved এতিয়াও কৰা নাই। সংৰক্ষণ মুক্ত কৰা নাই। সেই কাৰণে কাৰ্বিআংলং জিলাৰ দংকা ৰাজহ চক্ৰৰ অন্তৰ্গত এই খেৰণিত যিটো পিজিআৰত প্ৰায় ১৯৮৯ টা পৰিয়াল আৰু তাত population ৯২৮৬ আছে। তাত স্থায়ী ভাৱে

৮৩৪ আৰ চি চি ঘৰ আৰু ১১৫৫ টা কেচাঁ ঘৰ বনাই এই পিজিআৰত বে-দখল কৰি আছে। এতিয়া এনেই বৃহৎ হাৰত যেতিয়া বেদখল হৈছে, এতিয়া কাৰ্বি আংলং অটোনমাচ কাউঞ্চিলৰ এই কতৃপক্ষই ৰাজহ চক্ৰৰ যিটো ডংকা ৰাজহ চক্ৰ তাৰ ৭ জন চৰকাৰী গাওঁ বুঢ়া আৰু ফুলনি ৰাজহ চক্ৰৰ ৩জন চৰকাৰী গাওঁ বুঢ়াই দায়িত্বত গাফিলতি কৰাৰ বাবে তেওঁলোকক চাচপেন কৰিছে, কাৰণ তেওঁলোকে এই বিলাক ইলিগেলি এল'টমেন্ট দিয়াৰ কাৰণে। গতিকে এই বিষয়টো আৰু বেছি ডিটেইলচলৈ নগৈ বিষয়টো যিহেতু অট'নোমাচ কাউঞ্চিলৰ অধীনত, তেখেত সকলে ভূমি সংৰক্ষণ কৰা, তেওঁলোকৰ কাউঞ্চিলত ৰাজহ বিভাগ আছে, সেই বিভাগৰ বিষয়াসকল আছে। তেওঁলোকে গোটেই বিষয়টো চোৰাচিতা কৰি আছে। আমাৰ অসম চৰকাৰে যিহেতু পোনপটীয়াকৈ তাতে একো হস্তক্ষেপ কৰিব নোৱাৰো কিন্তু Law & Order situation হলে আমি কন্ট্ৰোল কৰাৰ আইন সংগত কথা খিনি আমাৰ অসম চৰকাৰৰ হাতত আছে। গতিকে এই কথাখিনি আমাৰ সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াক আমি জনাইছো, আৰু বিষয়টোৰ ক্ষেত্ৰত মন্ত্ৰী হিচাবে পৰিস্থিতি যাতে নিয়ন্ত্ৰণ কৰিব পাৰি, তেওঁলোকে যদি নিজে কিবা পলিচি বনাই সেই ভি জি আৰ পি জি আৰ মাটিত তেওঁলোকক সংস্থাপিত কৰিব বিচাৰে সেইটো তেওঁলোকৰ ভিতৰৰ কথা। এই ক্ষেত্ৰত যদি আৰু কিবা আগবাঢ়ে মই বিৰোধীদলৰ দলপতিক জনাম বুলি আজি সদনত প্ৰতিশ্ৰুতি দিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে,

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** চাৰ মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো, কিন্তু তাত মানুহবিলাক বহুত বছৰৰ পৰা আছে আৰু তেওঁলোক ভাৰতীয় নাগৰিক হয়, এন আৰ চি ত তেওঁলোকৰ নাম আছে। তেওঁলোকক যদি District Council, 6th schedule Council য়ে যদি এভেকশ্যন কৰে চৰকাৰ মনে মনে থাকিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কথা পাতি জনাম বুলি কলে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** point of order sir, মই এটা Zero hour দিছিলো। নটিচ দিছো চিৰিয়েল নং -৬।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া Calling Attention শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বৰ্ণবিধিৰ অধীনত আমাৰ অসমত প্ৰকাশিত "গুনোৎসৱৰ নামত মন্দিয়াত শিক্ষা বিভাগৰ আজৱ কাণ্ড- শিক্ষকৰ ভুমিকাত চকীদাৰ, বৰপেটাত ক্ষুব্ধ অভিভাৱক" শীৰ্ষক বাতৰিটো সম্পৰ্কে আলোচনা কৰিবলৈ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিটোত মুঠতে তিনিটা কথা আছে এটা হ'ল ৪, ৫ আৰু ৬ জানুৱাৰীত গুণোৎসৱ, ইফালে মন্দিয়া গাৰ্লচ হাই স্কুলৰ পৰা চকীদাৰ আৰু অন্যান্ন কৰ্মচাৰী সহ শিক্ষক আটাইখিনিকে ১৬ জনকে বেলেগ স্কুলত তেওঁলোকে দায়িত্ব দিলে। মন্দিয়া গাৰ্লচ হাই স্কুলত ৪১১ গৰাকী ছাত্ৰী আছে, এই ৪,৫, আৰু ৬ তাৰিখে কোন শিক্ষকে মন্দিয়া গাৰ্লচ হাই স্কুলত পাঠ দান কৰিব? এনেকুৰা অবিবেচকীয় কাণ্ড কোন জন অতিৰিক্ত জিলা উপায়ুক্তই কৰিলে, তেওঁৰ বিৰুদ্ধে ব্যৱস্থা হ'ব লাগে নাইবা মন্ত্ৰীৰ পৰা মই স্পষ্টীকৰন বিচাৰিছো তাত বিকল্প ব্যৱস্থা কি কৰা হৈছিল পাঠদানৰ ক্ষেত্ৰত? ২য়তে যে এইবাৰ গুণোৎসৱত বাঘবৰ সমষ্টিৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, গৰলা হাইস্কুল আৰু সত্ৰ কনৰা সাচৰা হাইস্কুলত চকীদাৰক ড্ৰেচ পিন্ধাই নিৰীক্ষকৰ দায়িত্ব দিলে। কিয় দিব লগা হ'ল? বৰপেটা জিলাত কি শিক্ষক নাছিল নেকি? ৩য় তে হ'ল বাঘবৰ, চেঙাৰ দৰে সমষ্টিত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক

নাই। মাননীয় অধ্যক্ষ মহোদয়, সিদিনা মন্ত্ৰী মহোদয়ক মই উত্থাৰে দুটামান কথা কৈছিলো মন্ত্ৰী মহোদয়ে বোধয় বেয়া পাইছে। আজি মই কম কিহৰ কাৰণে উত্থা হ'ল মোৰ, মন্ত্ৰী মহোদয়ে ধুনীয়াকে কয় বৰপেটাৰ আয়ুক্তই Rationalize কৰিব, Rationalize কৰিছে। কিন্তু প্ৰকৃততে কি হৈ আছে এই বিষয়ে মই মন্ত্ৰী মহোদয়ক দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। মই কেইখন মান স্কুলৰ নাম কম। মেধিতাৰী হাই স্কুল ৫ টা ক্লাছ enrolment 438, শিক্ষক মাত্ৰ ২ জন। ২১৯জন ছাত্ৰ বিপৰীতে ১ জন শিক্ষক তাকো হাইস্কুলত। বি এচ কদমতলা হাই স্কুল ১২ টা ক্লাছ আৰু ছাত্ৰ হ'ল ১১৮০ জন। ছাত্ৰ আৰু শিক্ষকৰ অনুপাত ৭৯। ঠিক তেনেকৈ ইউনাইটেড হাইস্কুল ১০ টা ক্লাছ ৯৬৪ ছাত্ৰ। শিক্ষক হ'ল ১২ জন শিক্ষক আৰু ছাত্ৰ অনুপাত ৮০। আনফালে মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাতে আদৰ্শ হাইস্কুলত ৫ টা ক্লাছ আৰু ছাত্ৰ হ'ল ৩৮ জন আৰু শিক্ষক আছে ৯ জন। ছাত্ৰ আৰু শিক্ষৰ অনুপাত ৪। উত্তৰ বজালী হাইস্কুলত ৫ টা ক্লাছ ১৪ জন শিক্ষক আৰু ছাত্ৰ হ'ল মাত্ৰ ৬৭ জন। ছাত্ৰ আৰু শিক্ষকৰ অনুপাত ৫ তেনেকৈ গনক পুখুৰী হাই স্কুল ৫ টা ক্লাছ ২০ জন শিক্ষক। ছাত্ৰ আৰু শিক্ষৰ অনুপাত ৭। এইটো হ'ল হাইস্কুলৰ কথা এতিয়া জিলাখনৰ ভিতৰত নিশ্চয় তেওঁলোকে এইখিনি কৰিব পাৰিলেহেঁতেন কিন্তু নকৰিলে। সমষ্টিৰ ভিতৰতো কৰা নাই । মোৰ সমষ্টিৰ কোনোবা স্কুলত বেছি শিক্ষক আছে কোনোবাত কম আছে। সমষ্টিৰ ভিতৰতটো কৰিব পাৰিব লাগে। মই চেঙা সমষ্টিৰ ৩ খন স্কুলৰ নাম কৈছো, ১৯৪ পূৱ চটলা এল পি স্কুলত ১৩২ জন ছাত্ৰ, আৰু শিক্ষক ৩ জন। ছাত্ৰ শিক্ষকৰ অনুপাত ৪৪। খোলাবান্ধা উত্তৰ চৰ ১ নং এল পি স্কুল ছাত্ৰ আৰু শিক্ষৰ অনুপাত ৫৫। চিকাৰিপাৰা এল পি স্কুল ছাত্ৰ শিক্ষকৰ অনুপাত ৫৪। আনফালে একে চেঙা সমষ্টিতে বহৰি বাউচ এম ভি স্কুল ছাত্ৰ শিক্ষকৰ অনুপাত ১.৪৫। অৰ্থাৎ ডেৰজন ছাত্ৰ বিপৰীতে এজন শিক্ষক। মুঠ ছাত্ৰ-ছাত্ৰী ১৬ জন আৰু শিক্ষক আছে ১১ জন। ইয়াৰ পৰা সেই স্কুল কেইখনলৈ লৈ যাব নোৱাৰিলেহেতেন নেকি কি অসুবিধা? ঠিক তেনেদৰে আগদিয়া পাথাৰ এল পি স্কুল ৩০ জন ছাত্ৰ আৰু ৪ জন শিক্ষক ছাত্ৰ শিক্ষকৰ অনুপাত হ'ল ৯.২৫। এনেদৰে মোৰ সমষ্টিৰ চাওঁক ১০০০ নং গৰিয়ালমাৰি এল পি স্কুল ছাত্ৰ - ছাত্ৰী ৫৬ জন কিন্তু শিক্ষক এজন। ৩৩ খন এজনীয়া শিক্ষকৰ বিদ্যালয় মোৰ সমষ্টি আছে বুলি আপুনি উত্তৰ দিছে। আনফালে চাওঁক ৬৯৯ পাকাকেটেকী এল পি স্কুল ৭ জন ছাত্ৰ, ৩ জন শিক্ষক। ৬৩৫ কাচিৰতেৰি এল পি স্কুল ৫ জন ছাত্ৰ ৩ জন শিক্ষক। কি হৈ আছে? মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। please conclude এইটো ডিচকাশ্যন নহয়। আপুনি কথাখিনি উত্থাপন কৰিলে মন্ত্ৰী মহোদয়ে ইয়াৰ উত্তৰ দিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল মন্ত্ৰী মহোদয়ে যিটো কয় Rationalization কৰিব । কিন্তু সেইটো কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী । (আৰু নালাগে আপোনাৰ কথাখিনি ৰেৰ্কডত নাযাব)।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 54 ৰ অধীনত মোৰ বিষয়টো হ'ল 'গুণোৎসৱ'। গুণোৎসৱত পাঠদান কৰা নহয়। গুণোৎসৱ হ'ল এক পৰীক্ষা।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** যিখন স্কুলত শিক্ষক নাছিল................

**মাননীয় অধ্যক্ষ ঃ** Please don't interrupt. আপোনাৰ বিষয়টোৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাই দি আছে। (মাননীয় সদস্য গৰাকীৰ বক্তব্য কাৰ্য্যবিৱৰণীৰ অংশ নহ'ব বুলি মাননীয় অধ্যক্ষই ঘোষণা কৰে)..................

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি প্ৰশ্নও জানে, উত্তৰো

জানে তেনেহ'লে প্ৰশ্নটো উত্থাপন কৰিবই নালাগে। উত্থাপন যিহেতু কৰিছে মোক কথা কেইটা কোৱাৰ সুযোগটো দিয়ক। গুণোৎসৱত আমি Exeternal Evaluator, Liaison Officer,Nodal officer এইখিনি নিযুক্তি দিয়াৰ উপৰিও নিৰীক্ষকৰ নিযুক্তি দিয়া হয় আৰু নিৰীক্ষক বিদ্যালয়ৰ শিক্ষক সকলক দিয়া নহয়। একোটা একোটা ক্লাষ্টাৰ কৰি শিক্ষক সকলক shuffle কৰা হয়। অৰ্থাৎ A school ৰ শিক্ষক B school ত নিৰীক্ষক হিচাপে যায়। B school ৰ শিক্ষক লটাৰি যোগে যিখন স্কুলত পৰে তাত যায়। এই shuffling খিনি কৰাৰ কাৰণে ডাটা বেচটো আমি চীষ্টেমৰ পৰা লওঁ। এই ডাটা বেচটো লওঁতে তাত ৪ জন চকীদাৰৰ নামো আহি গ'ল। আহি যোৱাৰ বাবে এইটো মেচিনে re-shuffle কৰিলে। তৎমূহুৰ্ততে কথাটো ধৰা পৰিল আৰু এইটো শুধৰণিও কৰা হ'ল। আজি আমি বিভাগৰ ফালৰ পৰা স্পষ্ট কৰি দিব বিচাৰো যে কোনো চকীদাৰক কোনো বিদ্যালয়ত গুণোৎসৱত নিৰীক্ষকৰ দায়িত্ব দিয়া হোৱা নাছিল, দিয়া হোৱা নাই। তালিকা এখন ওলাইছিল। সেইটো ডাটা বেচৰ পৰা ভুল তথ্য অহাৰ বাবে ওলাইছিল আৰু সেই তথ্যৰ আমি লগে লগে শুধৰণি কৰিছো। দ্বিতীয় কথাটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি PTR(Pupil-Teacher Ratio) ৰ কথা উল্লেখ কৰিছে যে আমি একোখন rationalization ৰ গাইড লাইন প্ৰস্তুত কৰিছিলো যে জিলাখনৰ ভিতৰতে বেছি শিক্ষক থকা ঠাইৰ পৰা কম শিক্ষক থকা ঠাইলৈ আমি শিক্ষক লৈ যাব লাগে। এতিয়া শিক্ষক বুলি কওঁতে তাত টিউটৰ সকলো অন্তৰ্ভুক্ত হৈ যায়। টিউটৰ সকলে ১০,৪০০ টকাৰ মাননি পায়। দূৰত গৈ কাম কৰাতো তেওঁলোকৰ কাৰণে অসুবিধা। তাৰ কাৰণে আমি এটা নতুন বিধি আনি আছো যে আমি টিউটৰ সকলক স্থানান্তৰিত নকৰো, টিউটৰ সকল য'ত আছে তাতেই থাকিব। আৰু এটা সিদ্ধান্ত হ'ল যে আমি জিলা ভিত্তিক rationalization কৰিবলৈ যাওঁতে, জিলাখন প্ৰায় বহুত ডাঙৰ হয়, সেইকাৰণে এতিয়া আমি প্ৰথম পৰ্য্যায়ত ক্লাষ্টাৰ ভিত্তিক rationalization বাধ্যতা মূলক ভাৱে হ'ব। ক্লাষ্টাৰ ভিত্তিক rationalization ৰ জৰিয়তে ক্লাষ্টাৰটোৰ সকলো বিদ্যালয়ৰ যদি সমস্যা সমাধান নহয়, তেতিয়া আমি ব্লক লেভেল rationalization লৈ যাম। যদি ব্লকৰ ভিতৰত সমাধান নহয় তেতিয়াহে জিলা পৰ্য্যায়লৈ যাম। নহ'লে জিলাৰ নামত মানুহে দুৰ্গম অঞ্চলৰ পৰা সুগম অঞ্চললৈ ওলাই অহাৰ এটা সুযোগ বিচাৰে। আৰু সুগম অঞ্চলত যিসকল শিক্ষক নিয়োজিত হৈ আছে, তেওঁলোক আন কোনো দুৰ্গম অঞ্চললৈ যাব নিবিচাৰে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰি থৈছে সোনকালে এক বিধি আনিব যাতে সকলো শিক্ষক-কৰ্মচাৰীৰ কাৰণে তেওঁলোকৰ চাকৰি কালত এটা নিৰ্দিষ্ট সময় দুৰ্গম অঞ্চলতো সেৱা আগবঢ়াব লাগিব, যাতে চৰ অঞ্চল বা পাৰ্ব্বত্য অঞ্চলৰ নিচিনা আমাৰ দুৰ্গম অঞ্চল বিলাক এই সেৱাৰ পৰা বঞ্চিত নহয়। তাৰ কাৰণে আমি নিৰ্দ্দিষ্টভাৱে ব্যৱস্থা গ্ৰহণ কৰিম। পুনৰ বাৰ মই সদনক জনাওঁ যে গুণোৎসৱৰ সময়ত কোনো চকীদাৰক কতো নিৰীক্ষকৰ দায়িত্ব দিয়া হোৱা নাছিল। ডাটা বেচৰ ভুল তথ্যৰ কাৰণে ৪ জন চকীদাৰৰ নাম নিৰীক্ষকৰ তালিকাত ওলাইছিল আৰু এইটো তৎকালেই শুধৰণি কৰা হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Special Mention. শ্ৰী আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ..................(মাননীয় সদস্য গৰাকীৰ বক্তব্য কাৰ্য্যবিৱৰণীৰ অংশ নহ'ব বুলি মাননীয় অধ্যক্ষই ঘোষণা কৰে)...............................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আপোনাক সদনৰ পৰা নিলম্বন কৰা হ'ল। Follow your rule. Don't behave like this.

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম সমগ্ৰ শিক্ষা অভিযানৰ অন্তৰ্গত সৰ্ব্বাত্মক শিক্ষাৰ জৰিয়তে প্ৰদান কৰা দিব্যাঙ্গ সকলৰ কথা ..............

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত ক'ব বিচাৰিছে। গুৰুত্বপূৰ্ণ কথা এটা কৈ থকা সময়ত, বৰপেটা জিলাৰ শিক্ষা বিভাগৰ কথা কৈ থাকোতে আপুনি ক'বলৈ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** আশ্ৰাফুল হুছেইন ডাঙৰীয়া you are also suspended.Who are you to argument with me. আপু কোন হয় মোৰ লগত তৰ্ক কৰিবলৈ। This is not your subject.Now you are go out. যিসকলৰ আলোচনা কৰিবলৈ মন নাই তেওঁলোক বাহিৰলৈ যাওঁক।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম সমগ্ৰ শিক্ষা অভিযানৰ অন্তৰ্গত সৰ্ব্বাত্মক শিক্ষাৰ জৰিয়তে প্ৰদান কৰা দিব্যাঙ্গ সকলৰ শিক্ষা আৰু এই প্ৰক্ৰিয়াত নিয়োজিত সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সমল ব্যক্তি সকলৰ সন্দৰ্ভত দুআষাৰ কথা আপোনাৰ জৰিয়তে উত্থাপন কৰাৰ যি সুযোগ দিছে তাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। লগতে মাননীয় শিক্ষা মন্ত্ৰীৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসম সৰ্ব্ব শিক্ষা অভিযান যিটো আছিল সেইটো এতিয়া সমগ্ৰ শিক্ষা হ'ল। তেতিয়া ২০০৩ চনত ৬ বছৰৰ পৰা ১৮ বছৰ বয়সৰ যিসকল দিব্যাঙ্গ লোক আছিল তেওঁলোকৰ শিক্ষাৰ কাৰণে স্বেচ্ছা সেৱক আৰু স্বেচ্ছা সেৱিকা প্ৰতি মাহে ১০০০ টকাকৈ মাননি দি মুঠ ৩০০০ গৰাকীক নিয়োগ কৰা হৈছিল। এই স্বেচ্ছা সেৱক আৰু স্বেচ্ছা সেৱিকা সকলে ঘৰে ঘৰে গৈ জৰীপ কৰি যি সকলক নিব পাৰি তেওঁলোকক স্কুললৈ নি নামভৰ্ত্তি কৰাই দিছিল আৰু যিসকলক নিব নোৱাৰি তেওঁলোকক ঘৰতেই পাঠদান কৰাৰ সুবিধা কৰি দিছিল। ইয়াৰ উপৰিও তেওঁলোকক যিবোৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন সেইবোৰ বিভাগৰ পৰা আনি দিয়াৰ কাৰণে সহায়-সহযোগ কৰিছিল। ইয়াৰ উপৰিও অন্যান্য যিবোৰ সা-সজুলিৰ প্ৰয়োজন আছিল সেইবোৰো তেওঁলোকে ব্যৱস্থা কৰাই দিছিল। কিন্তু এই স্বেচ্ছা সেৱক আৰু স্বেচ্ছা সেৱিকা সকলক ২০১৪ চনত কোনো ধৰণৰ জাননি নিদিয়াকৈ উলিয়াই দিয়া হ'ল। ২০১৪ চনতেই চৰকাৰে এটা ভাল কাম কৰিলে যে সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তিক মুঠ ৪০০ গৰাকীক নিয়োগ কৰিলে আৰু তেওঁলোকেও এই কামত নিয়োজিত হৈ আজিৰ তাৰিখলৈকে প্ৰায় ২৩ হাজাৰ গৰাকী দিব্যাঙ্গ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ ক্ষেত্ৰত সফল হ'বলৈ সক্ষম হ'ল। কিন্তু সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তি সকলক এই মহান কৰ্মৰ কাৰণে এটা ফিক্স পে তে দৰমহা দি থকা হৈছে। যেনে- সহকাৰী সমল ব্যক্তিক ২০ হাজাৰ টকা আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তিক ১৫ হাজাৰ টকা। ইয়াৰ কিছুমানৰ মৃত্যু হৈছিল কিন্তু তেওঁলোকে ২০ বছৰ চাকৰি কৰাৰ পিছতো তেওঁলোকৰ পৰিয়ালে কোনো ধৰণৰ সা-সুবিধা নাপালে। কিছুমানৰ আকৌ চাকৰিৰ কাৰণে আবেদন কৰাৰ বয়সো উকলি গ'ল। ফলত তেওঁলোক contractual হিচাপে থাকি গ'ল। কিন্তু এই সৰ্ব্বাত্মক শিক্ষাৰ আন আন সকল কৰ্মচাৰী আছে তেওঁলোকে grade pay, scale আৰু ROP ৰ মতে rivision of pay ও পায়। কিন্তু এইসকলে নাপায়। এই ৪০০ গৰাকীয়ে দিব্যাঙ্গ সকলক জৰীপ কৰি তেওঁলোকক শিক্ষাৰ আঁওতালৈ অনাৰ কাৰণে সমৰ্থ হোৱা নাই আৰু সম সংখ্যক পৰিমাণৰ সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তি চৰকাৰে যদি নিয়োগ কৰে

আমাৰ সমাজৰ সকলোখিনি দিব্যাঙ্গ ল'ৰা-ছোৱালী যিখিনি ৬ ৰ পৰা ১৮ বছৰলৈকে সকলোখনিকে আমি শিক্ষাৰ যিটো সুবিধা বা অন্যান্য যি সা-সজুলিৰ সুবিধা প্ৰদান কৰাৰ বাবে আমি সমৰ্থ হ'ম। চৰকাৰে এই সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তি সকলৰ দা-দৰমহা আৰু নতুনকৈ আমাৰ সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তি নিয়োগ কৰি সকলোখিনি দিব্যাঙ্গ ছাত্ৰ-ছাত্ৰীক যাতে শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সদনক মই প্ৰথমে এটা কথা খুব স্পষ্টভাৱে জনাব বিচাৰো যে 'সমগ্ৰ শিক্ষা অসম' এটা অভিযান, ই এটা চচাইটি। Registered under Societies Registration Act. 'সমগ্ৰ শিক্ষা অসম' মানে চৰকাৰ নহয়। এই সমগ্ৰ শিক্ষা অসমৰ অধীনত নিয়োজিত যিসকল কৰ্মচাৰী আছে, এই কৰ্মচাৰী সকলৰ কাৰণে দুই ধৰণৰ ব্যৱস্থা আছে। অৰ্থাৎ যিসকল চচাইটিয়ে তেওঁলোকৰ service টো continuously লৈ আছে তেওঁলোকৰ কাৰণে এটা Service Regulation and Financial Regulation 2003 তেওঁলোকৰ কাৰণে বলবৎ হয়। ইয়াৰ ওপৰঞ্চি কিছু সংখ্যক ব্যক্তিক ১১ মাহৰ কাৰণে যিটো কেন্দ্ৰীয় চৰকাৰৰ PAB অধীনত অনুমোদনৰ পোৱাৰ পিছত তেওঁলোকক ১১ মাহৰ কাৰণে লোৱা হয়।

এতিয়া আমাৰ যিসকল দিব্যাংগ শিশু আছে, তেওঁলোকৰ শিক্ষাৰ কাৰণে শিক্ষক সকলক বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন, সেই বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা অসম চৰকাৰে পৰ্য্যায়ক্ৰমে কৰি আহিছে যাতে আমাৰ এজনো যদি দিব্যাংগ শিশু থাকে, সেই শিশুক পাঠদান কৰাৰ ক্ষেত্ৰত শিক্ষক শিক্ষয়ত্ৰী সকল অভিজ্ঞ বা প্ৰশিক্ষিত হয়।

কিন্তু যিসকল দিব্যাংগ শিশু বিদ্যালয়ৰ পৰা বাহিৰত থাকে, তেওঁলোকক social mobilization কৰাৰ কাৰণে এই সহকাৰী সমল ব্যক্তি আৰু অতিৰিক্ত সহকাৰী সমল ব্যক্তি নিয়োগ কৰা হৈছিল। ১৭৯ গৰাকী সহকাৰী সমল ব্যক্তি আৰু ২৩৪ গৰাকী অতিৰিক্ত সহকাৰী সমল ব্যক্তি আছে।

এতিয়া এই সমল ব্যক্তি সকল সমগ্ৰ শিক্ষাৰ SRFR (Service Regulation & Financial Regulation) ৰ অধীনত তেওঁলোক অন্তৰ্ভূক্ত নহয়। তেওঁলোক ইয়াৰ অধীনত অন্তৰ্ভূক্ত নহয় যেতিয়া তেওঁলোকৰ নিয়োগৰ কাৰ্য্যকালটো ১১ মাহৰ কাৰণে। ১১ মাহৰ পিছৰ পুনৰ যদি কেন্দ্ৰীয় চৰকাৰ PAB ৰ পৰা অনুমোদন লাভ কৰো, তেতিয়া হলে তেওঁলোকক অভিজ্ঞতাৰ ভিত্তিত আকৌ ১১ মাহৰ কাৰণে লোৱা যায়। গতিকে ইয়াত আমাৰ কোনো বিকল্প ব্যৱস্থা নাই। contractual teacher বা সমগ্ৰ শিক্ষাৰ আন যি ঠিকাভিত্তিত কৰ্মচাৰী, তেওঁলোকৰ শাৰীটো বেলেগ আৰু দিব্যাংগ শিশুৰ কাৰণে নিয়োজিত থকা সমল ব্যক্তি বা অতিৰিক্ত সমল ব্যক্তি, তেওঁলোকৰ service rule টো বেলেগ। গতিকে তেওঁলোকৰ দৰমহা বৃদ্ধি কৰা এইটো নিৰ্ভৰ কৰিব কেন্দ্ৰীয় চৰকাৰৰ PAB ৰ আমি যি পুঁজি পাওঁ তাৰ ওপৰত আৰু regularization কৰা বিষয়টো, শিক্ষকৰ যি regularization তেনেধৰণৰ সমপৰ্য্যায়ত, এওঁলোকৰ নিয়মীয়া কৰণ বা দৰমহা বৃদ্ধি কৰাটো আওতাৰ ভিতৰত নাহে। গতিকে এই কথাখিনি মই জনালো আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল সন্মানীয় সদস্য গৰাকীয়ে যি বক্তব্য আৰম্ভ কৰিছিল যে এওঁলোক হ'ল স্বেচ্ছা সেৱক। অৰ্থাৎ স্ব-ইচ্ছাই দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ কাৰণে সেৱা আগবঢ়াবলৈ অহা স্বেচ্ছা

সেৱক, স্বেচ্ছা সেৱিকা।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি অসম বিধান সভাৰ কাৰ্য্য পৰিচালনা বিধিৰ ৩০১ নং নিয়মৰ অধীনত যোৱা ৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে "গণ অধিকাৰ" কাকত প্ৰকাশিত মিছামাৰীত অনলাইন জুৱাৰ ব্যাপক পয়োভৰে ধ্বংস কৰিছে নৱ-প্ৰজন্মৰ জীৱন" শীৰ্ষক বিষয়টো মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো।

বৰ্তমান আমি আগতে গম পাইছিলো IPL যেতিয়া আৰম্ভ হয়, IPL ৰ নামত কোটি কোটি টকাৰ জুৱা অনুষ্ঠিত হয় আৰু বহুত যুৱ প্ৰজন্মই সৰ্বহাৰা হয়। এতিয়া আমি দেখিছো যে অন্যান্য ক্ষেত্ৰতো কিছুমান অনলাইন জুৱা ব্যাপক ভাৱে যদিও বাতৰিটো মিছামাৰীৰ কথা কৈছে, কেৱল মিছামাৰীতে নহয়, সামগ্ৰিকভাৱে অসমৰ বিভিন্ন জিলাত অনলাইন জুৱাটো ব্যাপক ভাৱে একাংশই অবৈধ ভাৱে চলাই আছে। এই online জুৱাত কিছুমান what app group, messenger group খুলি লৈ সেই group ৰ জৰিয়তে জুৱাৰ প্ৰচাৰ বিলাক কৰে আৰু বহু যুৱ প্ৰজন্মৰ লোকসকলে তাত টকা পইচা দি সৰ্বশ্ৰান্ত হয়। তাৰ ভিতৰত এটা উল্লেখযোগ্য জুৱা, Houscy Tumbala নামৰ online জুৱাত বহুতে পইচা invest কৰি কৰি, যুৱ প্ৰজন্মই তেওঁলোকৰ পিতৃ মাতৃৰ সঞ্চিত ধন মনে মনে আনি হলেও জুৱাত খটুৱা, তেওঁলোকৰ এটা নিচা হৈ গ'ল যে আজি পোৱা নাই কালি পাম। এই জুৱাৰ ফলত অসমত বৰ্তমান বহু লোক সৰ্বশান্ত হৈ গৈছে, বহু পৰিয়াল ধংস হৈ গৈছে। গতিকে এই বিষয়টো যদি আৰক্ষী বিভাগে, থানাই বা চৰকাৰে দৃষ্টি নিক্ষেপ কৰি কঠোৰ ভাৱে বন্ধ কৰাৰ চেষ্টা নকৰে, তেতিয়া হলে আৰু বহু যুৱ প্ৰজন্মই ধংসৰ গৰালত পৰিব।

ৰাজ্য চৰকাৰে যেনেকৈ সুদ খোৱাৰ বিৰুদ্ধে ব্যাপক অভিযান আৰম্ভ কৰিছে। তাৰ ক্ষেত্ৰত আমি ধন্যবাদ জনাইছো। সুদ মানুহে বিপদত পৰি লয়, কেতিয়াবা মানুহে বেমাৰত পৰি লয় আৰু সুদৰ interest ৰ টকা দিওঁতে দিওঁতে এটা সময়ত বহুতে মাটি ভেটি বিক্ৰী কৰিবলগীয়াও হয়, তথাপিও এই সুদ interest মাৰিব নোৱাৰে আৰু মুলধন ঘুৰাই দিব নোৱাৰে। গতিকে সুদ ব্যৱস্থাটোৱে যেনেকৈ দুখীয়া প্ৰজন্মক ধ্বংস কৰিছে। ৰাজ্য চৰকাৰে যিটো পদক্ষেপ লৈছে আমি দাবী কৰিম, ইয়াৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ লওঁক, যাতে অসমত এজনে সুদখোৰ নাথাকে।

ঠিক সেইদৰে online জুৱাও drug ৰ দৰে যুৱ প্ৰজন্মক ধংস কৰিছে। গতিকে drug, অবৈধ জুৱা, সুদ, ঘোষ, এইবিলাক অসমৰ পৰা ধ্বংস কৰা কাৰণে ৰাজ্য চৰকাৰে কঠোৰ ভাৱে পদক্ষেপ লওঁক। আমাৰ সমৰ্থন থাকিব সহযোগ থাকিব আৰু অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো আৰু আশা কৰিছো চৰকাৰে এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ লৈ আমাক আশ্বস্ত কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে গণ অধিকাৰ কাকত প্ৰকাশিত মিছামাৰীত অনলাইন জুৱাৰ ব্যাপক পয়োভৰে ধ্বংস কৰিছে নৱ-প্ৰজন্মৰ জীৱন, শীৰ্ষক বাতৰি সন্দৰ্ভত সন্মানীয় সদস্য আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই যি ৩০১ ৰ জৰিয়তে প্ৰশ্ন উত্থাপন কৰিছে, সেইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা।

তেখেতে চৰকাৰক ধন্যবাদো জ্ঞাপন কৰিছে, কেনেকৈ আমাৰ চৰকাৰে সুদখোৰৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাইছে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমত এগৰাকীও সুদখোৰক

থাকিবলৈ দিয়া নহ'ব বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছে আৰু সুদখোৰৰ বিৰুদ্ধে তীব্ৰতাৰে অভিযান চলাইছে।

সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্নৰ অৱতৰণা কৰিছে, এইটোও একে পৰ্য্যায়ৰ, অত্যন্ত গুৰুত্বপূৰ্ণ,online জুৱাটো আমাৰ অসমত নিষিদ্ধ, সেই নিষিদ্ধ এটা ব্যৱস্থা লৈ মানুহক জুৰুলা কৰাটো আমি কোনোপধে মানি ল'ব নোৱাৰো, তাৰ বিৰুদ্ধেও আমি তীব্ৰভাৱে অভিযান চলাম বুলি সদনক আশ্বস্ত কৰিছো আৰু মিছামাৰীৰ অনলাইল জুৱাৰ কেচটোৰ বিষয়ে কবলৈ বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, শোণিতপুৰ জিলাৰ আৰক্ষীয়ে নিজাববীয়াকৈ এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। কেচ নম্বৰটো হৈছে মিছামাৰী PS case no. 11/204/U/S/ 13-14 The Assam Game and Betting Act, 1970, এই গোচৰৰ পদকীয়া জলাল শ্বেখ বৰ্তমান পলাতক অৱস্থাত আছে। অসম আৰক্ষীয়ে সকলোধৰণৰ জুৱাৰ ওপৰত কঠোৰ ব্যৱস্থা ইতিমধ্যে লৈ আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, অনলাইল জুৱা social networking ৰ দ্বাৰা প্ৰচাৰ হয় আৰু সেই বাবে প্ৰলোভন দেখুৱাই গ্ৰাহকক আৰ্কষিত কৰিব বিচাৰে আৰু শেষত গ্ৰাহক সকলে এনেকুৱা জুৱাৰ app ৰ পৰা প্ৰৱঞ্চিত হয়। যিহেতু এইটো অনলাইন ব্যৱস্থা সেই বাবে যিকোনো সহজ সৰল ব্যক্তি প্ৰলোভনত জড়িত হৈ যায় আৰু শেষত প্ৰৱঞ্চনাৰ বলি হয়।

মাননীয় অধ্যক্ষ মহোদয়, এই অপৰাধ ৰোধ কৰাৰ বাবে অসম আৰক্ষীয়ে বহু ব্যৱস্থা ইতিমধ্যে হাতত লৈছে, অসম আৰক্ষী, social media, website, facebook, Twitter, Instagram ৰ দ্বাৰা ব্যাপক প্ৰচাৰ কৰা আৰু বিভিন্ন ধৰণৰ সজাগতা সভাৰ দ্বাৰা ইয়াৰ বিৰুদ্ধে প্ৰচাৰ চলোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ২০২৩ চনৰ জুলাই মাহত অসম আৰক্ষীয়ে দুখন চাইৱাৰ আৰক্ষী থানা আৰু দুখন চাইৱাৰ আৰক্ষী চকী স্থাপন কৰিছে। তাৎক্ষণিক ভাৱে প্ৰৱঞ্চিত গ্ৰাহকক সহায় কৰাৰ বাবে অপৰাধ তদন্ত বিভাগত toll free number ১৯৩০ স্থাপন কৰা হৈছে। এই ক্ষেত্ৰত ভুক্তভূগীসকলে আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰিবলৈ সজাগতাৰ অভাৱ পৰিলক্ষিত হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহু ব্যক্তিয়ে এই কেছটো পেপাৰত ওলোৱাৰ কাৰণে আৰক্ষীয়ে নিজাকৈ গোচৰ ৰুজু কৰিছে। কিন্তু সাধৰণতে যিসকল প্ৰৱঞ্চিত হয়, তেওঁলোকে থানাত গৈ কেছ নকৰে। গতিকে আমি সজাগতাৰ সৃষ্টি আৰু কৰিব লাগিব। অসম আৰক্ষীক ইতিমধ্যে মই কৈছো আমি Facebook, Instagram, Twitter ৰ যোগেদি বা বিভিন্ন সজাগতা সভাৰ যোগেদি আমি এইক্ষেত্ৰত সজাগ কৰিবলৈকে প্ৰচেষ্টা চলাইছো। গতিকে আমি সকলোৱে আহ্বান জনাম, বিধায়কসকলকো আহ্বান জনাম আমাৰ সমাজৰ যিসকল আগৰণুৱা ব্যক্তি আছে তেখেতসকলকো আহ্বান জনাম যাতে এই online জুৱাত আমাৰ যিসকল নিৰীহ ব্যক্তি প্ৰলোভিত হৈ অংশগ্ৰহণ নকৰে, যাতে প্ৰবঞ্চিত নহয়, সকলোকে সজাগ কৰিবলৈ অনুৰোধ জনাম ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ Item No. 4. শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এখন Private Members' Bill.

**মাননীয় অধ্যক্ষঃ** আপুনি মাত্ৰ উত্থাপন কৰক।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Quality Education Bill, 2024". উত্থাপনৰ বাবে সদনৰ অনুমতি বিচাৰিছো। বিলখন সম্পৰ্কে চমুকৈ দুআষাৰ

কৈ লওঁ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া নালাগে। পিছত ক'ব। মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ সদনত সন্মতি আছে নে? যিসকল সপক্ষে কওঁক হয়, যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। শ্ৰীঅখিল গগৈ, উত্থাপন কৰি দিয়ক। উত্থাপন কৰিব, আলোচনা নহয়।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Quality Education Bill, 2024". উত্থাপন কৰিলো।

বিল খনৰ আলোচনা কেতিয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। Next ত হ'ব আলোচনা আজি নহয়, কোনোবাই যদি amendment দিব বিচাৰে বিলখনত amendment দিব পাৰিব। সংকল্প প্ৰস্তাৱটো, শ্ৰীঅখিল গগৈ ডাঙৰীয়া। এটা সংকল্প প্ৰস্তাৱ আছে। এটা বিশেষ কামত মাননীয় মন্ত্ৰী ডাঙৰীয়া যাব বিচাৰিছে। সংকল্প প্ৰস্তাৱটো, শ্ৰীঅখিল গগৈ ডাঙৰীয়া।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মই আজি বিধান সভাত সংকল্প প্ৰস্তাৱ আনিছো। সংকল্প প্ৰস্তাৱ টো হ'ল জলসিঞ্চনৰ অভাৱত অসমৰ বহু কৃষি ভূমিত এতিয়াও বছৰত কেৱল এবাৰ খেতি কৰি অৱশিষ্ট সময়খিনিৰ বাবে পথাৰবোৰ পেলাই থোৱা হয়। কেৱল প্ৰাকৃতিক বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক কৃষকে এতিয়াও কৃষি ভূমিত খেতি কৰে। কিন্তু কেতিয়াবা অতিবৃষ্টি বা বানপানী আৰু কেতিয়াবা অনাবৃষ্টি বা খৰাঙৰ বাবে কোনো কৃষি ভূমিত বছৰত এবাৰো খেতি কৰাতো সম্ভৱ হৈ নুঠে। ফলত ৰাজ্যখনত কৃষি উৎপাদনশীলতা আশা কৰা ধৰণে নহয়। ২১ শতিকাৰ আধুনিক যুগতো আমাৰ ৰাজ্যখনত কেতিয়াবা কেতিয়াবা বৰষুণ বিচাৰি কৃষকে অন্ধবিশ্বাসৰ বলি গৈ ভেকুলীৰ বিয়া পাতে। ৰাজ্যখনৰ সকলো কৃষিভূমিতে জলসিঞ্চনৰ ব্যৱস্থা কৰি প্ৰাকৃতিক বৰষুণৰ ওপৰত কৃষক সকলৰ নিৰ্ভৰতা নাইকিয়া কৰিবলৈ বছৰটোৰ সকলো সময়তে খেতি পথাৰত খেতি কৰিব পৰাকৈ ৰাজ্যখনৰ কৃষক সকলক প্ৰস্তুত কৰিবলৈ আৰু সকলো সময়তে পথাৰত পানী যোগানকে ধৰি অসমত বছৰটোৰ বাৰমাহে খেতি কৰা ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰোৱা হওক। আমি সকলোৱে জানো যে অসমৰ মাটিকালি ৭৮ লাখ ৪৩ হাজাৰ ৮ শ হেক্টৰ। কিন্তু ইমান মাটিকালি থকাৰ পাছতো আমাৰ Net sown area কেৱল ২৬ লাখ ৯৯ হাজাৰ হেক্টৰহে আছে। ইয়াৰ ভিতৰত কেৱল ৫ লাখ ৭১ হাজাৰ হেক্টৰ মাটিতহে আজিলৈকে জলসিঞ্চনৰ ব্যৱস্থা আছে। ৫ লাখ ৭১ হাজাৰ হেক্টৰ মানে আচলতে ১৪ শতাংশ ভূমিতহে এতিয়া জলসিঞ্চনৰ ব্যৱস্থা আছে। ইয়াৰ বিপৰীতে যদি আমি চাও যে বেলেগ বেলেগ ৰাজ্যবিলাকত পঞ্জাৱত কিন্তু ৯৯.৭০ শতাংশ কৃষিত জলসিঞ্চনৰ ব্যৱস্থা আছে। আমাৰ ইয়াত মাত্ৰ কেৱল ১৪ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা আছে যাৰ বাবে আমি দেখিবলৈ পাইছো যে আমাৰ খেতিৰ অৱস্থাটো, আমি বছৰত বাৰ মাহে খেতি কৰিব নোৱাৰো। মই ভাৱো যে পৃথিৱীৰ কোনো দেশ আজিলৈকে কেতিয়াও ধনী হ'ব পৰা নাই, যি দেশে বছৰত মাত্ৰ এবাৰ খেতি কৰি বাকী সময়খিনিৰ কাৰণে পথাৰখন পেলাই থয়। যদি অসমখনক সচাঁকৈ ধনী ৰাজ্যত পৰিণত কৰিব লাগে, চৰকাৰে সদায় ঘোষণা কৰি আছে যে আমি অসমক ভাৰতবৰ্ষক শ্ৰেষ্ঠ ৰাজ্য কৰিম, প্ৰথম ৰাজ্য কৰিম। কিন্তু No.1 ৰাজ্য কৰিবলৈ প্ৰথম আৰু প্ৰধান কথাটোৱে হ'ব লাগিব আমাৰ অসমৰ প্ৰতিডৰা পথাৰত বছৰৰ বাৰমাহে খেতি কৰা ৰাজ্যত পৰিণত কৰিব

লাগে। এইটো মই ভাৱো যে প্ৰাথমিক চৰ্ত আৰু বছৰৰ বাৰমাহে খেতি কৰিবৰ কাৰণে প্ৰথম যিটো কাম কৰিব লাগিব এইটোৱেই হ'ল অসমৰ প্ৰতিডৰা পথাৰত বছৰৰ সকলো সময়তে পাব পৰাকৈ জলসিঞ্চনৰ ব্যৱস্থা, পানী যোগানৰ ব্যৱস্থা। আজি মই ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্য এনেকুৱা ধৰণৰ একেবাৰে শেহতীয়া যিটো Agricultural Statistics at a Glance 2022 Governement of India ৰ এই Statistics ৰ পৰা মই দেখুৱাব খুজিছো যে ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যত ধানৰ ক্ষেত্ৰত, বেলেগ ক্ষেত্ৰত নকও মই সকলোবিলাক ক'লে দীঘলীয়া হৈ যাব। ধানৰ ক্ষেত্ৰত, ধান উৎপাদনত আমি দেখিছো যে ভাৰতবৰ্ষত ১০ খন major ৰাজ্য আছে ধান উৎপাদন কৰা ১০ খন major ৰাজ্যৰ ভিতৰত ১ নম্বৰ ৰাজ্যখন হৈছে, পঞ্জাৱ, ২ নম্বৰ ৰাজ্যখন হৈছে তামিলনাডু, ৩ নম্বৰ ৰাজ্যখন অন্ধ্ৰপ্ৰদেশ, ১০ নম্বৰৰ ভিতৰত ৯ নম্বৰ ৰাজ্যখন হৈছে আমাৰ অসম। এতিয়া ধানৰ উৎপাদন ক্ষমতাটো কিমান? আমাৰ ধানৰ উৎপাদন ক্ষমতাটো ১ হেক্টৰত ২ হাজাৰ ২ শ ৩৫ কিলোগ্ৰাম ধান উৎপাদন কৰো। সেই হিচাবত কিন্তু পঞ্জাবে ৪ হাজাৰ ৩ শ ৪০ কিলোগ্ৰাম প্ৰতি হেক্টৰত উৎপাদন কৰে আৰু সেই সময়ত আমি দেখিছো পঞ্জাবত 99.70% মাটিত জলসিঞ্চন আছে। তামিলনাডুত 93.40% মাটিত জলসিঞ্চন আছে। অন্ধ্ৰপ্ৰদেশত 97.27% মাটিত জলসিঞ্চন আছে আৰু অসমত কেৱল 14% মাটিত হে জলসিঞ্চনৰ ব্যৱস্থা আছে। কেইদিনমানৰ আগতে এই অসম বিধান সভাত মন্ত্ৰী মহোদয়ে যি প্ৰশ্নৰ এটা উত্তৰ দিছিল সেই প্ৰশ্নৰ উত্তৰত কৈছিল যে অসমত মাত্ৰ ১৪ শতাংশ মাটিত জলসিঞ্চনৰ ব্যৱস্থা আছে। অসমত ৩ হাজাৰ ৯ শ ১৩ খন জলসিঞ্চন আঁচনি আছে, জলসিঞ্চন বিভাগৰ। কিন্তু তাৰ ভিতৰত এই ১ হাজাৰ ৫শ ৮৫ খন জলসিঞ্চন আঁচনিৰ অকামিলা হৈ আছে। তাৰ ফলস্বৰূপে আমাৰ পথাৰ বিলাকত এতিয়া সকলো সময়তে খেতি কৰাৰ ব্যৱস্থা হৈ উঠা নাই। মই ২ টা কথা বাৰম্বাৰ ক'ব খোজো। প্ৰথম কথা যদি অসমক সঁচাকৈ অসমক শ্ৰেষ্ঠ ৰাজ্য, ধনী ৰাজ্য বা অসমৰ মানুহৰ উৰ্পাজিন বৃদ্ধি কৰিব লাগে তেতিয়াহ'লে বছৰৰ সকলো সময়তে খেতি কৰা ৰাজ্যত পৰিণত কৰাতো round the year in cultivation. এইটো হ'ল প্ৰাথমিক চৰ্ত। দ্বিতীয়তে অসমৰ প্ৰত্যেকজন মানুহক আমি পেচাদাৰী কৰি তুলিব লাগে। Professional. Professionalism নথকাৰ কাৰণে আমাৰ মানুহ বিলাকে খেতি অলপ সময় কৰে তাৰ পাছত পেলাই থয়। আজি ২১ শতিকাত যেতিয়া আমাৰ অসমৰ মানুহে বৰষুণ নোহোৱা কাৰণে আমি এতিয়া কি কৰো যে খেতিটোৰ কাৰণে আকাশৰ ওপৰলৈ চাই থাকো বৰষুণ দিব কঠীয়া পাৰিম। কঠীয়া পৰা দেৰি হৈ যায় যদি বৰষুণ নিদিয়ে। অধ্যক্ষ ডাঙৰীয়া, বৰষুণ দিয়া যদি দেৰি হৈ যায়, তেতিয়া গাঁৱৰ মানুহে ভেকুলীৰ বিয়া পতা আৰম্ভ কৰে। ভেকুলীৰ বিয়া পাতিলে বৰষুণ হ'ব নেকি? এইটো এটা অন্ধবিশ্বাস। বিজ্ঞানত আমি সকলোৱে জানো যে বৰষুণ কেনেকৈ হয়। ভেকুলীৰ বিয়া পাতিব লগা অৱস্থা আজি ২১ শতিকাত আছে, তেতিয়াহ'লে সেইখন ৰাজ্য কেতিয়াও শ্ৰেষ্ঠ ৰাজ্য হ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে কৈছিল যে, ভাৰতবৰ্ষৰ প্ৰতি টুকুৰা খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰা হ'ব। এইটো আছিল গেৰাণ্টি, মোদীৰ গেৰাণ্টী। কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোদীৰ গেৰাণ্টীৰ এই সময়খিনিত আমি দেখিছো যে এই মোদীৰ গেৰাণ্টীৰ কোনো কামেই আচলতে ইয়াত হোৱা নাই। জলসিঞ্চন বিভাগটো আটাইতকৈ ব্যৰ্থ বিভাগ হিচাপে পৰিণত হৈছে। মোৰ নিজৰ সমষ্টিত মাত্ৰ ২৮ কোটি টকাৰ প্ৰকল্প কেইটামান জলসিঞ্চনৰ। মই ডাঙৰ ডাঙৰ পথাৰ কেইখনৰ কাৰণে বিভাগৰ লগত কথা পাতি মাত্ৰ ২৮ কোটি আৰু কেইলাখমান টকাৰ project দি থৈছো। আজি এই এবছৰ হৈ গ'ল project দিয়াৰ। মন্ত্ৰী মহোদয়ক এইটোক লৈ মই হাজাৰবাৰ অনুৰোধ

কৰিছো কিন্তু এতিয়ালৈকে এডৰা পথাৰতো পানী যোগানৰ কাৰণে জলসিঞ্চন বিভাগে কোনো ব্যৱস্থা কৰা নাই। যদি সঁচাকৈ অসমীয়া জাতি টো ধনী হ'ব লাগে, অৰ্থনৈতিক অৱস্থা ভাল হ'ব লাগে, অসমীয়া জাতিটো যদি আগবাঢ়িব লাগে, তেতিয়াহ'লে কিন্তু আমি প্ৰত্যেক ডৰা পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব তাৰ কাৰণে ৰাজনীতিৰ উৰ্ধতগৈ আমি সঁচা অৰ্থৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু এই মূহুৰ্তত আপুনি যদি এইবাৰ বাজেটখন চাই দেখিব যে জলসিঞ্চনত বাজেটত পইচা নাই। এতিয়া যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা আঁচনি পাচ কৰি আনিব পাৰে তেতিয়াহ'লে কাম হ'ব, নহ'লে অহা বছৰো কোনো কাম নহ'ব। গতিকে মই ভাবে যে আজি অসম চৰকাৰে এই সংকল্প গ্ৰহণ কৰিব লাগে আমাৰ সন্মুখত ক'ব লাগে অসম চৰকাৰে। আমি অসম বিধান সভাত এটা সৰ্ব্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে যে ২০২৬ চনৰ ভিতৰত আমি অসমৰ প্ৰতিডৰা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিম । প্ৰতি ডৰা মাটিৰ এক ইঞ্চি মাটিও আমি এনেয়ে পেলাই নাৰাখো । যদি মাটি পেলাই ৰাখে তেতিয়াহ'লে চৰকাৰে ফাইন লোৱাৰ ব্যৱস্থা কৰক। প্ৰতিটো খেতি মাটি থকা পৰিয়ালে খেতি কৰিব লাগিব। খেতি কৰাৰ পিচত কিন্তু বানপানীৰ পৰা আমাৰ খেতি ৰক্ষা কৰিব লাগিব আৰু খেতি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। বানপানী সমস্যা আৰু খৰাঙৰ সমস্যাৰ পৰা আমাক ৰক্ষা কৰিব লাগিব । চৰকাৰে কেৱল মাত্ৰ এই কামখিনি কৰি দিয়ক ।অধ্যক্ষ ডাঙৰীয়া , তেতিয়া অসম ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হ'বলৈ আগবাঢ়িব পাৰে । গতিকে আজি মই এই সদনৰ সকলো সন্মানীয় বিধায়কসকলক মই বিনম্ৰভাৱে আহ্বান জনাইছো জাতিটোৰ বাবে আহক আমি সকলোৱে একেলগে এবাৰ ভাবো । মই অসম চৰকাৰক অনুৰোধ জনাইছো , অসম চৰকাৰৰ মন্ত্ৰী মহোদয়ক অতি বিনম্ৰভাৱে অনুৰোধ জনাইছো বিশেষকৈ আপুনি যেনেকৈ দুই -এটা ডিপাৰ্টমেন্টত জোৰ কৰি কেইটামান প্ৰজেক্ট ল'বলৈ চেষ্টা কৰিছে কিন্তু ইৰিগেশ্যন ডিপাৰ্টমেন্টত এতিয়ালৈকে কিন্তু এটাও ভালকৈ প্ৰজেক্ট লোৱা নাই । আহক, আমি সকলোৱে এই গুৰুত্বপূৰ্ণ ডিপাৰ্টমেন্টটোক কাৰ্য্যক্ষম কৰি, ভালকৈ ব্যৱহাৰ কৰি অসমৰ প্ৰতিডৰা খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰো আৰু এনেদৰে অসমক ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়িবলৈ আগবাঢ়ি যাওঁ । ধন্যবাদ - জয় আই অসম ।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয় । অসমত যিমান কৃষি ভূমি আছে তাত কেনেকৈ এশ শতাংশ শস্য উৎপাদন কৰিব পাৰিম এইটো চিন্তা কৰিব লাগিব। কিন্তু এনেকুৱা বহু ভূমি আছে য'ত জলসিঞ্চনৰ অভাৱত বৰষুনৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা বাবে খেতি কৰিব নোৱাৰে । তাৰ বিপৰীতে আৰু এটা সমস্যা আছে অসমত যে হাজাৰ হাজাৰ হেক্টৰ ভূমি ৱাটাৰলগিং হোৱা বাবেও খেতি কৰিব নোৱাৰে । তাৰমানে বৰষুণৰ পানী আবদ্ধ হৈ যায় তাৰ বাবে কালভাৰ্টবিলাক ৰাইজে বন্ধ কৰি দিছে । নহ'লে কালভাৰ্ট নাই , জানবিলাক হয়তো বন্ধ হৈ আছে । গতিকে পানী ওলাই যাব নোৱাৰাৰ বাবেও অসমৰ লাখ লাখ হেক্টৰ ভূমিত শালি ধানৰ খেতি ৰাইজে কৰিব নোৱাৰে । গতিকে চৰকাৰে চিন্তা কৰিব লাগে য'ত অলপ বাম মাটি , য'ত পানী নাই তাত জলসিঞ্চনৰ কেনেলেদি পানী দিব লাগিব। আনহাতে যিখিনি অলপ ল' মাটি বা দ' মাটি ৰাস্তা বা আন কাৰণে পানী ওলাই যাব নোৱাৰে , তাৰ পৰা পানীখিনি নিস্কাষণ কৰি দিব পাৰিলে সেই মাটিখিনিও কিন্তু শস্যৰ কাৰণে উপযোগী হ'ব । গতিকে অসমৰ কৃষিভূমি এশ শতাংশ উৎপাদনশীল কৰাৰ কাৰণে চৰকাৰে এই দুই ব্যৱস্থা কৰিব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, মই দুটামান কথা ক'ব বিচাৰিছো ।

অখিল গগৈ ডাঙৰীয়াই যিটো সংকল্প প্ৰস্তাৱ আনিছে এইটো খুব গুৰুত্বপূৰ্ণ আৰু চিৰিয়াচ বিষয় । তেখেতে গোটেইখিনি কথা বিতংভাৱে কৈছে । মই এটা কথাৰ ৰেফাৰেন্স আনিব বিচাৰিছো । এইবাৰ আমাৰ বাজেট দাখিল কৰোতে নদীৰ পানী নি জলাশয়ত পেলাই দিয়াৰ এটা পৰিকল্পনা লৈছে । ইৰিগেশ্যন ডিপাৰ্টমেন্টো এই কথাটো ভাবিব পাৰে । মন্ত্ৰী মহোদয়ে কৈছে, নদী কেতিয়াবা সুঁতি, গতি ইত্যাদি সলাই দিয়ে। বেলেগফালে ড্ৰাই হৈ যায় । যিবিলাক বাৰ্জাৰ ৰাখে , সেই বাৰ্জাৰবিলাক বালিৰ ওপৰত উঠি আহে পানী টানিব নোৱাৰে । তেওঁলোকে যদি পৰিকল্পনাটো বিজ্ঞান ভিত্তিত কৰে যে নদীৰ পানীটো এটা জলাশয়ত বোৱাই আনি এই পানীখিনি লিফিট্ কৰাৰ ব্যৱস্থা কৰিব পাৰে তেতিয়া হ'লে পানীৰ অসুবিধাটো হয়তো বহু পৰিমানে ঠিক হ'ব। গতিকে বিশেষজ্ঞসকলৰ অপিনিয়ণ লৈ এই কামটো বিভাগে কৰে যাতে পথাৰলৈ পানী যায় । গ্ৰাউণ্ড ৱাটাৰটো যদি আমি চ'লাৰ দ্বাৰা উঠাব পাৰো তেতিয়া হ'লে ভাল হ'ব অন্যথা আমি এটা খেতিৰে স্বাবলম্বী হ'ব নোৱাৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া জাকিৰ হুছেইন সিক্দাৰ ।

**শ্ৰীজাকিৰ হুছেইন সিক্দাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অতিকৈ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আমি আলোচনা কৰি আছো । আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই দুটামান কথা জনাব বিচাৰিছো যে, অসমৰ প্ৰতিটো অঞ্চলতে কৃষকসকলে পানীৰ অভাৱত ভুগিব লগা হয় । আৰু তেওঁলোকে খেতি পথাৰত সহজতে যাতে পানী লাভ কৰিব পাৰে তাৰ বাবে বিভাগৰ ফালৰ পৰা যিখিনি সহযোগিতা আগবঢ়াব লাগিছিল বা যিখিনি আগ্ৰহ প্ৰকাশ কৰিব লাগিছিল সেইখিনি আমি দেখা নাই । এই ক্ষেত্ৰত কৃষকসকলে প্ৰতি বছৰে দুখ - আপত্তি দৰ্শাই থাকে । অধ্যক্ষ ডাঙৰীয়া অসমৰ প্ৰতি বছৰে দুই তিনিটাকৈ বানপানী আহে আৰু কৃষকসকলৰ কৃষি ভূমি অনিষ্ট কৰে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বানপানীয়ে আমাক যথেষ্ট ক্ষতিসাধন কৰে । অধ্যক্ষ ডাঙৰীয়া মাননীয় মন্ত্ৰী মহোদয়ে যদি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহক নিয়ন্ত্ৰণ কৰি যদি সেই পানী খেতি পথাৰলৈ অনাৰ ব্যৱস্থা কৰে তেনেহ'লে নিশ্চিতভাৱে আমাৰ কাৰণে হয়তো আৰ্শীবাদস্বৰূপ হৈ পৰিব । এই ক্ষেত্ৰত দেখা যায় যে, বহু বছৰৰ আগৰ পৰাই নদীত জলসিঞ্চনৰ ব্যৱস্তা আছিল ।নদীৰ পৰা পানী উঠাই ড্ৰেইনৰ যোগেদি খেতি পথাৰত দেছিলে কিন্তু এই ব্যৱস্থাটো এতিয়া প্ৰায় বিকল হৈ পৰিছে । বৰ্তমানে মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বিভাগে ডীপ টিউৱেলৰ ব্যৱস্থা কৰিছে । সৌৰশক্তিচালত মেচিনেৰে পানী দিয়াৰ ব্যৱস্থা কৰিছে কিন্তু এইখিনিয়ে যথেষ্ট নহয় । মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে, নদীৰ পৰা পানী আনি কেনেকৈ খেতি পথাৰত দিব পাৰি তাৰ কাৰণে নতুনকৈ কিবা চিন্তা কৰিব পাৰিনেকি ? বিশেষ বিহীত ব্যৱস্থা ল'ব পাৰিনেকি ? এনেধৰণে কৰিলে নিশ্চিতভাৱে আমাৰ কৃষকসকল উপকৃত হ'ব । যেতিয়ালৈকে অসমত কৃষকসকলে কৃষি ক্ষেত্ৰত আগুৱাই যাব নোৱাৰে তেতিয়ালৈকে অসমৰ অৰ্থনীতি টনকিয়াল নহয় । কৃষকসকল স্বাবলম্বী নহয় । অসমৰ উৎপাদন বৃদ্ধি নহয় । গতিকে মন্ত্ৰী ডাঙৰীয়াক এটাই অনুৰোধ জনাওঁ যে, এই বিষয়টোত তেখেতে গুৰুত্বসহকাৰে লৈ বিভাগটোত সক্ৰিয় কৰিব লাগে । সদনত যি প্ৰস্তাৱ আহিছে তাক আমি সমৰ্থন জনাইছো , ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .. এতিয়া মাননীয় মন্ত্ৰী ।

**শ্ৰীঅশোক সিংঘল, (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াত উত্থাপন হৈছে । ৰাজ্যৰ কৃষি খণ্ডত জলসিঞ্চন বিভাগৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব আছে । জলসিঞ্চন বিভাগৰ দ্বাৰা কৃষকসকলে ১২ মাহে পথাৰত খেতি কৰিব পৰাকৈ আৰু অসমক কৃষি

ৰাজ্যৰূপে গঢ়ি তুলিববলৈ এই বিভাগটোৰ অধীনত আমি ফ্ল’ৰ ইৰিগেশ্যন স্কীম লিফ্‌ট ইৰিগেশ্যন স্কীম আৰু বিভিন্নধৰণৰ স্কীম হাতত লৈছো - তাৰ লগতে চীপ টিউবেল আৰু চ’লাৰ অপাৰেটেড ডীপ টিউবেল স্কীমো আছে । এই সকলো আঁচনিৰ জৰিয়তে আমি কামবিলাক আগবঢ়াই আছো । এই আঁচনিসমূহ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰ ওপৰিও নাবাৰ্ডৰ সাহাৰ্য্যত আমি এই ব্যৱস্থা কাৰ্য্যকৰী কৰি আছো । বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত প্ৰধান মন্ত্ৰী কৃষি সিচাঁই যোজনা, পিএম কে চে ৰাই , হৰখেতকো পানী, এই পুঁজিৰ অধীনত প্ৰথম পৰ্য্যায়ত ৯ টা এল আই এচ আৰু এফ আই এচৰ ওপৰত কাম ইতিমধ্যে আৰম্ভ হৈছে । ইতিমধ্যে ২৩ খন জলসিঞ্চন আঁচনি ভাৰত চৰকাৰৰ অনুমোদনৰ অপেক্ষাত আছে । আকৌ তৃতীয় পৰ্য্যায়ত ইতিমধ্যে বিভিন্ন জিলাৰ পৰা ৩০ খন জলসিঞ্চন আঁচনিৰ প্ৰস্তাৱ প্ৰস্তুতিৰ পৰ্য্যায়ত আছে । ইয়াৰ ওপৰিও কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ জৰিয়তে ৯ খন বৃহৎ আৰু মজলীয়া জল সিঞ্চন আঁচনিৰ জৰিয়তে এক লাখ হেক্টৰৰ অধিক কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ যোজা চলাই থকা হৈছে লগতে বছৰটোৰ বাৰ মাহে কৃষিভূমিত পানী যোগান ব্যৱস্থা কৰিবৰ বাবে ডিষ্ট্ৰিক্ট ইৰিগেশ্যন মাষ্টাৰ প্লেনো ইতিমধ্যে আমি প্ৰস্তুত কৰিছো । দুই এখন জিলাৰ বাহিৰে বেছিভাগ জিলাতে এই কামবিলাক হৈ আছে । আঁচনিসমূহ অধিক কাৰ্য্যক্ষম কৰাৰ বাবে বিভাগৰ উচ্চ পৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা পৰিদৰ্শন কৰি বিহীত ব্যৱস্থা হাতত লোৱা হৈছে । কৃষি বিভাগৰ মাননীয় মন্ত্ৰী ৰ উপস্থিতিত কৃষি আৰু জলসিঞ্চন বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰতি দুমাহতে একোখন মিটিঙ কৰি বিষয়টো আমি গভীৰতাৰে লৈছো যে কেনেকৈ আমি কৃষক ৰাইজক উপকৃত কৰিব পাৰো। কিন্তু ধন্যবাদ দিছো যে, মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত ধান ক্ৰয় কৰা এক বৈপ্লৱিক কাৰ্য্যসূচী হাতত লোৱা হৈছে , কৃষকে এতিয়া ধানৰ উচিত মূল্য পাইছে , আৰু সেই কাৰণে খেতিৰ প্ৰতি যুৱ প্ৰজন্মৰ আগ্ৰহ বাঢ়িছে। মই প্ৰত্যেকজন মাননীয় সদস্যক ধন্যবাদ জনাইছো যে বিধান সভাৰ মজিয়াত এই প্ৰশ্নটো উত্থাপন কৰিছে। য’ত নেকি আমি কৃষি আৰু জলসিঞ্চনৰ গুৰুত্বটো জানিবলৈ পাওঁ। অহা দিনবোৰত জলসিঞ্চন বিভাগে আৰু সক্ৰিয়তাৰে কাম কৰিব আৰু এই ক্ষেত্ৰত পুঁজিৰ কোনো অভাৱ নাই। কেন্দ্ৰীয় চৰকাৰেও যথেষ্ট পুঁজি আগবঢ়াবলৈ সাজু আছে আৰু মই ইতিমধ্যে কৈছো যে ২৩ টা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুমোদনৰ অপেক্ষাত আছে। ত্ৰিশ টা প্ৰস্তাৱ আমি বিভিন্ন জিলাৰ পৰা আনিছো আৰু এই প্ৰস্তাৱখিনিও নিৰ্বাচনৰ পিছত অনুমোদন হ’ব। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে জলসিঞ্চন বিভাগেও Call Centre ৰ জৰিয়তে যিখিনি কৃষকক আমি ডিপটিউবেল দিছিলো প্ৰত্যেক জনৰ লগত তিনি মাহৰ মূৰত এবাৰ কথা পাতে। কাৰোবাৰ যদি কিবা অসুবিধা আছে, তেওঁলোকে হেল্প লাইন Call Centre ত জনাব পাৰে আৰু জনোৱাৰ পিছত Mobile App and Internet App ৰ জৰিয়তে কৃষকৰ লগত সম্পৰ্কত থকা যায়। কাৰোবাৰ যদি ডিপটিউবেল বেয়া হয় আমি চেষ্টা কৰো যে ২৪ ৰ পৰা ৩৬ ঘণ্টাৰ ভিতৰত কেনেকৈ ভাল কৰি দিব পাৰো। আগতে বস্তুবোৰ মেৰামতিৰ অভাৱত বেয়া হৈ গৈছিল। কিন্তু এতিয়া প্ৰত্যেকখন জিলাতে কাৰ্য্যবাহী অভিযন্তাৰ ওচৰত এটাকৈ Emergency Contingency Fund থাকে আৰু কিবা বিজুতি হ’লে তেখেতসকলে নিজৰ Discrition ত ব্যৱহাৰ কৰি বিজুতিখিনি আঁতৰাই দিব পাৰে। মই ভাৱো যে অহা দিনবোৰত আৰু সক্ৰিয়তাৰে কাম কৰি লাহে লাহে পৰ্য্যায়ক্ৰমে অসমৰ প্ৰত্যেকখন খেতি-পথাৰতে বাৰ মাহে পানী দিয়াৰ দায়িত্ব আমাৰ আছে। এই দায়িত্ববোধ কৰি সকলো অঞ্চলৰ সকলো কৃষকক বাৰ মাহে যাতে আমি পথাৰত পানী দিব পাৰো তাৰ ব্যৱস্থা কৰিম। এক বৃহৎ জলসিঞ্চন প্ৰকল্প মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত আমি

আলোচনাত আনিছো যে কেনেকৈ এখন প্ৰকল্প কৰি নদীক কেনেকৈ লগ-লগাই river networking ৰ জৰিয়তে কৃষক ৰাইজক উপকৃত কৰিব পাৰো। যেনেকৈ State Highway, National Highway Networking থাকে, তেনেকৈ সৰু আৰু ডাঙৰ নদীৰ মাজত সংযোগ ঘটাই নদী সংযোজনৰ জৰিয়তে আমি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰো, তাৰ ওপৰতো বিভাগে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত কাম কৰি আছো। বছৰৰ সকলো সময়তে পথাৰত পানী যোগান ধৰি খেতি কৰিব পৰাকৈ ৰাজ্যখনৰ কৃষকক প্ৰস্তুত কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে আৰু চলাই থাকিম। সেই উদ্দেশ্যে পথাৰ পৰিচালনা সমিতি আৰু পানী উপভোক্তা সমিতিৰ সদস্যসকলক সক্ৰিয় অংশ গ্ৰহণৰ জৰিয়তে জলসিঞ্চন, পানীৰ উপযুক্ত ব্যৱহাৰৰ লগতে বহুতৰপীয়া কৃষি পদ্ধতি আঁকোৱালি ল'বলৈ কৃষকসকলৰ মাজত সজাগতা বৃদ্ধিৰ বাবে প্ৰচেষ্টা হাতত লৈছো। অহা দিনবোৰত আৰু সক্ৰিয়তাৰে কাম কৰি পথাৰত পানী দি অসমৰ কৃষকৰ ভৱিষ্যত উজ্জ্বল কৰাৰ দায়িত্ব যি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক দিছে, সেইটো আমি সম্পূৰ্ণ কৰিম আৰু সেই আশাটো মই আপোনাক দিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি এতিয়া সংকল্প প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে এইটো এটা এনেকুৱা ধুনীয়া সংকল্প প্ৰস্তাৱ যে আজি বিধান সভাৰ শাসক আৰু বিৰোধী সকলোৰে মিলি এই প্ৰস্তাৱটো গ্ৰহণ কৰি অসমক বাৰ মাহে খেতি কৰিব পৰা ৰাজ্যত পৰিণত কৰিব বুলি সিদ্ধান্ত ল'ব লাগে। ইয়াৰ বাবে মই সকলোৰে পৰা সহযোগিতা আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মূল প্ৰস্তাৱটোলৈ আহো। প্ৰশ্নটো হ'ল মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটোত সদনৰ সন্মতি আছেনে?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৱো 'নহয়'ৰ সপক্ষে 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে
সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল। ..........Interruption.......

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'হয়' ৰ সংখ্যাগৰিষ্ঠতা বেছি আছে। আপুনি হিচাপ কৰি চাওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো 'হয়' ৰ Sound বেছি আছে।

**মাননীয় অধ্যক্ষ ঃ** Sound ৰ লগত নহয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত ভোটিং কৰা হওঁক। কাৰণ এইটো খুব গুৰুত্বপূৰ্ণ প্ৰস্তাৱ। যদি চৰকাৰী পক্ষই নিবিচাৰে অসমত জলসিঞ্চন নহওঁক তেন্তে তেওঁলোকে নহওঁক বুলি কওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত ভোটিং কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব। ভোটিং ৰ প্ৰস্তুতিৰ কাৰণে মই সদন দহ মিনিটৰ বাবে Adjourn কৰিলো।

**( বিৰতিৰ অন্তত ১১ঃ৫০ বজাত সদন পুনৰ বহে)**

**মাননীয় অধ্যক্ষঃ** লবীটো clear কৰক।

(Lobby cleared).

দৰ্জা বন্ধ কৰা হওঁক। কোনো যাতে আৰু আহিব নোৱাৰে।

সন্মানীয় সদস্যসকল, আপোনালোকে vote demand কৰিছিল। কিন্তু মই এতিয়া আকৌ motion টো pass কৰাৰ কাৰণে move কৰিম। যদি ভোট হয়, সেই সম্পৰ্কত আমাৰ বিধান সভাৰ প্ৰধান সচিবে বুজাই দিব আৰু সেইমৰ্মে ভোট হৈ যাব।

এতিয়া মই পুনৰ মোৰ প্ৰস্তাৱলৈ আহিছো।

প্ৰশ্নটো হ'ল- মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটোত সদনৰ সন্মতি আছে নে?

যিসকল সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়।

**(সদনে সন্মতি নজনায়)**

মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল।

**(বিৰোধী পক্ষৰ সদস্যসকলে ইয়াৰ বিৰোধিতা কৰে)।**

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ, আপুনি division হ'ব বুলি ঘোষণা কৰিছিল আৰু তাৰ বাবেই house adjourn কৰিছিল .....interruptions.....

**মাননীয় অধ্যক্ষঃ** সকলো বহক। বহুত বছৰৰ পিছত voting ৰ demand হৈছে। ভালেই হৈছে।

নিয়মটো হ'ল- যেতিয়া কোনো এখন বিল বা প্ৰস্তাৱ এটা পাছ কৰাৰ বাবে প্ৰস্তাৱ আনে তেতিয়া voice vote হয়। সেই voice vote টো যদি কোনোবাই নামানো বুলি কয় তেতিয়া division লাগে বুলি কোৱা হয়। যেতিয়া অধ্যক্ষই আকৌ motion টো move কৰিব যে - Who are in favour say Ayes বা যদি নহয় Noes, ঠিক সেইখিনি সময়তে division লাগে বুলি ক'ব লাগে। যিহেতু আপোনাক পুনৰ সোধাত division বিচৰা নাছিল, সেয়েহে মই এতিয়া voice voteতে প্ৰস্তাৱটো পাছ কৰিছো .......interruptions.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** চাৰ, আমি division বিচাৰিছো।

( বিৰোধী পক্ষৰ সকলো সদস্যই division বিচাৰে)

**মাননীয় অধ্যক্ষঃ** এতিয়া বিচাৰিছে? ঠিক আছে, মই পুনৰ move কৰি আছো-

প্ৰশ্নটো হ'ল- মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটোত সদনৰ সন্মতি আছে নে?

যিসকল সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** চাৰ, আমি division বিচাৰিছো।

( বিৰোধী পক্ষৰ সকলো সদস্যই division বিচাৰে)

**মাননীয় অধ্যক্ষঃ** ঠিক আছে division হ'ব। মই এতিয়া প্ৰধান সচিব ডাঙৰীয়াক ভোট সম্পৰ্কত বুজাই দিবলৈ অনুৰোধ কৰিছো। ভোটিঙৰ ফৰ্ম সকলো সদস্যক বিলাই দিয়া হওঁক।

**প্ৰধান সচিবঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন, মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ নিৰ্দেশ মৰ্মে আমি আপোনালোকক জনাব খুজিছো যে আমি এতিয়া division লৈ যাম। Division

ৰ কাৰণে আমি ইতিমধ্যে এখন তালিকা বনাইছো। সকলো সদস্যই তাত নিজৰ নাম আৰু seat number টো লিখিব, তাত যি Ayes, Noes আৰু Abstain অৰ্থাৎ কোনোবাই ভোট দিব নিবিচাৰিলে, Ayes বা Noes কোনো ফালেই যদি নাযায়, যিয়ে যি বিচাৰে সেইমতে উপযুক্ত স্থানত tick mark দিব আৰু তলত চহী আৰু তাৰিখটো দি দিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** চাৰ, ফৰ্মখনত চহী আৰু seat number দিয়াৰ কথা কৈছে। মই এটা কথা ক'ব বিচাৰিছো যে ইয়াৰ পিছত আমাৰ দলৰ সদস্যসকলৰ কোনে কি দিলে আমি চাব পাৰিম নে?

**মাননীয় অধ্যক্ষঃ** ইয়াত চাব নোৱাৰিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** আমাৰ whip দিলে আমি চাব পাৰিম নিশ্চয়। এইটো নিয়ম। Anti Defection Bill ৰ whip যদি দিয়ে, সেই ক্ষেত্ৰত whip অৱজ্ঞা কৰিলে, সদস্যজনৰ membership টো automatically cancel হয়। যিহেতু division দিছে, ইয়াত সদস্যৰ নাম আৰু চহী থাকিব, গতিকে আমি check কৰিব পাৰিম আৰু এই কথাটো আমি অধ্যক্ষ মহোদয়ক জনাই থলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আগতে ভোটটো লৈ লওঁ। ইয়াত তিনিটা option আছে, Ayes, Noes আৰু Abstain। তাৰে যিকোনো এটাত tick mark দিয়ক। গোটেই কেইটাত tick mark কৰিলে cancel হ'ব। গতিকে, সন্মানীয় সদন, আপোনালোকক যি বেলট দিয়া হৈছে, সকলোৰে নিজৰ seat ত বহি সেইটো fill up কৰি পুনৰ ঘূৰাই দিবলৈ মই অনুৰোধ কৰিছো। আমাৰ ভোটিঙৰ বাবে digital system টো আছিল। কিন্তু technical অসুবিধাৰ কাৰণে আজি আমি সেইটো কৰিব পৰা নাই।

(সদনৰ সদস্যসকলে ভোটদান আৰম্ভ কৰে)।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** চাৰ, আমি সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ Anti Defection Bill মতে আমি আমাৰ ভোটটো Chief Whip ক দেখুৱাব লাগে আৰু তাৰ বাবে whip দিয়া আছে। এই কথাটো আমি আপোনাক জনালো .....interruptions.....

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** চাৰ, ভোটিঙৰ আগত এইটো আলোচনা হ'ব নোৱাৰে আৰু কাকো ভয় খুৱাব নোৱাৰে...interruptions.....

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি কংগ্ৰেছৰ সদস্যসকলৰ কথা কৈ আছো। ইয়াত তেওঁলোকৰ কি আপত্তি?

**মাননীয় অধ্যক্ষঃ** এতিয়া ভোটদান হৈ আছে, সকলো বহক। Discipline maintain কৰক। সকলোৰে আপোনালোকক চাই আছে। সদন live চলি আছে।

(ভোট গণনা চলি থাকে)

সকলোৰে নিজৰ নিজৰ আসনত বহি থাকক। মই এতিয়া result announce কৰো। দুবাৰ নকওঁ, এবাৰে কম। আপোনালোকে যিটো ভোটদান কৰিলে তাৰ result টো মোৰ হাতত আহিছে। Ayes-30, Noes-39, Absent-0.গতিকে মই ভাৱো যে majority Noes হৈ গ'ল। সেইবাবে প্ৰস্তাৱটো নাকচ হৈ গ'ল। The House adjourn till 2.00 pm.

**ইংৰাজী ২৩-০২-২০২৪ তাৰিখে মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্ব নিৰ্দ্ধাৰিত সময় সূচীমতে আবেলি ০২.০০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুস্প্ৰাপ্য পক্ষী হাড়গিলা, বৰটোকোলা আৰু শগুণ অসমৰ পৰা বিলুপ্তি ঘটাৰ পূৰ্বে বিজ্ঞানসন্মত ভাৱে সংৰক্ষণ কৰাৰ বিধান সভাত সৰ্বসন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। প্ৰস্তাৱটো এই কাৰণে আনিব লগীয়া হৈছে মূল কথাটো হ'ল এই পক্ষী তিনি বিধ বিশ্বৰ সকলো ঠাইত পোৱা নাযায়। ভাৰতৰ সকলো ৰাজ্যত এই তিনি বিধ পোৱা নাযায়। কিন্তু আমাৰ বাবে গৌৰৱৰ বিষয় যে অসমত হাড়গিলা, বৰটোকোলা আৰু শগুণৰ অৱস্থিতি আছে। হাড়গিলা, বৰটোকোলা আৰু শগুন মানুহৰ আৰু প্ৰকৃতিৰ শত্ৰু নহয়। ই মিত্ৰহে হয়। গতিকে এই পক্ষী কেইবিধ ৰক্ষা কৰিবলৈ পৰিৱেশ সুৰক্ষিত হোৱাৰ লগতে গ্ৰাম্য পৰ্যটনকো এক সুকীয়া মাত্ৰা প্ৰদান কৰিব পৰা যায়। দেশ বিদেশৰ প্ৰকৃতি প্ৰেমী পৰ্যটক এই পক্ষী কেইবিধ চাবলৈ অসমলৈ অহাৰ বাট মুকলি কৰিব পাৰি। পৰিৱেশ তন্ত্ৰৰ সুস্থিৰতাৰ ৰক্ষাৰ লগতে জৈৱ বৈচিত্ৰলৈ আহি থকা ভাবুকি প্ৰতিঘাত কৰাৰ বাবে এনেধৰণৰ পক্ষীক সংৰক্ষণ কৰাৰ যথেষ্ট প্ৰয়োজন আছে। শগুনক প্ৰকৃতিৰ জামাদাৰ বুলি কোৱা হয়। যুগ যুগ ধৰি শগুণে পৰিৱেশ তন্ত্ৰ পৰিষ্কাৰ পৰিচন্ন কৰি ৰাখিছে। মৃত জীৱ-জন্তু ভক্ষণ কৰি বিভিন্ন ৰোগ বিয়পোৱা বীজাণুৰ পৰা জীৱকুলক ৰক্ষা কৰি বা ৰক্ষা কৰাৰ বাবে শগুনক প্ৰকৃতিৰ দানৱ আখ্যা দিয়া হৈছে। কিন্তু এনে এবিধ পক্ষী এতিয়া বিলুপ্তিৰ গৰহাত। National Action Plan for Vulture Conservation 2020-2025 গ্ৰহণ কৰা হৈছে যদিও ইতিমধ্যে ৯৯ শতাংশ শগুনৰ বিলুপ্তি ঘটিবলৈ ধৰিছে। ভাৰতত ৯ বিধ বিভিন্ন প্ৰজাতিৰ শগুন পোৱা যায়। জানিব পৰা মতে অসমত মূলত বগাপিঠিয়া শগুন আৰু লাহী ঠুটীয়া শগুন পোৱা যায়। কিন্তু বিভিন্ন কাৰণত এই দুস্প্ৰাপ্ত প্ৰজাতিৰ শগুন দুইবিধ অসমৰ পৰা লাহে লাহে বিলুপ্তিৰ পথত উপক্ৰম হৈছে। অসমলৈ বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমি শগুন অহাৰ তথ্য পোৱা যায়। বিশেষকৈ Himalayan গ্ৰীফান, Eurasian শগুন আৰু কিং শগুন আদি পৰিভ্ৰমী শগুন অসমলৈ অহাৰ যথেষ্ট তথ্য পোৱা যায়। শগুনৰ বিলুপ্তিৰ বাবে মূলতঃ পশু চিকিৎসাত ব্যৱহাৰ হোৱা ডাঅ'ফেনচিফ নামৰ pain killerটো বিশেষকৈ জগৰীয়া বুলি পৰিগণিত হৈছে। গৰু-ছাগলী আদিক বাতৰুৱা কুকুৰে কামোৰাৰ ফলত পশু পালক সকলে আৰ্থিক ক্ষতিৰ সন্মূখিন হয়। পশু পালক সকলে গৰু ছাগলীক বাটৰুৱা কুকুৰৰ পৰা ৰক্ষা কৰিবলৈ কুকুৰ মাৰিবলৈ মৃত জন্তুত বিষাক্ত কীটনাশক বা ৰাসায়নিক দ্ৰব্য চতিয়াই দিয়ে। সেই মৃত জন্তু ভক্ষণ কৰি শগুনৰ মৃত্যু হৈ থকা পৰিলক্ষিত হৈছে। এইখিনিতে মই কব বিচাৰো ছয়গাঁও সমষ্টিৰ মিলনপুৰত ২০২২ চনৰ মাৰ্চত সংঘটিত হোৱা এটা কৰুণ ঘটনাৰ প্ৰসংগ আনিব বিচাৰিছো। মিলনপুৰত মৰাশ ভক্ষণ কৰি ৯০ টাতকৈ অধিক দুস্প্ৰাপ্ত প্ৰজাতিৰ পৰিভ্ৰমী হিমালয়ন, গ্ৰীফনৰ মৃত্যু হৈছে। কোনোবা মৃত জন্তুৰ দেহত বিষাক্ত কীটনাশক চতিয়াই থৈছিল আৰু সেই মৰাশ ভক্ষন কৰি শগুণৰ মৃত্যু হোৱা বুলি পশু চিকিৎসা আৰু প্ৰকৃতিবীদ সকলে ধাৰণা কৰিছে। প্ৰকৃতি ধ্বংসৰ বাবে এই শগুণৰ বিলুপ্তি ঘটিব ধৰিছে। গতিকে সময় থাকোতে দুস্প্ৰাপ্য পক্ষী বিধক ৰক্ষা কৰিব লাগে আৰু ইয়াৰ বিজ্ঞান সন্মত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আছে। বন বিভাগৰ সহযোগত Bombay National History Society য়ে ২০০৭ চনত ৰাণীৰ ওডালগুৰিত আবদ্ধ অৱস্থাত শগুনৰ কৃত্ৰিম প্ৰজনন আৰু সংৰক্ষৰ কেন্দ্ৰ স্থাপন কৰিছিল। তাত শগুণৰ বংস বৃদ্ধি সংৰক্ষণৰ বাবে কাম কৰিছিল। DFO west Division য়ে আৰু কেইটামান সামাজিক সংগঠনে আৰু চৰকাৰৰ পঞ্চায়ত সকলোৱে মিলি District Administration য়ে ছয়গাঁৱত যথেষ্টখিনি awareness ৰ কাম কৰিছিল। ২০২১ চনৰ জানুৱাৰী মাহত পূৱ অসমৰ তিনিচুকীয়াত ৩৪ টা

সংকট জনক অৱস্থাত থকা শগুনৰ মৃত্যু হৈছিল। মৃত সকলৰ ভিতৰত critically বিপন্ন শগুন আৰু white-rumped শগুন বেছি আছিল। কেইসপ্তাহ মানৰ পিছত আন এক অনুৰূপ ঘটনা পুনৰ তিনিচুকীয়া জিলাত ঘটনা হয় ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত ২০ টা শগুনে প্ৰাণ হেৰুৱাইছিল। ভুক্তভোগী সকলৰ ভিতৰত critically বিপন্ন white-rumped vulture বিশেষজ্ঞ সকলে সন্দেহ প্ৰকাশ কৰিছে দুয়োটা ক্ষেত্ৰতে শগুনৰ গণমৃত্যু হাৰত বিষক্ৰিয়াৰ সৃষ্টি হৈছে। অঞ্চলটোৰ শগুনৰ মৃত্যুৰ পিছত বিষয়া সকলে এই সমস্যা সমধানৰ সহায় কৰিবলৈ ওচৰৰ অঞ্চল সমূহত এক বৃহৎ সজাগতা সভা দিয়াৰ লগতে গুৰুত্ব পূৰ্ণ ভূমিকা ললেহে আমাৰ মাজত শগুণ থাকিব। কাৰণ শগুন আমাৰ প্ৰকৃতিৰ বাবে দৰকাৰ। শগুণে জীৱজন্তুৰ মৰাশকে ধৰি বহু আৱৰ্জনা ৰোধ কৰাত সহায় কৰে। সেই শগুণক natural cleaner বুলিও কোৱা হয়।

এতিয়া মই আহিছো বৰটোকোলাৰ বিষয়লৈ। বৰটোকোলা ভাৰতৰ অসম, পশ্চিমবংগ আৰু বিহাৰ আদি ৰাজ্যত দেখিবলৈ পোৱা যায়। খেতি পথাৰ বোৰত প্ৰায়ে দেখা যায় বৰটোকোলাক। কিন্তু খাদ্য-বাসস্থানৰ অভাৱত বৰটোকোলালৈ ভাবুকি আহিছে । জলবায়ু পৰিবৰ্তনৰ বাবে অসমৰ জলাশয় সমূহৰ জলস্তৰ হ্ৰাস পাইছে, খেতি পথাৰত অধিক হাৰত কীটনাশকৰ বহুত বেছি ব্যৱহাৰ কৰাৰ ফলতো বৰটোকোলালৈ এক ভয়ংকৰ বিপদ আহিছে। হাড়গিলা, শগুনৰ ৰ দৰে বৰটোকোলাই প্ৰকৃতি আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰি আহিছে। গতিকে হাড়গিলা, বৰটোকোলা আৰু শগুণ মানৱ সমাজৰ মিত্ৰ হিচাপে চিহ্নিত হৈ আহিছে। প্ৰাপ্ত তথ্য মতে ২০২৩ চনত বিশ্বনাথ জিলাৰ চাৰিআলিৰ মাজ মজিয়াৰ এচ বি আইৰ সমীপৰ সম্ভ্ৰান্ত এটা অঞ্চল যাৰ পৰিচয় কোচ গাঁও এলেকাৰ কেইজোপামান দীৰ্ঘ দিনৰ ২০ টা মান অতি দুষ্প্ৰাপ্য বৰটোকোলা চৰাই বসবাস কৰিছিল। সেই সময়তে অতি দুষ্প্ৰাপ্য বৰটোকোলা চৰাই কেইটা বসবাস কৰা বাসস্থলী হিচাপে পৰিগণিত গছকেইজোপা কোনো সম্ভ্ৰান্ত দুস্কৃতিকাৰীয়ে কাটি টহিলং কৰাত দুষ্প্ৰাপ্য বৰটোকোলা চৰাই কেইটাৰ বাসস্থলী হেৰুৱাৰ উপৰিও উৰিব নোৱাৰা পোৱালী কেইটাৰ মৃত্যু হয়। গুৰুতৰ অভিযোগ উঠিছিল যদিও সেই সময়ত কোনো বন বিষয়া বা চৰকাৰী আমোলাই এই কথাটো সম্ভৱত বিশেষ গুৰুত্ব নিদিলে। এটা সময়ত হাড়গিলা বহুত বেয়া দৃষ্টিৰে মানুহে চাইছিল। দেহৰ গঠনৰ বাবে হাড়গিলাক মানুহ কিছুমানে অশুভ বুলি ভাবিছিল, দেখিলে নাক কোচাইছিল। কিন্তু এতিয়া সেই পৰিৱেশ নাই। এতিয়া এই পক্ষী বিধ বিপদাপন্ন। মানুহৰ বাসস্থানৰ ওচৰত থাকি ভাল পোৱা হাড়গিলাৰ বাসস্থান আৰু খাদ্যসংকট বৰ্তমান নামি আহিছে। বনাঞ্চল ধ্বংসৰ বাবে হাড়গিলালৈ ভাবুকি আহিছে। জলবায়ু পৰিবৰ্তন গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে জল প্ৰদূষণ, শব্দ প্ৰদূষণ বৃদ্ধি পোৱাত হাড়গিলা আজি অস্তিত্ব সংকটত। আৱৰ্জনা দমৰ মাজত হাড়গিলাক আমি বিচৰণ কৰি ফুৰা দেখা পাওঁ। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত মানৱ সমাজ কিমান লাভবান কৰিছে সেই কথাটো বুজাই বুজে। কিন্তু হাড়গিলা সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰে যি ধৰণে পদক্ষেপ লব লাগিছিল মই ভাৱো আৰু উচ্চ স্তৰত এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত অসমৰ ড০ পূৰ্ণিমা দেৱী বৰ্মন নামৰ Wildlife Biologist গৰাকীৰ নাম লব লাগিব। এই গৰাকী মহিলা কামৰূপ জিলাৰ দদৰা পছেৰীয়া অঞ্চলৰ মহিলা সকলকলৈ হাড়গিলা সংৰক্ষণৰ বাবে হাড়গিলা আৰ্মী বৰ্তমান গঠন কৰিছে। অতি সুন্দৰ পদক্ষেপ, মই ভাৱো চৰকাৰে এনে সময়ত আৰু সহযোগ কৰিলে আৰু কাম কৰিবলৈ সুবিধা পাব। বাসস্থানৰ ক্ষতি অৰক্ষয় বনাঞ্চল ধ্বংস নগৰায়ন আমি যিটো civilizationৰ ফালে গৈ আছে, আমি town বোৰ বনাই আছো, জলাশয় সমূহ

ধ্বংস হৈছে, এই বিলাক হোৱাৰ ফলত কৃষিৰ সম্প্ৰসাৰণ আদি মানুহৰ কাৰ্যকলাপৰ ফলত জলাশয় নদী বনাঞ্চল ধৰি ইহঁতৰ প্ৰাকৃতিক বাসস্থানৰ এটা ধ্বংস আৰু খণ্ডিত কৰণ হ'বলৈ গৈছে। উপযুক্ত বাহ আৰু খাদ্য বিচাৰি ঠাই হেৰুৱাৰ বাবে হাড়গিলাৰ মৃত্যুৰ হাৰ দিনে দিনে বৃদ্ধি পাইছে। প্ৰদূষণ, জলাবাস, খাদ্যৰ উৎস সমূহ কীটনাশক গধুৰ ধাতু অন্যান্য প্ৰদূষণক পদাৰ্থৰ দ্বাৰা প্ৰদূষিত হোৱাৰ ফলত প্ৰদূষক পদাৰ্থই বিষক্ৰিয়া ৰোগ প্ৰজনন ক্ষমতা সামগ্ৰিক ভাৱে fitness হ্ৰাস কৰাৰ ফলত হাড়গিলাৰ অত্যাধিক মৃত্যু হৈছে। অৰণ্যত বন্যপ্ৰাণী ব্যৱসায় আইনী সুৰক্ষাৰ সত্বেও হাড়গিলা এতিয়া চোৰাং চিকাৰীয়ে তেওঁলোকৰ শৰীৰৰ অংগ,পাখি পোৱালীৰ বাবে চিকাৰ কৰিবলৈ বিচাৰি ফুৰে। এনে দুষ্ট মানুহ কিছু আছে। কেতিয়াবা পৰম্পৰাগত চিকিৎসা, স্মৃতিগ্ৰন্থ সহ্যাৰ উদ্দেশ্যে বিচৰা হয়। বন্যপ্ৰাণী অবৈধ ব্যৱসায়ে মৃত্যুৰ হাৰ আৰু জনসংখ্যা হ্ৰাসত অৰিহণা যোগাইছে। মই এই দুস্প্ৰাপ্য পক্ষী তিনি বিধৰ সংৰক্ষণৰ বাবে অসম বিধান সভাত সৰ্ব সন্মত ক্ৰমে কেইটামান প্ৰস্তাৱ আগবঢ়াব বিচাৰিছো। অসমত শগুনৰ বংশ বৃদ্ধিৰ বাবে অধিক আবদ্ধ কৃত্ৰিম প্ৰজনন আৰু লগতে কেন্দ্ৰৰ সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰিব লাগে। বহনক্ষম পশুপালন ব্যৱস্থা শক্তিশালী কৰিব লাগে। ওখ ওখ গছ সমূহ সংৰক্ষণৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। হাড়গিলা, বৰটোকোলা আৰু শগুনৰ উপযুক্ত বাসস্থান চিহ্নিত কৰি সেই ঠাই বোৰক বিশেষ বনাঞ্চলৰ মৰ্য্যদা দিব লাগে। জনসাধৰণৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগিব। মৃত জন্তুত কোনেও যাতে বিষাক্ত কীটনাশক, এইটো আটাইতকৈ serious point কোনেও যাতে বিষাক্ত কীটনাশক বা ৰাসায়নিক দ্ৰব্য চতিয়াই নিদিয়ে তাৰ বাবে স্কুল, কলেজ বিভিন্ন প্ৰান্তত কিছু সজাগতা মূলক কাৰ্যসূচী আমি লব লাগিব। হাড়গিলা, বৰটোকোলা আৰু শগুনৰ সংৰক্ষণৰ বাবে অধিক কঠোৰ আইনো প্ৰয়োজন হলে আনিব লাগিব। অসমৰ সৰ্বমুঠ ২০৭২ খন বিল আছে, বহু বিল নামতহে আছে বে-দখলৰ কবলত পৰিছে। গতিকে বিল সমূহ বে-দখল মুক্ত কৰি আইনী সুৰক্ষা কৰিব লাগে। হাড়গিলা, বৰটোকোলা আৰু শগুনৰ সুৰক্ষাৰ বাবে খেতি পথাৰত অপকাৰী কীটনাশকৰ ব্যৱহাৰো কমাই জৈৱিক সাৰৰ বাবে আমি খেতিয়কক উৎসাহিত কৰিব লাগে। সেউজ বাজেটত হাড়গিলা, বৰটোকোলা আৰু শগুনৰ সুৰক্ষাৰ বাবে বিশেষ পেকেজ ধাৰ্য্য কৰিব লাগে। হাড়গিলা, বৰটোকোলা আৰু শগুনৰ সুৰক্ষা সংৰক্ষণ ব্যৱস্থাক অধিক মজবুত কৰাৰ বাবে গৱেষণাত অধিক গুৰুত্ব দিয়াৰ লগতে তথ্য চিত্ৰ বিভিন্ন ভাষা তত্ব গ্ৰন্থ প্ৰণয়ন কৰিব লাগে। অসমৰ একাংশ মহিলাই আমি লক্ষ্য কৰিছো, বয়ন শিল্পৰ জৰিয়তে শগুণ, হাড়গিলা, বৰটোকোলা সংৰক্ষণৰ বাবে কাম কৰি আছে। চৰকাৰে সেই মহিলা সকলক বিশেষ উদগনি জগাব লাগে। এইখন চিত্ৰ আপুনি নিশ্চয় দেখিছে আৰু সকলোতে পাব হাড়গিলা আৰু বৰটোকোলা danger ৰ পৰা তললৈ নামি আহিছে। অৰ্থাৎ ইয়াৰ conservation status টো inprovement হৈছে । কিন্তু শগুনৰ হোৱা নাই। অধ্যক্ষ মহোদয় মোৰ যিকেইটা প্ৰস্তাৱ মই সদনক আহ্বান জনাম সদনে যাতে গ্ৰহণ কৰে। পৃথিবীৰ ভাৰসাম্য ৰক্ষাৰ কাৰণে এটা সময়ত এনেকুৱা আছিল যে তেওঁলোকে খেলিছিল আমি চাইছিলো আৰু এতিয়া এটা সময় এনেকুৱা আহিছে মানুহে ঘৃণা কৰে, ভয় কৰে। কিন্তু এই ধ্বংসই আমাৰ পৃথিবীৰ জীৱকূলক আজি বিপদাপন্ন অৱস্থাত ৰাখিছে। এই পৃথিবীৰ ভাৰসাম্য ৰক্ষা আৰু মানৱকূল জীৱ জন্তু সকলো স্থিতা ব্যৱস্থা বাহালৰ কাৰণে এই প্ৰস্তাৱটো যাতে গ্ৰহণ কৰে তাৰ কাৰণে আহ্বান জনাইছো।

**माननीय অধ্যক্ষ** ঃ ধন্যবাদ , মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে জৈৱবৈচিত্যতাৰ

কাৰণে এটা খুব গুৰুত্বপূৰ্ণ প্ৰসংগ উপস্থাপন কৰিছে। আমি সকলোৱে জানো Global Warming, বা Climate change য়ে কেনেকৈ জীৱকুলক বিপদৰ সন্মুখীন কৰিছে। গতিকে আমি সকলোৱে এই ক্ষেত্ৰত চিৰিয়াচ। যোৱাকালিও আমাৰ সদনত আলোচনা হৈছিল। আজিও ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই হাড়গিলা আৰু শগুণৰ সংখ্যা যে কমি আহিছে সেইটো এটা উদ্বেগজনক বিষয় হিচাপে তেখেতে উপস্থাপন কৰিছে। কিন্তু আমি চৰকাৰৰ ফালৰ পৰা বা বন বিভাগে এই ক্ষেত্ৰত যথেষ্ট চিৰিয়াচলি পদক্ষেপ লৈছে। এই বিষয়ে মই সদনক অৱগত কৰিব খুজিছো। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, বিশ্বৰ ৩৬ খন উল্লেখনীয় উষ্ম জৈৱ বৈচিত্ৰময় ঠাইৰ ভিতৰত অসমো এখন। জলবায়ু অৱস্থানৰ ফালৰ পৰা অসমত অত্যাধিক উষ্ম আৰু আৰ্দ্ৰ অৱস্থাৰ সৃষ্টি নহয়, তাৰ কাৰণে সকলো ধৰণৰ উদ্ভিদৰ বৃদ্ধি ঘটাৰ লগে লগে ঠাই বিশেষে বৈশিষ্টতাৰ প্ৰভাৱ দেখা যায়। সেই অনুযায়ী বিভিন্ন পক্ষী, পশু ও জীৱজন্তু অনুকুল খাদ্য আৰু বাসস্থানৰ সৃষ্টি কৰাৰ লগতে প্ৰজন প্ৰাচুৰ্য্যতা বৰ্তি থকাটো বৃদ্ধি কৰে। সেমেকা সমভূমি আৰু নদী কাষৰীয়া অৰন্যৰ লগে লগে নদী প্ৰনালী আৰু বনাঞ্চলত অন্তৰ্ভক্ত প্ৰায় ৭০০০ অধিক জলাশয়ৰ প্ৰসাৰিত সংমিশ্ৰন পিতনি জলভূমি সমূহে সকলো প্ৰজাতিৰ জীৱজন্তু জীয়াই থকাৰ পথ সূচল কৰে। অধ্যক্ষ মহোদয় অসমত ১০০০ ৰ ৰো অধিক প্ৰজাতিৰ পক্ষীৰ অৱস্থিতিৰ লগতে এই পক্ষী সমূহৰ ভিতৰত প্ৰায় ১৮০০ আৱাসিক হাড়গিলা প্ৰায় ২০০০ আৱাসিক বৰটোকোলাৰ সন্তোষজনক অৱস্থিতিয়ে অসমক গৌৰৱান্বিত কৰিছে। যদিও সমগ্ৰ পৃথিৱীতে বৰটোকোলা আৰু হাড়গিলাৰ সংখ্যা কমি আহিছে, অসমত এতিয়াও প্ৰায় হাড়গিলাৰ সংখ্যা ১৮০০ আছে, আৰু বৰটোকোলাৰ সংখ্যা প্ৰায় ২০০০ আছে। যি সময়ত সমগ্ৰ বিশ্বতে Global warming ৰ বাবে বিভিন্ন জীৱকুল বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। সমগ্ৰ জীৱকুললৈ ভাবুকিৰ সৃষ্টি হৈছে। তেনে সময়ত International Union for Conservation of Nature চমুকৈ IUCN য়ে হাড়গিলাক Endangered পৰা Near threatened আৰু বৰটোকোলাক Vulnerable পৰা Near threatened বুলি ঘোষণা কৰাটো সম্ভৱ হৈছে। এইটো সম্ভৱ হৈছে একমাত্ৰ অসমবাসী ৰাইজৰ বাবে। প্ৰকৃতিৰ লগত থকা অসমবাসী আৰু ৰাইজৰ বৈচিত্ৰময় সংৰক্ষণ আৰু সহ অৱস্থানৰ বাবে। মই আকৌ ক'ব খুজিছো, হাড়গিলা প্ৰথমে আছিল Endangered তাৰ পাছত Near threatened লৈকে, মানে পৰিবেশটো ভাললৈকে গৈ আছে। সংকটপূৰ্ণ অৱস্থানৰ পৰা কম সংকটাপুৰ্ণ অৱস্থালৈ হাড়গিলাৰ সংখ্যা আগবাঢ়ি গৈছে। বৰটোকোলাক Vulnerable বুলি কোৱা হৈছিল। এতিয়া Near threatened লৈকে কমি আহিছে। Bird life International ICU and Reddit Megazine, 2023 ৰ ডিচেম্বৰ মাহত প্ৰকাশিত এটি প্ৰবন্ধত March Adjacent শীৰ্ষক ৰিৰ্পটত গ্ৰীণ অস্কাৰ বিজয়ী ড° পূৰ্ণিমা দেৱী বৰ্মনৰ নেতৃত্বত চলি থকা অসমত যোৱা ২০ বছৰীয়া হাড়গিলাৰ সংৰক্ষণৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি কোৱা হয় যে হাড়গিলা, বৰটোকোলা Endangered,Vulnerable পৰা Near threatened হোৱাৰ সফলতাৰ আৰত আছে অসম চৰকাৰ আৰু অসম বাসী ৰাইজৰ প্ৰচেষ্টা। অসম চৰকাৰে বিশেষ ব্যৱস্থা লোৱাৰ কাৰণে অসমৰ ৰাইজেও এই ক্ষেত্ৰত সহাৰি জনোৱাৰ কাৰণে আমি এই জীৱকেইটাক কিছু ভাল পৰিবেশ দিবলৈ অসমত সক্ষম হৈছো। এই হাড়গিলা, যি ৰাইজৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰা হৈছে সেই ৰাইজৰ প্ৰচেষ্টাত কামৰূপ জিলাৰ ডডৰিয়া পচৰিয়া, শিঙিমাৰি অঞ্চলত মহিলা হাড়গিলা আৰ্মী নামেৰে এটা সংস্থা আছে। তেওঁলোকেও হাড়গিলাক সংস্থাপনৰ বাবে বা মৃত্যুমুখৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যথেষ্ট কাম ইতিমধ্যে হাতত লৈছে। এই হাড়গিলা আৰ্মী মহিলা সকলক ৰাইজক সম্পুৰ্ণ

ভাবে হাড়গিলা সংৰক্ষণৰ ক্ষেত্ৰত সহযোগ আগবঢ়াবলৈ পাই চৰকাৰেও সৌভাগ্যৱান বুলি অনুভৱ কৰিছো। শগুণ বোৰক বিলুপ্তিৰ পৰা ৰক্ষা কৰিবলৈ আৰু শগুণ সংৰক্ষণ কৰিবলৈ আমাৰ চৰকাৰে নিম্নোক্ত প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰথমে অসমত আৱাসিক দুটা প্ৰজাতিৰ Slender billed and Oriental white back vulture পোৱা যায় IUCN ৰ শ্ৰেণী অনুসৰি এইবোৰ সংকটজনক ভাবে বিপন্ন। এই বিলাকৰ সংৰক্ষণৰ বাবে অসম চৰকাৰ বন বিভাগে Bombay Natural History Society ৰ সহযোগত ৰাণীত শগুণ সংৰক্ষণ কেন্দ্ৰ VCBC চলাই আছে। সেই কাৰ্য্যসূচীৰ অংশীদাৰ হৈছে Moefcc আৰু Royal society for protection of birds UK প্ৰকল্পটো কামৰূপ জিলাৰ ৰাণীত বেলগুৰিত বন বিভাগে অনুমোদন দিয়ে আৰু ২ হেক্টৰ মাটিত ২০০৭ চনত প্ৰজনন কেন্দ্ৰটো আৰম্ভ কৰা হয়। অধ্যক্ষ ডাঙৰীয়া সজাবদ্ধ শগুনৰ আৱাসৰ বাবে তিনিটা ডাঙৰ AVRE আৰু ৭ টা সৰু AVRE- নিৰ্মাণ কৰা হৈছে। বৰ্তমান ১৪১ টা শগুণ সজাবদ্ধ হৈ আছে। এতিয়ালৈকে ৭৫ টা শগুন বিজ্ঞানসন্মত ভাবে সজাবদ্ধ অৱস্থাত জন্ম হৈছে আৰু শগুণ মুক্তিও প্ৰণালীবদ্ধ ভাবে কৰা হৈ আছে। ইয়াৰ দ্বাৰা অদূৰ ভৱিষ্যতে দুয়োটা প্ৰজাতিৰ মুঠ ২০০ টা শগুণ মুক্তি পোৱাৰ সম্ভাৱনা আছে। এইকেইটা সজাবদ্ধ ভাৱে প্ৰজনন কৰা হয়, আৰু ক্ৰমান্বয়ে এই কেইটা মুকলিও কৰি দিয়া হয়। আমি এই দুয়োটা প্ৰাণীক সংৰক্ষণৰ কাৰণে কি কি প্ৰচেষ্টা গ্ৰহণ কৰিছো তাৰ বিষয়ে মই আলোকপাত কৰিব খুজিছো। অধ্যক্ষ ডাঙৰীয়া, বৰ্তমান প্ৰকল্পৰ প্ৰতিবছৰৰ খৰচৰ ধন BNHS Bombay Natural History Society ৰ দ্বাৰা সংগ্ৰহ কৰা হয়। বিভিন্ন চৰকাৰী আৰু বে চৰকাৰী সংস্থা সমূহৰপৰা আৰ্থিক সহায় আগবঢ়াই কাৰ্য্যসূচীটো ফলপ্ৰসূ ভাবে চলাই থকা হৈছে। ২য়তে প্ৰকৃতিত থকা শগুণে মৃত পশুধন খাই। কিন্তু বৰ্তমান স্থানীয় লোক সকলে মৃতদেহ সমূহ পানীত পেলাবলৈ বা পুতিবলৈ আৰম্ভ কৰা বাবে শগুণৰ খাদ্য কমি কমি গৈ আছে। সেই কাৰণে সজাগতা বৃদ্ধিৰ কাৰণে আমাৰ চৰকাৰে কাম কৰিছো যাতে মৃত পশুধনটো পানীত পেলাই দিয়া নহয় পানীত পেলাই দিলে পানী প্ৰদুষিত হয়। গতিকে আমি এই ক্ষেত্ৰত ৰাইজক সজাগ কৰিবৰ কাৰণে চেষ্টা কৰিছো। যাতে মৃত পশুধনক ক'ৰবাত হাবি বননিত পেলাই দিওঁ যাতে শগুণে তাক ভক্ষণ কৰি তেওঁলোকো যাতে জীয়াই থাকিব পাৰে। শগুণৰ সংখ্যা যদি বৃদ্ধি হয়, অন্যান্য কিছুমান বেমাৰো কমি যায় গতিকে শগুণৰ সংখ্যা বৃদ্ধি কৰিবলৈ এই সজাগতা আমি হাতত লৈছো। পশুধনৰ মৃতদেহ বিষাক্ত নকৰিবলৈ চৰকাৰে স্থানীয় জনসাধাৰনৰ বাবে আবেদন কৰাটো আমাৰ অভিযানৰ এটা উল্লেখ যোগ্য প্ৰচেষ্টা। মৃত জীৱজন্তু শগুণৰ খাদ্য উপযোগী কৈ ৰাখিবৰ বাবে বিষাক্ত দ্ৰব্য আৰু ঔষধ দিয়াত বাধা দিয়া হৈছে। যোৱা দশকত অসমত কেইটামান অপ্ৰীতিকৰ ঘটনা লক্ষ্য কৰা হৈছে যে পশুধনৰ মৃতদেহবোৰ বিষাক্ত কৰি বহু কুকুৰ আৰু শগুণক হত্যা কৰা হৈছিল। সন্মানীয় সদস্যগৰাকীয়ে তেখেতৰ সমষ্টিৰ এটা উদাহৰণ দিছে, যে মৃত পশুধনক বিষাক্ত কৰি শগুণক মাৰি পেলোৱা হৈছিল, তাৰ বিৰুদ্ধে অহৰহ ভাবে আমাৰ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এনে ঘটনাবোৰৰ পুনৰাবৃত্তি ৰোধৰ বাবে সৰ্ব্বোতোপ্ৰকাৰে আমি চেষ্টা অব্যাহত ৰাখিছো। চৰকাৰে জীৱ-জন্তুৰ চিকিৎসাৰ বাবে ব্যৱহাৰ হোৱা তিনিটা ঔষধ যেনে- diclofenac, ketoprofen, aceclofenac ইতিমধ্যে নিষিদ্ধ কৰিছে আৰু ফাৰ্মাচিষ্ট, পশু চিকিৎসক আৰু পশুৰ গৰাকী সকলক এই তিনিবিধ ঔষধ ব্যৱহাৰ নকৰিবলৈ নিৰ্দ্দেশ জাৰি কৰা হৈছে। উল্লেখযোগ্য যে মাননীয় বিধায়ক গৰাকীয়ে উত্থাপন কৰা ধৰণে হাড়গিলা, বৰটোকোলা, শগুণৰ প্ৰতি ভাবুকি শেহতীয়াকৈ বিশ্ব প্ৰেক্ষাপটত নিম্ন উল্লেখিত পৰিবৰ্তন সমূহে গৱেষণাৰ পক্ষত পৰিলক্ষিত হৈছে যদিও অসমৰ প্ৰেক্ষাপটত ই সম্পূৰ্ণভাৱে

সত্য নহয়। কাৰণ অসমত এই মূহুৰ্ত্তত বহুত বুলি নকওঁ কিন্তু যথেষ্ট সংখ্যক দুয়োটা প্ৰজাতিৰ জীৱ বা চৰাই আমাৰ অসমত বৰ্তমান বিদ্যমান। উপৰোক্ত উল্লেখিত সকলো দিশ সূক্ষ্ম দৃষ্টিৰে আলোচনা কৰি দেখা গৈছে যে অসমৰ প্ৰেক্ষাপটত প্ৰাকৃতিক সম্পদ এতিয়াও অগণণ জৈৱ বৈচিত্ৰতাৰে ভৰপুৰ হৈ আছে। মাত্ৰ প্ৰয়োজন অসমৰ প্ৰাকৃতিক বাসস্থানৰ ভাৰসাম্য বজাই ৰাখি পক্ষীকুলৰ লগতে ভৱিষ্যতলৈ সমূহ জৈৱ বৈচিত্ৰতাৰ সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰখা। বৰ্তমান অসম চৰকাৰে এনে কিছু প্ৰকল্পৰ জৰিয়তে বন বিভাগৰ ব্যাপক ভিত্তিত আধুনিক বৈজ্ঞানিক পদ্ধতিৰে বন জৰীপ আৰু বৃক্ষ ৰোপণেৰে প্ৰাকৃতিক পৰিবেশৰ বাসস্থান বৰ্তাই ৰাখিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মাননীয় অধ্যক্ষ মহোদয়, এইবছৰ আমি প্ৰায় তিনি কোটি গছ পুলি ৰুবলৈ সক্ষম হৈছো। মই আজিৰ পৰা কেইদিনমান আগত বন বিভাগৰ যেতিয়া প্ৰশ্ন আছিল, সন্মানীয় মন্ত্ৰী মহোদয়ৰ অনুপস্থিতিত উত্তৰ দিছিলো যে আমাৰ হাতত থকা তথ্য মতে এই মূহুৰ্ত্তত ৮০ শতাংশ গছ জীয়াই আছে য'ত যদিও আমি মূল হিচাপটো এপ্ৰিল মাহত পাম। এই বছৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমি এই যি বৃক্ষ আন্দোলন প্ৰক্ৰিয়া এই প্ৰক্ৰিয়াটোক আমি আগুৱাই লৈ যাম। আমি নিশ্চয়কৈ জীৱ-জন্তু সকলক ৰক্ষা কৰিবৰ কাৰণে বা climate change যাতে নহয় বা global warming যাতে নহয়, আমি যাতে উষ্ণতা কমাই ৰাখিব পাৰো তাৰ কাৰণে অসম চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লৈছো আৰু মাননীয় সদস্য গৰাকীয়ে এটা খুব গুৰুত্বপূৰ্ণ কথা ইয়াত উপস্থাপন কৰাৰ বাবে তেখেতক ধন্যবাদ জনাই আৰু তেখেতক আমি আশ্বাস দিওঁ যে এই জীৱ বা এই পক্ষী দুটাক আমি বচাবলৈ আৰু যৎপৰোনাস্তি চেষ্টা চলাম। এইখিনি আশ্বাস দি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আপোনাৰ প্ৰস্তাৱ আপুনি উঠাই ল'ব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই ল'ম। লগতে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাম যে কেৱল মন্ত্ৰী মহোদয়ে বক্তব্য দিয়েই যাতে থাকি নাযায়। ৰাণীৰ যিটো আছে তেওঁ যাতে নিজেও ভিজিট কৰে। কাৰণ তাত আৰু মাটি-কালিৰ প্ৰয়োজন আৰু যিবিলাক এনেকুৱা বিল আছে, সেই বিল বিলাকো যাতে আমি সংৰক্ষণ কৰিব পাৰো এইখিনি অনুৰোধ থাকিল। মোৰ আৰু কিছু বক্তব্য থাকিল, সেইখিনি মই টেবুলত lay down কৰি দিম। ধন্যবাদ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰকীক মই জনাব খোজো যে আমাৰ সন্মানীয় বনমন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আজি হাউচত নাই। মই তেখেতক ব্যক্তিগত ভাৱে অনুৰোধ কৰিম, সন্মানীয় সদস্য গৰাকীৰ লগত ব্যক্তিগত ভাৱে কথা পাতি তেখেতে যিকেইটা পৰামৰ্শ দিছে সেইকেইটা যাতে কৰিবলৈ চৰকাৰে বা বিভাগে চেষ্টা চলাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া হাউচৰ সকলোৰে সন্মতি আছে, গতিকে প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ। আপুনি ৫ মিনিটত শেষ কৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে ২০০১-২০০২ চনতেই ১০ লাখ ৭৫ হাজাৰ ৫০৫ টকাত চৰকাৰী ভাৱে আবন্টন হোৱা বাঘবৰ গুৰু বজাৰখন ২০২১-২২ লৈ যোৱা ২০ বছৰে চৰকাৰী ভাৱে আবন্টন নোহোৱাত কেইবা কোটি টকাৰ ৰাজহ লোকচান হয়। কিছু বিষয়াৰ সহযোগত এটা দুষ্ট চক্ৰই যোৱা ২০ বছৰে উক্ত গৰু বজাৰখন ব্যক্তিগত ভাৱে পৰিচালনা কৰি কোটি কোটি টকাৰ ৰাজহ আত্মসাৎ কৰে। ২০২২-২৩

বৰ্ষৰ পৰা মন্দিয়া আঞ্চলিক পৰিষদে উক্ত গৰু বজাৰখন দান আৰু ক্ৰয়ৰ যোগেদি আহৰণ কৰা মাটিত নতুনকৈ চেৰাৰভিঠা জনপ্ৰিয় আঞ্চলিক গৰু বজাৰখন আৰম্ভ কৰে যদিও সংশোধিত পঞ্চায়ত আইনৰ ১০৭ ধাৰা উলংঘা কৰি আৰু Cattle Preservation Act মতে অনুজ্ঞাপত্ৰ নোহোৱাকৈ বা পঞ্জীয়ণ নকৰাকৈ বেআইনীভাৱে ওচৰতে থকা পুৰণা ব্যক্তিগত গৰু বজাৰখন চলাই থকাৰ বাবে চৰকাৰী গৰু বজাৰখন যথেষ্ট লোকচানৰ সন্মূখীন হয়। বহুবাৰ আবেদন নিবেদন কৰাৰ পিছতো ব্যক্তিগত গৰু বজাৰখন বন্ধ কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ নিলিপ্ততা লক্ষণীয়। আনকি আঞ্চলিক পঞ্চায়তে গৰু বজাৰৰ নামত ক্ৰয় কৰা মাটিৰ বিক্ৰী অনুমতি যোৱা প্ৰায় এবছৰে জিলা প্ৰশাসনে বিভিন্ন অজুহাতত বন্ধ কৰি ৰখাত জিলা .প্ৰশাসনৰ ভূমিকাত প্ৰশ্নৰ উদ্বেগ কৰে। জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক প্ৰশ্নকৰ্তাই লিখিত আৰু মৌখিক ভাৱে বহুবাৰ অনুৰোধ কৰাৰ পিছতো আজিকোপতি কোনো ফলপ্ৰসু ব্যৱস্থা লোৱা নহ'ল। বিভিন্ন সময়ত পবিত্ৰ সদনত বিভিন্ন প্ৰশ্নৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী মহোদয়ে সদনত দিয়া আশ্বাসো অসাৰ প্ৰতিপন্ন হোৱাৰ উপক্ৰম হৈছে। সেয়েহে যোৱা ২০ বছৰৰ দৰেই অনাগত দিনতো উক্ত গৰু বজাৰৰ ক্ষেত্ৰত কোটি কোটি টকাৰ ৰাজহ লোকচান হোৱাৰ সম্ভাৱনা দেখা দিছে। সেয়েহে আজিৰ সদনত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক যে উক্ত ব্যক্তিগত খণ্ডত বেআইনীভাৱে চলি থকা বাঘবৰ গৰু বজাৰখন তৎকালীন ভাৱে বন্ধ কৰা হওঁক। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত আইনৰ amendmend act ৰ ১০৭ ধাৰাত স্পষ্টভাৱে ঘোষণা আছে যে No private hut, ghat, fishary shall be allowed to operate with in the area under the jurisdiction of a gaon panchayat without prior approval of the concern panchayat authorities and Government. এই ১০৭ ধাৰা পঞ্চায়ত এক্টৰ মতে কোনো প্ৰাইভেট বজাৰ পঞ্চায়ত বা চৰকাৰৰ অনুমতি অবিহনে চলিব নোৱাৰে। So, the Baghbar private cattle market is out and it is completely illegal market. দ্বিতীয়তে, cattle preservation act মতে the cattle market must be licensed or recognised under a state act. The Baghbar cattle market does not have been issue any license nor it has been registered so, as per cattle preservation act also. The Baghbar cattle market is an illegal market. আৰু এই বেআইনী বজাৰখন চলি থকাৰ কাৰণে এই বছৰ যিটো চৰকাৰীভাৱে বজাৰ আৰম্ভ কৰিছে ৪২ লাখ টকা পতন হৈছে। কিন্তু বাঘবৰ প্ৰাইভেট গৰু বজাৰখন বেআইনী গৰু বজাৰখন যদি নাথাকে তেতিয়াহ'লে চৰকাৰে প্ৰতি বছৰে অতি কমেও ২ কোটি টকাৰ ৰাজহ পাব। সেয়েহে চৰকাৰী ৰাজহৰ স্বাৰ্থত পঞ্চায়তী ব্যৱস্থাক আৰু সুদৃঢ় কৰাৰ বাবে যি ৰাজহ আহৰণ হ'ব লাগে তাৰবাবে মই মাননীয় মন্ত্ৰীক আপোনাৰ জৰিয়তে অনুৰোধ জনাওঁ যে এই প্ৰস্তাৱটো গ্ৰহণ কৰি আজিয়েই তেখেতে ঘোষণা কৰিব লাগে যে কালিৰ পৰা বজাৰখন বন্ধ হ'ব। এইক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক বিষয়া সকলে জনাব পাৰে যে এটা 4440 নামৰ এটা মোকৰ্দমাত হাইকোৰ্টে এটা ৰায় দি থৈছে যে there shall not be any interference from the authority but this judgement to us before the amended panchayat act আৰু এই ৰায়টোত এটা কথা কৈ থোৱা আছে যে with a direction upon as the not to interference with the operation

of the Baghbar cattle market run over the private patta land own my writ petitioner untill and unless, they are found to be violiting any of the provision of the law. অৰ্থাৎ হাইকোৰ্টৰ ৰায়ত কোৱা হৈছে যে যদিহে অন্য কোনো আইনৰ ধাৰা উলংঘা কৰা নহয় তেতিয়াহ'লে এইটোত হস্তক্ষেপ কৰিব নালাগে। যিহেতু উক্ত বজাৰখনে cattle preservation act violet কৰিছে, যিহেতু অসম পঞ্চায়ত এক্ট violet কৰিছে গতিকে সেই judgement টো এতিয়া absolute. তৃতীয় কথাটো হ'ল যে এই বাঘবৰ বজাৰ খনৰ ক্ষেত্ৰত বহু বছৰ জুৰি কোৰ্টত কেচ চলি থাকে। কিন্তু দূভাগ্যজনক কথাটো হ'ল যে আমাৰ চৰকাৰী উকিলৰ ভূমিকা ইয়াত অত্যন্ত বেয়া। যিগৰাকী প্ৰাইভেট বজাৰৰ উকিল তেওঁ কৈছে, ইয়াত judgement ত reflect হৈছে। চৰকাৰী উকিলে প্ৰথমে চাবমিশ্যন দিলে Mr.S.Dutta যে হয়, to open a private cattle market necessary permission is required to be taken. প্ৰথমে উকিলে ঠিকেই কলে। ইয়াৰ পিছত গোচৰীয়া পক্ষৰ উকিল H.Ali য়ে ক'লে যে - Already is running a patta land he further submit that necessary permission and permit some granted under the cattle act. This is totaly untrue. The Court has been mislead by the petitioners advocate. and our government advocate did not utter a word. মই মাননীয় মন্ত্ৰী মহোদয়ক এই ছেগতে আৰু অনুৰোধ জনাও যে প্ৰাইভেট উকিলে যেতিয়া ভুল তথ্য কোৰ্টত দিলে, আমাৰ চৰকাৰী উকিলে তেতিয়া কিয় কাউণ্টাৰ নিদিলে যে কোনো ধৰণৰ পাৰমিশ্যন নাই, কোনো ধৰণৰ লাইচেন্স নাই। পঞ্চায়ত এক্ট মতে এইটো বৈধ নহয়। এই কথাটো আপুনি অলপ চাব লাগে। আমাৰ চৰকাৰী উকিলৰ নিৰ্লিপ্ততাৰ কাৰণে আমাৰ চৰকাৰী উকিলে কিয় counter নিদিলে যে কোনো ধৰণৰ permission নাই, কোনো ধৰণৰ license নাই, পঞ্চায়ত আইনমতে এইটো বৈধ নহয়। এই কথাটো মাননীয় অধ্যক্ষ মহোদয়, আপুনি অলপ চাব লাগে, চৰকাৰী উকিলৰ নিলিপত্তাৰ কাৰণে কোৰ্টত যে কেছবোৰ হাৰি যায়, এই ক্ষেত্ৰতো ব্যৱস্থা ল'ব লাগে।

মই এইখিনিকৈ আজি ভাৱো গোটেই সদনে ২ কোটি টকাকৈ প্ৰতি বছৰে ৰাজহ অসম চৰকাৰে পাব, পঞ্চায়তী ব্যৱস্থাই পাব। গতিকে এই ৰাজহ বৃদ্ধিৰ স্বাৰ্থত ব্যক্তিগত গৰু বজাৰখন বন্ধ কৰিবলৈ যি প্ৰস্তাৱ আনিছো, মই আশা কৰিছো সদনে এইটো গ্ৰহণ কৰিব আৰু প্ৰস্তাৱটো পাছ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ইতিমধ্যে কলে যে এই বিষয়টো subjudice আৰু কোৰ্টৰ এটা order আছে।

সদস্য গৰাকীকে কলে যে rule violation হৈছে, সেই বিলখন যোৱা বিধান সভাত আহিছিল আৰু এতিয়া rule frame হৈ হে আছে। গতিকে সেইখন বিল এতিয়াও কাৰ্য্যত পৰিণত হোৱা নাই। গতিকে rule violate কৰা বুলি এতিয়ালৈকে ক'ব নোৱাৰো। আমাৰ যোৱা বিধান সভাত যিখন বিল পাছ হ'ল, সেইখন যদি rule frame হয়, তেতিয়া rule violation কৰা বুলি আমি কোৰ্টক ক'ব পাৰিম।

সন্মানীয় সদস্য গৰাকীয়ে যিটো কলে, কোৰ্টে কৈ থৈছে যে আমি তাতে interfare

কৰিব নোৱাৰো। আৰু তেখেতে কলে যে আইন violate। কোৰ্টে এইটো কৈছে "untill and unless violation of rules, কিন্তু যিখিনি rules ৰ কথা কৈছে আমাৰ পৰৱৰ্তী সময়ত যিখন বিল পাছ কৰিলো, সেইখনৰ rule frame হলেহে, সেই rules খিনি violation হ'ব। গতিকে সদস্য গৰাকীয়ে নতুন আইনখন কাৰ্যত পৰিণত হোৱালৈকে ৰখিব লাগিব। তেতিয়া হয়তো নিশ্চয়কৈ এই বিষয়ত সিদ্ধান্ত ল'ব পাৰিম।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কোৰ্টৰ যিটো judgement আছিল, পঞ্চায়তৰ আইন সংশোধনীৰ আগৰ আৰু সেইখনত লিখা আছে untill and unless their found to be violating any of the provision of the law. rule ৰ কথা নাই law. আৰু Cattle Preservation Act. খন তেতিয়াই violate হৈ আছে, যে duly license থাকিব লাগিব বা registration থাকিব লাগিব।

ইয়াৰ পিছত মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কলে rule নহলেও this act has come into force by notification in gazette। গতিকে ইয়াত কোনো কথা নাই যে rule frame হলে, য'ত য'ত rule লাগে, আইনত লিখা থাকে subject to prescription of detail procedure in the rules. ইয়াত কিন্তু এই কথাটো নাই, ইয়াত gazette notification ৰ effective হৈ গৈছে। This is not a Bill, now this is a law and this provision of the law is not subject to any rule. Rule য'ত য'ত হ'ব তাত লিখা থাকিব subject to details prescribed in the rules to be frame subsequently। ইয়াত সেই কথাটো নাই।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে নিজে কলে যে subsequently rule has to be frame.

মই স্পষ্টকৈ কৈছে, মহামান্য আদালতে WP(C) No. 440/2022 Baghbar Bazaar Managing Committee, Nij Baghbar & ANR - VS- State of Assam & 7 others, 22-07-2022 তাৰিখে জাৰি কৰা এই আদেশ মৰ্মে আবেদনকাৰী মালিকধীন ব্যক্তিগত পট্টা ভূমিত চলি থকা বাঘবৰ গৰু বজাৰ সন্দৰ্ভত হস্তক্ষেপ নকৰিবলৈ সংশ্লিষ্ট কৰ্তপক্ষক নিৰ্দেশ দিছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, untill and unless their found to be violating any of the provision of law।

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়টো যিহেতু subjudice, গতিকে আপুনি যদি সন্মত হয় আমি drop out কৰিব লাগিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, violation of any rules, সেই rule খিনি frame হৈ আছে, law খন যেতিয়া enforce হ'ব, তেতিয়া আপোনাৰ কথাটো খাটিব,তেতিয়া আমি নিশ্চয়কৈ ব্যৱস্থা লম।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, law enforce হৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি confuse কৰিব নালাগে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক বিভাগে জনোৱা মতে rule framing হৈ আছে। frame হোৱাৰ পিছতহে তেখেতৰ কথাটো খাটিব।

**মাননীয় অধ্যক্ষ** ঃ Rule is framing।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, section 107 মতে হলে নালাগে।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য মই সেই কাৰণে কৈছো যে আপোনালোকে reference আনিছে আৰু সেইটো sub-judice বুলি উল্লেখ কৰিছে। মই কৈছো যে বিষয়ৰ ওপৰত আপুনি clearification বিচাৰিছে, সেইটো আপুনি পোনপতীয়কৈ প্ৰশ্ন কৰক, সেই মতে মন্ত্ৰীয়ে উত্তৰ দিব। sub-judice বিষয়টো ইয়াত আলোচনা নকৰো।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি rule কি কি frame কৰিম বা কি কি কৰিলে violation হ'ব, কিমান জৰিমনা লগাম,সেই গোটেইখিনিৰ process চলি আছে। যেতিয়া Bill enforce হ'ব, তেতিয়া সদস্য গৰাকীৰ কথাখিনি খাটিব। আজি এই মূহুৰ্তত একো কৰিব নোৱাৰো।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, This has come into force.

**মাননীয় অধ্যক্ষ** ঃ ইতিমধ্যে মন্ত্ৰীয়ে উত্তৰ দিলে যে Rule frame কৰি আছে। আপুনি আজিয়ে কৰিব লাগে বুলি কলে কৰিব নোৱাৰিব। আপুনি যিটো বিচাৰিছে, তেখেতে আপোনাক জনালে আৰু rule হলেহে আপুনি ক'ব পাৰিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ rule 284 ৰ মতে my reply will conclude the motion। গতিকে মই last reply দিছো। মন্ত্ৰীয়ে যিটো rule ৰ কথা কৈছে section 107 of Panchayat Act. it has come into force.

**মাননীয় অধ্যক্ষ** ঃ আপুনি কি বিচাৰিছে, সেইটো কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, section 107 মতে implementation ৰ কাৰণে কোনো rule ৰ প্ৰয়োজন নাই। এই গৰু বজাৰখন যিহেতু আইন ভঙ্গ কৰি আছে section 107 আৰু Cattle Preservation Act গতিকে ব্যক্তিগত গৰু বজাৰখন আজিৰ পৰা বন্ধ কৰিব লাগে আৰু আজি সেইটো ঘোষণা কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যিখিনি আইনৰ কথা কৈছে, তাৰ rule framing হৈ আছে। Rule framing হৈ গলে, rule violate কৰাটো হ'ব পাৰে, মই অস্বীকাৰ কৰা নাই। কিন্তু আজি সেই law violate কৰা বুলি ক'ব নোৱাৰো। যেতিয়া আমি এই পবিত্ৰ সদনত এখন বিল পাছ কৰো, তাৰ পিছত rule framing ৰ কাৰণে সময় লাগে। যোৱা বিধান সভাত আমি এই বিধেয়কখন পাছ কৰিছিলো, সংশোধনী কৰিছিলো। কিন্তু rule framing চলি আছে। rule framing হোৱাৰ পিছত যদি তেখেতে কোৱাৰ ধৰণে violation হয়, তেতিয়া নিশ্চয়কৈ ব্যৱস্থা লোৱা হ'ব। এতিয়া আমি একো ব্যৱস্থা ল'ব নোৱাৰো।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আইনটো হ'ল parent.

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ প্ৰশ্নমতে আপোনাক উত্তৰটো দিয়া হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃমাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইটো হাইকোৰ্টত কেছ চলি আছে, বিষয়টো sub-judice হৈ আছে, যেতিয়ালৈকে কোৰ্টে judgement নিদিয়ে, ইয়াৰ পৰা আমি কোনো সিদ্ধান্ত ল'ব নোৱাৰো।

**माननीय অধ্যক্ষ** ঃ সেই কাৰণে কলো উত্তৰটো দিলে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ শেষত এটা বাক্য কৈছো, মানুহে কোৰ্টত কিয় যাব লগা হ'ল। আইন ভংগ কৰিলে Authority য়ে action নল'লে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ কথাটো আপুনি ৰাখিলেই হৈ গ'ল। মন্ত্ৰীয়ে তেওঁলোকৰ তাত যি তথ্য আছে reply দিলে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ক'ৰ্টটো direct দিলে। আমিতো নাজানো কোনে চলাই আছে। কিন্তু আমি আইনৰ মতে যাম। আমি amendment কিয় কৰিছো যাতে এই Rule Violate কৰিব নোৱাৰে। যদি Rule Voilate কৰা বুলি প্ৰমাণ হয় after completion of amendment of the bill আমি definitely ব্যৱস্থা ল'ম। আজি এইক্ষেত্ৰত কেনেকৈ কৰিম?

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়টো হৈ গ'ল। আপুনি reply দি দিলে। আপুনি সংকল্প প্ৰস্তাৰ উঠাই ল'ব?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বৃহত্তৰ স্বাৰ্থত ২ কোটিকৈ ৰাজহ প্ৰতিবছৰে...

**মাননীয় অধ্যক্ষ** ঃ আপুনি সংকল্প প্ৰস্তাৰটো উঠাই নলওঁ বুলি কলেই হ'ল।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই নলওঁ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মুল প্ৰস্তাৰটোলৈ আহো। প্ৰস্তাৰটো হ'ল মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৰটো সদনৰ সন্মতি আছে নে? যিসকলে সপক্ষে আছে কওঁক, হয়, সিকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো নহয়ৰ সপক্ষে নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংকল্প প্ৰস্তাৰটো নাকচ হ'ল। শ্ৰীদিগন্ত বৰ্মণ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সন্মানীয় পবিত্ৰ সদনত বে-চৰকাৰী সদস্য সকলৰ সংকল্প প্ৰস্তাৰৰ শিতানত মোক আজি এটা সংকল্প প্ৰস্তাৰ উপস্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জনাইছো। মই প্ৰস্তাৰটো সদনৰ জ্ঞাতাৰ্থে মাতি দিছো। অসমত বৰ্তমান প্ৰায় ২১ লাখ পঞ্জীভূক্ত নিৱনুৱা আৰু অ-পঞ্জীভূক্ত কেইবালাখো নিবনুৱা আছে। অষ্টম শ্ৰেণীৰ উত্তীৰ্ণৰ পৰা স্নাতকোত্তৰ উত্তীৰ্ণ পঞ্জীভূক্ত নিবনুৱা যুৱক-যুৱতী সকলে চৰকাৰী চাকৰি পোৱা আশাৰে বিজ্ঞাপন অনুসৰি আবেদন পত্ৰ দাখিল কৰে। ইয়াৰ কিছুসংখ্যকে লিখিত আৰু মৌখিক পৰীক্ষাত অৱত্তীৰ্ণ হৈ কৃতকাৰ্য্যতা লাভ কৰে কিন্তু গৰিষ্ঠ সংখ্যকে চাকৰি লাভ নকৰি পুনৰ বিজ্ঞাপন অনুসৰি আকৌ আবেদন কৰিবলগীয়া হয়। এইক্ষেত্ৰত বহুতো নিবনুৱা যুৱক-যুৱতীয়ে কেইবাবাৰো বিজ্ঞাপন অনুসৰি আবেদন কৰি থাকিব লাগে। এইক্ষেত্ৰত তেওঁলোকতৰ যথেষ্ট অৰ্থৰ প্ৰয়োজন হয় তাৰোপৰি বহুতো পৰিয়ালৰ আৰ্থিক অৱস্থা ভাল নহয়। বহুতো নিবনুৱা যুৱক-যুৱতীয়ে আৰ্থিক দৈন্যতাৰ বাবে বিজ্ঞাপন পালেও আবেদন কৰিবলৈ অসমৰ্থ হয়। তাৰোপৰি তেওঁলোকে পৰীক্ষাত অৱত্তীৰ্ণ হোৱাৰ বাবে প্ৰস্তুতি কৰিব লাগে। সেয়েহে নিবনুৱা যুৱক-যুৱতী সকলৰ অন্যান্য খা-খৰচৰ বাবে তেওঁলোকক যোগ্যতা অনুসৰি নিবনুৱা ভাট্টা দিয়াৰ বাবে অসম বিধান সভাত প্ৰস্তাৰ গ্ৰহণ কৰা হওঁক। মাননীয় অধ্যক্ষ মহোদায়, এই প্ৰস্তাৰটো মই এই কাৰণে উত্থাপন কৰিছো যে আমি দেখিছো অসমত প্ৰায় ২১ লাখৰো অধিক পঞ্জিভূক্ত নিবনুৱা আছে। আৰু বহুতে পঞ্জীয়ণ নকৰাকৈয়ো নিবনুৱা হিচাপে আছে। এইক্ষেত্ৰত আমি দেখো যে অষ্টম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্য্যন্ত এইক্ষেত্ৰত Arts, Science, Com-

merce বা অন্যান্য Technical Engineering, Engineering ৰ বিভিন্ন যিবিলাক curriculam ওলাইছে, সেইবিলাকত তেওঁলোকে বিভিন্ন ক্ষেত্ৰত বিজ্ঞাপনত চাকৰিৰ বাবে apply কৰে। আমি দেখিছো এইটো সঁচা কথা যে ইমান লাখ নিবনুৱাৰ ভিতৰত যেতিয়া এটা competitive examination পাতে বা বিভিন্ন পৰীক্ষা পাতিব তেতিয়া ইয়াতে বহুতে ইয়াত apply কৰিবলগীয়া হয়। এটা কথা যে মেধাৰ ভিত্তিত হ'লে খুৱ কম সংখ্যকে পায়। এনেকুৱা নহয় যে প্ৰথমবাৰ নাপালে তেওঁলোক পঢ়াতো ভাল নহয়, আকৌ চেষ্টা কৰে ভাল হোৱাৰ কাৰণে কৰি থাকিব লগীয়া হয়। আৰু এই ক্ষেত্ৰত চৰকাৰে হয় কিছুমান আঁচনি দিছে unemployed youth ৰ কাৰণে। গাড়ীৰ লোন দিব বা কিবা-কিবি অন্যান্য IBS দিয়ে। কিন্তু যিবিলাক ল'ৰা-ছোৱালীয়ে পঢ়াৰ কাৰণে competitive examination য়েই হওঁক বা চাকৰিৰ কাৰণে ইচ্ছা প্ৰকাশ কৰে সেই বিলাকত যাব নোৱাৰে পুনৰ পঢ়ি থাকিবলগীয়া হয়। পঢ়াৰ কাৰণে আমি দেখিছো তেওঁ apply কৰিব লাগিব দু-এখন কিতাপো কিনিব লাগে আৰু আজিকালি মোবাইলৰ কাৰণে net ও ভৰাব লগা হয় এটা সামান্য খৰচ সেইসকল নিবনুৱা, যিসকল নিবনুৱাই পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচাৰে চাকৰিৰ ক্ষেত্ৰত তেওঁলোকক এটা মাহেকীয়া ভাট্টা দিব লাগে। এইক্ষেত্ৰত আমি দেখিছো যে বিদেশত আয়াৰলেণ্ড, জাৰ্মানীত আমি ইণ্টাৰনেট চালে গম পাওঁ যে কিছুমানত ভাট্টা দি আছে। কিন্তু আমাৰ ভাৰতবৰ্ষৰো অন্যান্য ৰাজ্যৰ ক্ষেত্ৰত দেখিছো কিছুমান ৰাজ্যত যেনে- বিহাৰ, চট্টীশগড়, হাৰিয়ানা, মনিপুৰ, মিজোৰাম, মেঘালয়া, আন্দামান, দিল্লী, পদুচেৰীত এটা নিৰ্দিষ্ট আওতাত তেওঁলোকক এটা সামান্য ভাৱে হ'লেও ভাট্টা এটা প্ৰদান কৰে। এইক্ষেত্ৰত এটা কথা ক'ব বিচাৰিছো যে লোক সভাতো ২০১৯ চনত Su Thirunavukkasar এজন সাংসদে Private Member Bill আনিছিল। The Unemployed Allowance Bill, 2019 আনিছিল। একেদৰে ৰাজীৱ ছাটক নামৰ এজন সাংসদেও Private Member Bill এখন ২০১৮ চনত আনিছিল parliament ত। হয়তো সেইখন গৃহীত নহ'ল। মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাই এই সদনত এটা প্ৰস্তাৱ ৰাখিব খুজিছো। অসমৰ যিসকল শিক্ষিত নিবনুৱাই আগন্তুক সময়ত তেওঁলোকে এইসমূহ পৰীক্ষা দিব বিচাৰে বিজ্ঞাপন অনুসৰি বা যিসকল Class 8 ৰ পৰা স্নাতকোত্তৰ পৰ্য্যন্ত তেওঁলোকৰ মই exactly ক'ব নাযাও কাৰণ class 8 ত পঢ়া ল'ৰাটোৱে কোনখিনি পাব, বি. এ., বি এচ চি পাছ কৰা জনে হয়তো বেছি পাব পাৰে, এম. এ পাছ কৰা জনে অলপ বেছি পাব পাৰে, Engineering, Graduate বা M. Tech কৰা জনে হয়তো বেছি পাব পাৰে। আপুনি দেখিব যে মেডিকেলত চাকৰি কৰা ডাক্তৰ সকলৰ কোনো অভাৱ নাই। কিন্তু Engineering কৰা ল'ৰা ঘৰতে বহি আছে. এইটো সঁচা কথা। কিন্তু Paramedical, Laboratory Technician, অন্যান্য X-Ray technician ইত্যাদি তেওঁলোকো বহি থাকিবলগীয়া হৈছে। তেওঁলোকৰ ক্ষেত্ৰত এখন কমিটি কৰি চৰকাৰে চালিজাৰি চাই তেওঁলোকক এটা নিবনুৱা ভাট্টা দিব পাৰি নেকি মাহেকত খুৱ বেছি পইচাও নহয়। এইক্ষেত্ৰত সদনে ব্যৱস্থা ল'ব বুলি আশা ৰাখিছো এইক্ষেত্ৰত মই প্ৰস্তাৱটো দাঙি ধৰিলো ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা সকলক সংস্থাপন দিবলৈ এইখন চৰকাৰে আজিলৈকে প্ৰায় ৯৫ হাজাৰৰ অধিক যুৱক-যুৱতীক চাকৰি দিয়াৰ ব্যৱস্থা কৰিলে। এইখন বিধান সভাতেই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৈছিল যে ১০ লাখ ল'ৰা-

ছোৱালীক আমাৰ চৰকাৰখনে চৰকাৰী চাকৰিত নিযুক্তি দিব। মই ক'বলৈ পাই অত্যন্ত গৌৰৱান্বিত অনুভৱ কৰিছো যে এই সংখ্যাটো ইতিমধ্যে ৯৫ হাজাৰ সম্পূৰ্ণ হ'ল আৰু অহা দুবছৰত অতি কমেও ৩৫ হাজাৰ অসমৰ নিবনুৱা যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিব। এতিয়া আমাৰ Employment Exchange ত নাম ভৰ্ত্তি কিয় বেছি হৈছে। নিয়োগ বিনিময় কেন্দ্ৰত কিয় enrollment বা নাম ভৰ্ত্তি বেছি হৈছে। আগতে চাকৰি পাম বুলি অধ্যক্ষ ডাঙৰীয়া কোনেও ভৰষাই কৰা নাছিল। আগতে আমি দেখিছিলো যে লাখ লাখ টকা দি চাকৰি ল'ব লগা হয়। গতিকে ল'ৰাই ছোৱালীয়ে চাকৰি পাম বুলি আশাটো বাদ দি দিছিল আৰু বহুত ল'ৰা-ছোৱালীয়ে অসমৰ পৰা বাহিৰলৈ ওলাই গুচি গৈছিল। অসমত সেই পৰিবেশটো ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰ খনে নাইকীয়া কৰিলে আৰু অসমীয়া ল'ৰা ছোৱালীয়ে চাকৰি পাবলৈকে অসমলৈকে ঘুৰি আহিল আৰু বিভিন্ন ক্ষেত্ৰত বিভিন্ন বিভাগত চাকৰি পোৱাৰ ব্যৱস্থা হ'ল। মাননীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমি মাচুল অসম চৰকাৰে কৰ্মচাৰীৰ বাবে ইতিমধ্যে তৃতীয়বৰ্গৰ ৭ হাজাৰ ৬ শ টা আৰু চতুৰ্থবৰ্গৰ ৫ হাজাৰ টা খালী পদৰ নিযুক্তি পৰীক্ষাৰ আবেদন মাচুল ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। মাচুল আমি লৈছিলো কিন্তু যিজনে চাকৰি পোৱা নাই মাচুল আমি ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিছো। এইখন চৰকাৰে মহিলা সকলক আত্মনিৰ্ভৰশীল কৰিবলৈ বিভিন্ন আঁচনি হাতত লৈছো। অৰুণোদয়ৰ ব্যৱস্থা কৰিছো। যুৱক যুৱতীসকলক আমি স্বাবলম্বী কৰিবলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমৰ ব্যৱস্থা কৰিছো । প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৃষকক কৃষক সন্মান নিধি দিছে। গতিকে আমি খুব সচেতন। এইখন চৰকাৰে সমাজৰ প্ৰত্যেকটো অংশক কেনেকৈ সহায় কৰিব পাৰে। তাৰ কাৰণে আমি বদ্ধপৰিকৰ তাৰ বাবে আমি কাম কৰি আছো। অধ্যক্ষ ডাঙৰীয়া খাদ্য সুৰক্ষাৰ চাউল যেতিয়া আৰম্ভ হৈছিল তেতিয়া তিনি টকা আছিল। আমাৰ চৰকাৰ অহাৰ পিচত আমি খাদ্য সুৰক্ষাৰ চাউল বিনামূলীয়া কৰি দিলো। আমাৰ ছোৱালীসকলক আমি স্কুটী দিলো , ভাল ৰিজাল্ট কৰিলে ল'ৰাক স্কুটী দিওঁ । এইবাৰৰ পৰা যিসকল ল'ৰা ছোৱালীয়ে মেট্ৰিক- হায়াৰচেকেণ্ডৰী, বিএ পাছ কৰিব তেওঁলোকক আমি বছৰি ১০ হাজাৰ টকা দিম। মুঠতে বিভিন্ন ক্ষেত্ৰত বিভিন্ন বিভাগৰ যোগেদি অসমৰ দুখীয়া ব্যক্তিসকলক এইখন চৰকাৰে সহায় কৰিবলৈ বিভিন্ন প্ৰচেষ্টা হাতত লৈছে । গতিকে এই মূহুৰ্ত্তত আমি এনেকুৱা সিদ্ধান্ত লোৱা নাই নিবনুৱা ভাট্টা দিম বুলি কিন্তু আমি বিভিন্ন প্ৰক্ৰিয়াৰে নিবনুৱাসকলক সহায় কৰিবলৈ প্ৰয়াস কৰিছো । সন্মানীয় অধ্যক্ষ ডাঙৰীয়া , আমাৰ চৰকাৰৰ এই প্ৰয়াস চলি থাকিব। গতিকে এই মূহুৰ্ত্তত যদিও আমি ভাট্টা দিয়াৰ কথা ভবা নাই কিন্তু আত্মনিৰ্ভৰ অসমৰ যোগেদি ল'ৰা ছোৱালী আত্মনিৰ্ভৰ হওঁক আৰু মহিলা উদ্যমিতা আঁচনিৰ যোগেদি মহিলাসকলে আত্মসহায়ক গোটৰ টকা লাভ কৰি স্বাৱলম্বী হওঁক তাৰ কাৰণেহে আমি এইখন চৰকাৰে কাম কৰিছো আৰু আগলৈ কাম কৰি যাম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ---- এতিয়া মাননীয় সদস্যগৰাকীয়ে উঠাই ল'বনে ?

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰটো পালো। আমি সামান্যতম ভাট্টা এটা দিয়াটো বিচাৰিছিলো। অৰুণোদয় দিছে আপোনালোকে ১২৫০ টকা । সামান্যতম ভাট্টা এটা পালে তেওঁলোকে অন্তত কম্পিটিশ্যন চাকচেচখন কিনিব পাৰিব বা দৰকাৰী কিতাপ কেইখন কিনিব পাৰিব । সেই কাৰণে আমি এই কথাটো মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি ক'ব বিচাৰিছো । মই চৰকাৰক পুনৰবাৰ এই কথাটো বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো ।আৰু এইখিনি কৈ মই মোৰ প্ৰস্তাৱটো উঠাই লৈছো । ধন্যবাদ ---- ।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ, প্ৰস্তাৱটো উঠাই লৈছে- দেৱব্ৰত শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসময়ত কেন্দ্ৰীয় চৰকাৰে ইঞ্জিনিয়াৰিঙ আৰু মেডিকেলৰ পাঠ্যক্ৰম মাতৃভাষা মাধ্যম কৰিবলৈ বিচাৰিছে । সেই সময়ত অসমত গণিত আৰু বিজ্ঞানৰ পাঠ্যক্ৰম ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজীত কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। আজি পবিত্ৰ বিধান সভাত সৰ্ব্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক যে যিসকলে পঢ়িব বিচাৰে তেওঁলোকক ইংৰাজীত পঢ়িবলৈ দিব লাগে আৰু যিসকলে মাতৃভাষা মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকক মাতৃভাষা মাধ্যমত পঢ়িবলৈ সুযোগ দিব লাগে। মহোদয়, এই প্ৰস্তাৱটো মই আজি আলোচনালৈ অনাৰ বাবে ধন্যবাদ দিছো । প্ৰকৃততে দুদিনমান আগতে আহিব বুলি আশা কৰিছিলো যিহেতু ২১ ফেব্ৰুৱাৰীত আমি আৰ্ন্তজাতিক মাতৃভাষা দিবস পালন কৰিলো। আমাৰ অসমীয়া মাধ্যমৰ অসমৰ স্কুলসমূহৰ আৰু অন্য দুটামান প্ৰসংঙ্গ লৈয়ে মই দুআষাৰমান ক'ম। এই বিধান সভাতে আমি আলোচনা কৰি আছো যে আমাৰ অসমীয়া মাধ্যমৰ স্কুলসমূহৰ যথেষ্ট অসুবিধা আছে। চৰকাৰে পিএম চি আঁচনিৰ অধীনত কিছু পূৰণ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু সেইখিনি যথেষ্ট সীমিত  যোৱা কালি বাতৰিত প্ৰকাশ পাইছে মোৰ সমষ্টিতে দুইমাহ আগতে যি বৰষুণ হৈছিল, তাত ষাঠিখনমান স্কুলৰ টিনপাত বেয়া হ'ল আৰু এতিয়া বছৰেকীয়া পৰীক্ষা  ষ্টুডেন্টে দি আছে এই ফুটা টিনপাত মূৰত লৈ । তেনেকৈ বহু স্কুলত ডেস্ক বেঞ্চৰ অভাৱ,  বহু স্কুলত অতিৰিক্ত শ্ৰেণীকোঠাৰ অভাৱ, বহু স্কুলত এতিয়াৰ ৰেচিওটো ভাল হৈ থকা নাই । কিন্তু স্কুলত খাদ্য বন্ধ কৰি দিয়া হৈছে। অসমীয়া মাধ্যমৰ স্কুলসমূহ এনেধৰণৰ বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে। এইখিনি সময়তে চৰকাৰীভাৱে কিছু পদক্ষেপ লোৱা হৈছে  যিখিনি আমাৰ ৰাজ্যখনৰ মাতৃভাষা মাধ্যমৰ স্কুল বা মাতৃভাষা মাধ্যমটো কেনেকৈ আগুৱাই লৈ যাব পাৰিম সেইটো আমাৰ চিন্তা হৈছে। মহোদয় বৰ্তমান নতুন শিক্ষা নীতিৰ চতুৰ্থ বছৰ চলি আছে আৰু এই শিক্ষা নীতিত মাতৃভাষাক যথেষ্ট গুৰুত্ব দিয়া হৈছে। অসম কেবিনেটে ২৮ জুলাই, ২০২৩ চনত গণিত আৰু বিজ্ঞান, ইংৰাজী মাধ্যমত ক্লাছ থ্ৰিৰ পৰা কৰা হ'ব বুলি কোৱা হৈছিল আৰু তেতিয়া এই বিধান সভাত ১৩ চেপ্টেম্বৰত এডজৰ্নমেন্ট অনা হৈছিল। তেতিয়া কোৱা হৈছিল যে আমি এই দুটা বিষয়ৰ ওপৰতহে মাধ্যমটো ইংৰাজী কৰিছো। সম্পূৰ্ণ কোৰ্ছটো নহয়। মহোদয়, যদিও তেনেকৈ কোৱা হ'ল  কিন্তু এতিয়া ষষ্ঠ শ্ৰেণীৰ পৰাহে কৰিব বুলি কোৱা হৈছে। অসমত ব্যক্তিগত খণ্ডৰ চিবিএচই কোৰ্ছৰ যথেষ্ট স্কুল আছে । চৰকাৰী ভাবেও ইংৰাজী বা হিন্দী মাধ্যমত স্কুলৰ পৃষ্ঠপোষকতা কৰা হৈছে । ১৯৯৮ চনত কানাডাৰ দুজন ব্যক্তিয়ে ইউনাইটেড নেশ্যনৰ  প্ৰাক্তন সচিব প্ৰধান কফি আন্নানক কৈছিল যে ২১ ফেব্ৰুৱাৰীটো আৰ্ন্তজাতিক মাতৃভাষা দিৱস হিচাপে স্বীকৃতি দিব লাগে। সেই অনুসৰি ১৯৯৯ চনৰ পৰাই ইউনেস্কই আৰ্ন্তজাতিক মাতৃভাষা পালন কৰি আহিছে। আমি সকলোৰ জানো যে আমাৰ মাতৃ ভাষাটো যথেষ্ট গুৰুত্বপূৰ্ণ  । যিটো ধৰ্মক ভিত্তি কৰি পাকিস্থান গঠন হৈছিল আমি সকলোৰে জানো । কিন্তু ধৰ্মই এই পাকিস্থানক একত্ৰিত কৰি ৰাখিব নোৱাৰিলে। জিন্না চাহাবে ১৯৪৮ চনত উৰ্দু ভাষাই পাকিস্থানৰ ৰাষ্ট্ৰীয় ভাষা হ'ব বুলি ঘোষণা কৰিছিল। ১৯৪৮ চনৰ ২৪ মাৰ্চত ঢাকা ইউনিৰ্ভাচিটিত  উৰ্দু ভাষাটোকে  পাকিস্থানৰ একমাত্ৰ ভাষা বুলি ঘোষণা কৰিলে । তাৰ পৰৱৰ্ত্তী সময়ত ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীত ঢাকা ইউনিৰ্ভাচিটিত হোৱা প্ৰতিবাদত বিভিন্ন ছাত্ৰ ছাত্ৰীয়ে প্ৰাণ হেৰুৱাইছিল। তাৰ পিছত বাংলাদেশ কেনেকৈ গঠন হ'ল আমি জানো। অসমতো ১৮৩৬ চনৰ পৰা ১৮৭৪ চনলৈ অসমৰ মাতৃভাষাই চৰকাৰী ভাষাৰ মৰ্য্যদা হেৰুৱাইছে। তাৰ পিচত ষ্টেট অৰ্গেনাইজেশ্যন এক্টৰ বাবে ৰাষ্ট্ৰসমূহ ভাষাৰ ভিত্তিত গঠন কৰা হ'ল। সেই সময়ত বেঙ্গলী, মুছলমান সকলেও মাতৃভাষা অসমীয়া বুলি চেনচাচত উল্লেখ কৰিছিল। এইয়া আমাৰ

অসমৰ ইতিহাসত লিপিবদ্ধ হৈ আছে। ১৯৩১ চনত অসমত চেনচাচ ৰিপোর্টত অসমীয়া ভাষাৰ সংখ্যা ৩১.৪২ শতাংশ আৰু ১৯৫১ চনত ৫৬.৬৯ শতাংশ হৈছিল। মহোদয় যেতিয়া ১৯৫৯ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহাৰলাল নেহৰু গুৱাহাটীলৈ আহিছিল, তেতিয়া আমাৰ ছাত্ৰসকলেও অসমৰ ৰাজ্য ভাষা অসমীয়া হ'ব লাগে বুলি দাবী কৰিছিল। প্ৰদেশ কংগ্ৰেছৰ ফালৰ পৰাও প্ৰস্তাৱ দিয়া হৈছিল। ১৯৬০ চনত বিমলা প্ৰসাদ চলিহা ডাঙৰীয়াৰ নেতৃত্বত অসমীয়া ভাষাটো ৰাজ্যিক ভাষা বুলি ঘোষণা কৰা হৈছিল। যেনেকৈ এক দেশ এক ভাষা কৰিবলৈ চেষ্টা কৰা হৈছিল, ইয়াৰ ফলত কিছুমাম ৰাজ্যত হিন্দী ভাষা জাপি দিয়াৰ বাবে কিছু নেতিবাচক পৰিবেশৰ সৃষ্টি হৈছে । পাকিস্থানত হোৱা ভুলৰ নিচিনা যাতে নহয় সেইটো আমি চাব লাগিব। গতিকে মাতৃভাষাৰ বিদ্যালয়সমূহ যাতে মাতৃ ভাষাতে আমি কৰিব পাৰো তাৰ বাবে এই চৰকাৰৰ পৰা মই যথেষ্টখিনি আশা কৰো আৰু চৰকাৰে এই ক্ষেত্ৰত মনোনিবেশ কৰিব বুলি মই আশা কৰিছো । ২০২১ চনত বিধান সভা নিৰ্বাচনৰ পূৰ্বে প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়া অসমলৈ আহি কৈছিল যে, টেকনিকেল আৰু মেডিকেল অসমীয়া ভাষাত পঢ়িব পাৰিব । এই ক্ষেত্ৰত চৰকাৰে যোৱা সময়ছোৱাত কি পদক্ষেপ লৈছে আমি জানিব পৰা নাই । নিউ এডুকেশ্যন পলিচি, ২০২০ চনত গ্ৰহণ কৰাৰ পিচত নতুন দিল্লীত মোদী ডাঙৰীয়াই কৈছিল যে, ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ চনৰ অধীনত মাতৃভাষাৰ ব্যৱহাৰে অসমৰ ছাত্ৰ ছাত্ৰীৰ বাবে এক নতুন যুগৰ সূচনা কৰিব । তেখেতে ইয়াক সামাজিক দিশত অতি উল্লেখযোগ্য পদক্ষেপ বুলি ঘোষণা কৰিছে। যিকোনো ছাত্ৰ ছাত্ৰীৰ প্ৰতি আজি সৰ্ব্বাধিক অন্যায় হৈছে যে তেওঁলোকৰ সাৰ্মথ্যৰ পৰিৱৰ্ত্তে ভাষাৰ ওপৰত ভিত্তি কৰি জোৰ দিব বিচৰাটোত প্ৰধানমন্ত্ৰীয়ে কৈছিল মাতৃভাষাৰ শিক্ষাই ভাৰতৰ ছাত্ৰ ছাত্ৰীৰ নতুন ন্যায়ৰ সূচনা কৰিছে । বিশ্বৰ বহু ৰাষ্ট্ৰই নিজৰ স্থানীয় ভাষাৰ বাবে অতি উচ্চ খাপলৈ যোৱা বুলি তেওঁ আঙুলিয়াই দি কৈছিল যে বেছিভাগ দেশে নিজৰ ভাষাটোকে ব্যৱহাৰ কৰে। যদিও ভাৰতবৰ্ষত প্ৰতিষ্ঠিত ভাষাৰ শৃংখল আছে, সেইবোৰ পিছপৰা হিচাপে প্ৰতিষ্ঠিত কৰা হৈছিল আৰু ইংৰাজী ক'ব নোৱাৰাসকলক অৱহেলিত কৰা হৈছিল তেওঁলোকৰ প্ৰতি কোনো ধৰণৰ স্বীকৃতি দিয়া হোৱা নাছিল । এনেধৰণে কোৱাৰ পিচত আমি যদি এতিয়া ইংৰাজী ভাষাক গুৰুত্ব দিওঁ, তেনেহ'লে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু মাননীয় প্ৰধান মন্ত্ৰীৰ আহ্বানক আমি আওকান কৰা হ'ব। গতিকে অসমীয়া মাধ্যমৰ বিদ্যালয়ত যিবিলাক অসুবিধা আছে , লগতে নিউ এডুকেশ্যন পলিচি অনুসৰি টাই ভাষা, মিচিং ভাষা আদিকে ধৰি যিমানবিলাক ভাষা আছে এই সকলোখিনি ভাষাৰ জৰিয়তে শিক্ষাৰ সুবিধাখিনি যাতে অসম চৰকাৰে দিয়ে তাৰ বাবে আজি মই এই প্ৰস্তাৱযোগে সংকল্প প্ৰস্তাৱ আনিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক ।

**ড° ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বহুবাৰ বহু মঞ্চত আৰু বিধান সভাতো এই কথাটো কৈছো যে মাতৃ ভাষাক লৈ আমাৰ কোনো বিতৰ্ক নাই। বৰঞ্চ এই চৰকাৰৰ দিনত যিবিলাক সৰু সৰু জনগোষ্ঠীৰ মাতৃভাষা উপেক্ষিত হৈ আছিল, সেই মাতৃভাষা সমূহতো শিক্ষাদানৰ কাৰণে নতুন শিক্ষানীতিৰ অধীনত পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ যদি ইতিহাস চাই, বড়োসকলে এদিন মাতৃভাষাৰ কাৰণে আন্দোলন কৰিব লগা হৈছিল আৰু ১৮ জনকৈ শ্বহীদ হৈছিল। ১৯৭১-৭২ চনত অসমত ভাষা আন্দোলন হৈছিল। কিন্তু আজি ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত য'ত য'ত মানুহে বিচাৰিছে সকলোতে আমি মাতৃভাষাক প্ৰাধান্য দি আগুৱাই গৈছো। অপ-প্ৰচাৰ এটা চলোৱা হয় যে মাতৃভাষাৰ শিক্ষানুষ্ঠান চৰকাৰে বন্ধ কৰিব ওলাইছে।

কিন্তু চৰকাৰে ক'তো মাতৃভাষাৰ শিক্ষানুষ্ঠান বন্ধ কৰা নাই। বৰঞ্চ নতুন নতুন মাতৃভাষাৰ শিক্ষানুষ্ঠান এইখন চৰকাৰে কৰিছে। যোৱা বছৰ চাহবাগানত ১১৮ খন চাহবাগিচা আদৰ্শ বিদ্যালয়, অসমীয়া মাধ্যমৰ বিদ্যালয় আমি প্ৰতিষ্ঠা কৰিছো। মাননীয় ৰাষ্ট্ৰপতি ডাঙৰীয়াই আহি আৰু এশ খন অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ আধাৰশিলা প্ৰতিষ্ঠা কৰি থৈ গ'ল আৰু এতিয়া তাৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে। গতিকে দুশৰো অধিক নতুন অসমীয়া মাধ্যমৰ বিদ্যালয় চৰকাৰে প্ৰতিষ্ঠা কৰিছে। চৰকাৰে মাতৃভাষা মাধ্যমৰ প্ৰায় চাৰিশ পঞ্চাশখন বিদ্যালয়ত সাত কোটি কৈ ব্যয় কৰি নতুনকৈ নিৰ্মাণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। অহা এক তাৰিখৰ পৰা আধাৰশিলা স্থাপনৰ এক বিশাল পদক্ষেপ আৰম্ভ হ'ব। এই চৰকাৰৰ দিনত মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত যি গুৰুত্ব লাভ কৰিছে, সেই গুৰুত্ব ইয়াৰ আগত কেতিয়াও লাভ কৰা নাছিল। কিন্তু প্ৰশ্নটো হ'ল যে মাতৃভাষা মাধ্যমৰ লগতে আমি নীতিটো এনেকুৱাকৈ গ্ৰহণ কৰা নাই যে কেৱল এটা ভাষাতহে আমাৰ গোটেই শিক্ষা ব্যৱস্থাটো হ'ব। ভাৰতবৰ্ষ এখন বহু ভাষিক ৰাষ্ট্ৰ। উচ্চ শিক্ষাৰ বাবে ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা আছে। গতিকে মাতৃভাষাৰ লগে লগে ইংৰাজী ভাষাটোও যাতে শিকাই নিব পৰা যায় তাৰ কাৰণে চৰকাৰে ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত কেৱল দুটা বিষয় বিজ্ঞান আৰু গণিত প্ৰৱৰ্তন কৰিছিলে। ইয়াৰ পিছত বিভিন্ন সাহিত্য সভা আৰু শিক্ষক সমাজৰ লগত আলোচনা কৰা হ'ল। মই আজি জনাব বিচাৰিছো যে ইতিমধ্যে আমাৰ গুণোৎসৱ হৈ গৈছে আৰু বি টি আৰৰ কিছু বিদ্যালয় বাদ দি প্ৰায় সকলো বিদ্যালয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী, গণিত আৰু বিজ্ঞানৰ ইংৰাজী ভাষাত অহা প্ৰশ্নৰ উত্তৰ ইংৰাজী ভাষাতেই দিছে। কেইদিনমান অপেক্ষা কৰিলে গুণোৎসৱৰ ফলাফল ওলাই যাব আৰু গুণোৎসৱৰ ফলাফল ওলাই গ'লে আমি গম পাম যে গণিত আৰু বিজ্ঞানৰ কিতাপ খন ইংৰাজী ভাষাত দিয়াৰ কাৰণে তাৰ সু-প্ৰভাৱ পৰিছে নে কু-প্ৰভাৱ পৰিছে। আমাৰ চৰকাৰখন সংবেদনশীল, গণতান্ত্ৰিক আৰু দায়িত্বশীল। আমি সকলোৰে কথা শুনো আৰু 'সৱকা সাথ আৰু সৱকা বিকাশ' নীতিত বিশ্বাস কৰো। সেইকাৰণে সকলো পক্ষৰ কথা-বতৰা শুনাৰ পিছত আৰু সাহিত্য সভাসমূহৰ লগত আলোচনা কৰাৰ পিছত আমি এটা সিদ্ধান্ত ল'লো যে আমাৰ ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথিকেইখন দ্বি-ভাষিক হ'ব। অৰ্থাৎ মাতৃভাষাৰ মাধ্যমতো থাকিব আৰু ইংৰাজী ভাষাতো থাকিব। কিতাপখনৰ এটা পৃষ্ঠাত অসমীয়া থাকিব আৰু আনটো পৃষ্ঠাত ইংৰাজী থাকিব। আগন্তুক শিক্ষা বৰ্ষৰ কাৰণে এনেদৰে কিতাপ প্ৰস্তুত কৰিবলৈ মই যোৱা ১৬ তাৰিখে ফ্লেগ অফ কৰিলো আৰু বিভিন্ন জিলালৈ কিতাপসমূহ পঠিয়াইছো। মই আজি সদনৰ মজিয়ালৈ কিতাপৰ নমুনা লৈ আহিছো। এইখন আমাৰ দ্বি-ভাষিক গণিতৰ কিতাপ। ইয়াত গণিত বুলিও আছে আৰু Mathematics বুলিও লিখা আছে। কিতাপখন যদি মেলি দিয়ে কিতাপ খনৰ এটা পৃষ্ঠাত ইংৰাজীত আছে আৰু আনটো পৃষ্ঠা অসমীয়াত আছে। গতিকে ছাত্ৰ-ছাত্ৰীৰ যেনেকৈ সুবিধা হয় তেওঁলোকে অসমীয়াতো পঢ়িব পাৰিব আৰু তাৰ লগত তুলনা কৰি ইংৰাজীতো পঢ়িব পাৰিব। এতিয়া ছাত্ৰ-ছাত্ৰী জনে কি ভাষাত পঢ়িব সেইটো আমি নিৰ্দ্দেশনা নিদি ছাত্ৰ-ছাত্ৰীলৈ এৰি দিম। উত্তৰ দিয়াৰ ক্ষেত্ৰত প্ৰশ্ন কাকতো দ্বি-ভাষিক হ'ব আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সম্পূৰ্ণ স্বাধীনতা থাকিব। আমি য'ত আঠটা মাধ্যমত বিদ্যালয় পৰিচালনা কৰো, এই বছৰ আমি তিনিটা ভাষা অসমীয়া, বেঙ্গলী আৰু বড়ো ভাষাৰ দ্বি-ভাষিক পাঠ্যপুথি ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ বাবে ইতিমধ্যে বিভিন্ন জিলালৈ প্ৰেৰণ কৰিছো। আগন্তুক শিক্ষা বৰ্ষত সকলো ছাত্ৰ-ছাত্ৰীয়ে গণিত আৰু বিজ্ঞানৰ পাঠ্যপুথি দ্বি-ভাষিক ৰূপত লাভ কৰিব। মই কিতাপৰ নমুনা কেইটা মাননীয় অধ্যক্ষ মহোদয়ক দিব বিচাৰিছো যাতে আমাৰ মাননীয় সদস্যসকলে কিতাপৰ

নমুনাসমূহ চাব পাৰে। তেওঁলোকৰ কোনো দিহা-পৰামৰ্শ থাকিলে আগবঢ়াব পাৰে। লগতে আমি আগন্তুক শিক্ষা বৰ্ষৰ পৰা আমাৰ যি ক্ষুদ্ৰ জনগোষ্ঠী আছে, যেনে- মিচিং, কাৰ্বি, ডিমাচা,তিৱা, দেউৰী, ৰাভা আদি ভাষাসমূহতো ইতিমধ্যে প্ৰাক্-প্ৰাথমিকৰ পাঠ্যপুথি প্ৰস্তুত কৰিছো। প্ৰাক্-প্ৰাথমিকৰ পৰা প্ৰাথমিক পৰ্য্যায়ৰ পঞ্চম শ্ৰেণীলৈ লৈ যোৱাৰ আৰু পঞ্চম শ্ৰেণীৰ পিছত যাতে তেওঁলোকে প্ৰয়োজন সাপেক্ষে ৰিজ'নেল লেঙ্গুৱেজ বা ইংৰাজী মাধ্যমলৈ বদলি হ'ব বিচাৰে তাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছো। আমি এইখিনি নিশ্চিতভাৱে কাৰ্য্যকৰী কৰিম। গতিকে মাতৃভাষাৰ মাধ্যম আমাৰ চৰকাৰৰ দিনত আগুৱাই গৈছে। মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ কথা কৈছে। ভাৰত চৰকাৰে Translation ৰ এটা বৃহৎ প্ৰজেক্ট লৈছে। আমাৰ কাৰিকৰী কিতাপ ইঞ্জিনিয়াৰিঙৰ বিভিন্ন ভাৰতীয় ভাষালৈ Translation সম্পূৰ্ণ হৈ গৈছে আৰু ইয়াক All India Council of Technical Education এ Artificial Intelligence ৰ দ্বাৰা তদাৰক কৰিছে । তেওঁলোকে এটা Artificial Intelligence থকা অনুবাদিনী নামৰ চফ্টৱেৰৰ দ্বাৰা পাঠ্যপুথিসমূহ অনুবাদ কৰিছে। ঠিক একেদৰে মেডিকেল কিতাপৰ ও অনুবাদ সম্পূৰ্ণ হ'ব। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক বৃহৎ স্বাধীনতা থাকিব যে তেওঁলোকে বিষয়টো আয়ত্ব কৰাৰ বাবে নিজা মাতৃভাষা আৰু ইংৰাজী দুয়োটাৰে ব্যৱহাৰ কৰিব পাৰে। যিসকলে নিজৰ মাতৃভাষাৰ মাধ্যমত আয়ত্ব কৰিব বিচাৰে তেওঁলোকৰ বাবে মাতৃভাষাৰ মাধ্যমো উপলব্ধ কৰোৱা হ'ব। অসম চৰকাৰে যিহেতু ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰিছে আমি সেই শিক্ষানীতিৰ নীতি-নিৰ্দ্দেশনা মতে আগুৱাই যাম। ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, মই কিতাপকেইখন আপোনালৈ আগবঢ়াই দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। মই আৰু দুটামান কথা তেখেতৰ পৰা জানিব বিচাৰিছো যে দিল্লী বা বিভিন্ন অঞ্চলত তামিলনাডু, কৰ্ণাটক আদিৰ যিসকল কৰ্মৰত লোক আছে, তেখেতসকলৰ নিজৰ মাতৃভাষাৰ বাবে স্কুল থাকে। প্ৰয়োজন সাপেক্ষে আমাৰ অসমৰ পৰা বহু লোক সংস্থাপনৰ কাৰণে বাঙ্গালুৰু, পুণে, দিল্লী আদিলৈ যায়। অসমীয়া লোকসকলৰ বাবে প্ৰয়োজন সাপেক্ষে এনেকুৱা অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰিব নেকি যাতে তেওঁলোকৰ মাতৃভাষাৰ পৰা সংযোগ বিচ্ছিন্ন নহয়। বাগানত যিবিলাক স্কুল নিৰ্মাণ কৰা হ'ল তাৰ বাবে নতুন নিযুক্তি দিয়া হ'ব নেকি? কাৰণ ওচৰ-পাজৰৰ স্কুলৰ পৰা শিক্ষক নি বহু সময়ত পাঠদান কৰাই থকা হৈছে। যাৰ ফলত বহু স্কুলত বহু ক্ষতিও হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**ড° ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাথমিক পৰ্য্যায়ৰ কাৰণে পাঁচ হাজাৰ পাঁচ শ সহকাৰী শিক্ষকৰ পদৰ কাৰণে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। মাধ্যমিক পৰ্য্যায়ৰ আঠ হাজাৰ গ্ৰেজুৱেট আৰু পোষ্ট-গ্ৰেজুৱেট শিক্ষকৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। নিযুক্তি প্ৰক্ৰিয়া চলি আছে আৰু এইবাৰৰ এই নিযুক্তিৰ পিছতেই আমি এটা খুব কঠোৰ Rationalisation কৰিম যাতে প্ৰত্যেক বিদ্যালয়ে শিক্ষক পায়। ইয়াৰ পিছত যদি দেখা যায় যে নতুনকৈ স্থাপন কৰা যিবিলাক আদৰ্শ বিদ্যালয় আছে, তাৰোপৰি চাহবাগিচা অঞ্চলত বাগান মালিকৰ কৰ্তৃত্বত থকা চাৰিশ বিশ খন স্কুল যি অসম চৰকাৰৰ অধীনলৈ আনিলো, সেইখিনিত যদি অতিৰিক্ত শিক্ষকৰ প্ৰয়োজন আছে নিশ্চিতভাৱে চৰকাৰে পদ সৃষ্টি কৰিব। কিন্তু আগতে আমি এটা পৰ্য্যালোচনা কৰি ল'ব বিচাৰিছো যে এই তেৰ হাজাৰ নিযুক্তিৰ পিছত Rationalisation

কঠোৰ ভাৱে কৰিম। এই Rationalisation ৰ পিছত যদি প্ৰয়োজনীয়তা দেখা দিয়ে, চৰকাৰখনে নিশ্চিতভাৱে পদ সৃষ্টি কৰিব। অসমৰ বাহিৰত অসমীয়া মাধ্যমৰ স্কুল খোলাৰ বাবে যদি দাবী আহে আৰু বহনক্ষম ছাত্ৰ-ছাত্ৰী লাভ কৰিলে আমি নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিম। কিন্তু দুজন-তিনিজন ছাত্ৰ-ছাত্ৰীৰ বাবে আমি বিদ্যালয় খুলিব নোৱাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হ'ব মই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই ভাৱো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছে।

(সদনে সন্মতি প্ৰদান কৰে।)

সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া মাননীয় সদস্য আমিনুল ইছলাম (কণিষ্ঠ) ডাঙৰীয়াই কওঁক।

**মোঃ আমিনুল ইছলাম (মান কাচাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য আৰু পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১১৫ অনুসৰি সংকল্প প্ৰস্তাৱ ল'বলৈ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰস্তাৱটো হ'ল- ভূমিহীন মানুহক পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰি উচ্ছেদ কৰা নহওঁক। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভূমিহীন মানুহে চৰকাৰী ভূমি, বন ভূমি আৰু অন্যান্য চৰকাৰী ভূমিত বসবাস কৰা দেখা যায়। চৰকাৰে সময়ে সময়ে এনে লোকক কোনো ধৰণৰ বাচ বিচাৰ নকৰাকৈ উচ্ছেদ কৰি দিয়া পৰিলক্ষিত হৈছে। ইয়াৰ ফলত মানৱীয়তা, ভূ-লুণ্ঠিত হোৱাৰ লগতে চৰকাৰৰ নিৰ্দয়ী চৰিত্ৰ প্ৰকাশ পাইছে। ৰাজ্যৰ প্ৰকৃত ভূমিহীন মানুহক ভূমি প্ৰদানৰ প্ৰক্ৰিয়া যদিও চলি আছে, সেই সময়ত অজস্ৰ মানুহে এই লাভ পোৱাৰ পৰা বঞ্চিত হৈ আছে। শীতৰ সময়ত বিভিন্ন ঠাইত উচ্ছেদ হৈ থকাৰ ফলত অঘৰীভাৱে জীৱন যাপন কৰিবলগীয়া হোৱাৰ বাবে বিভিন্ন ঠাইত শিশু বৃদ্ধৰ মৃত্যু হোৱাৰ খবৰো বিভিন্ন মাধ্যমত প্ৰকাশ পাই আহিছে। এনে প্ৰেক্ষাপটত ভূমিহীন মানুহক ন্যূনতম প্ৰয়োজনীয় ভূমি এডোখৰ প্ৰদান কৰা আৰু প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত একোখনকৈ ঘৰ দি হ'লেও এনে সমস্যা দীৰ্ঘদিনৰ বাবে সমাধান কৰা হওঁক- বুলি এটা প্ৰস্তাৱ লোৱা হওঁক।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান যি উচ্ছেদ কাৰ্য্য চলি আছে সেই ক্ষেত্ৰত মই দুই-তিনিটা পইণ্ট বেলেগকৈ সংযোজিত কৰিব বিচাৰিছো। বিভিন্ন ঠাইত যিখিনি উচ্ছেদ চলি আছে তাৰ ভিতৰত Proposed Reserve Forest ৰ যিখিনি মাটি আছে, যিখিনি Forest ৰ নহয়, সেই মাটিত বিভিন্ন ঠাইত নদী খহনীয়া হোৱাৰ ফলত ভূমিহীন হোৱা লোকে বাধ্য হৈ বসবাস কৰি আছে। Proposed Reserve Forest খিনি কেনেকৈ Reserve Forest কৰিব পাৰি তাৰ বাবে ব্যৱস্থা চলি আছে। আমি এনে এটা সিদ্ধান্ত ল'ব লাগিব যে Forest ৰক্ষা কৰিবলৈ গৈ মানুহক যাতে ঘৰ-বাৰীৰ পৰা উচ্ছেদ কৰি পেলোৱা নহয়। উচ্ছেদ হোৱাৰ লগে লগে আমি চিন্তা কৰিব লাগিব যে উচ্ছেদিত সেই শিশুবোৰৰ কি হ'ব? পৰীক্ষাৰ সময়ত উচ্ছেদ চলিলে তেওঁলোকৰ পঢ়া-শুনা কি হ'ব? এই ল'ৰা-ছোৱালীবোৰ স্বাস্থ্য সেৱা, অংগনৱাড়ী ব্যৱস্থা, বিশুদ্ধ খোৱাপানী আদি সুবিধাৰ পৰা বঞ্চিত হ'ব। তেওঁলোকৰ জীৱনটো বেলেগফালে ঠেলি দিয়া হয়। Forest ৰ ক্ষেত্ৰত যিহেতু বেলেগকৈ কঠোৰ নিয়ম আছে, গতিকে তাৰ বাবে বেলেগকৈ চিন্তা কৰা হওঁক । কিন্তু, যিখিনি Proposed Reserve Forest আছে, তাৰ বাবে যাতে বিশেষকৈ চিন্তা কৰা হয় তাৰ বাবে মই প্ৰস্তাৱৰ লগতে পৰামৰ্শও আগবঢ়াব বিচাৰিছো।

দ্বিতীয়তে, আমি চৰকাৰৰ বসুন্ধৰা-১, বসুন্ধৰা-২ এইকেইটা ভাল পদক্ষেপ দেখিছো। এতিয়া বসুন্ধৰা-২ চলি আছে। বসুন্ধৰা-২ৰ জৰিয়তে ভূমি প্ৰদান কৰি থকা হৈছে। ভূমি প্ৰদান কৰোতে খিলঞ্জীয়া শব্দটো ব্যৱহাৰ কৰি ভূমি প্ৰদান কৰাৰ বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে ইয়াত আনিছে। খিলঞ্জীয়াক ভূমি দিয়া হওঁক। আমি এইটোত আপত্তি নকৰো। কিন্তু, খিলঞ্জীয়াৰ স্পষ্ট ধাৰণাটো আজিলৈকে clear নহ'ল। State Assembly হওঁক বা অসম সাহিত্য সভা হওঁক বা আৰু যিখিনি জাতীয় সংগঠন আছে, তেওঁলোকে এবাৰৰ বাবে এই কথাটো স্পষ্ট কৰি ল'ব লাগে যে খিলঞ্জীয়া কোন হয়। ই নিৰ্ধাৰিত থাকিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই খিলঞ্জীয়া সম্পৰ্কে কেইবাটাও বক্তব্য তেওঁ সদনত প্ৰকাশ কৰিছে। ইয়াৰ আগতে এবাৰ কোৱা হৈছিল যে অসমত তিনিটা প্ৰজন্ম থাকিব লাগিব। তিনিটা প্ৰজন্ম থকা মানে ভাৰত স্বাধীন হোৱাৰ আগত থকা হ'ব লাগিব। সৌ সিদিনা মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে অন্ততঃ এটা শতক ইয়াত থাকিব লাগিব। এটা শতক থাকিব লাগিলেও ভাৰতৰ স্বাধীনতাৰ আগত যাব লাগিব নেকি? আমি যদি ১৯৪৭ৰ আগত যাবলগীয়া হয়, তেন্তে সেই সময়ত ভাৰত ক'ত আছিল, ভাৰতৰ কোনটো এলেকা ক'ত আছিল, ক'ৰ মানুহ ক'ত আছিল, ইমান বিস্তাৰিতভাৱে যাব বিচৰা নাই, ইয়াৰ দ্বাৰা কিন্তু কিছুমান মানুহক খিলঞ্জীয়াৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থা কৰি থকা হৈছে। একেটা সময়তে কিছুমান মানুহক কৌশল কৰি, খিলঞ্জীয়াৰ সংজ্ঞা নোহোৱাকৈ জোৰ-জবৰদস্তিকৈ স্থাপন কৰিবলৈ গৈ তেখেত সকলক ভূমি প্ৰদান কৰা হৈছে আৰু এটা শ্ৰেণীৰ মানুহক যিসকল অসম তথা ভাৰতৰ নাগৰিক তেখেতসকলক কিন্তু ভূমিৰ পৰা উচ্ছেদ কৰি থকা হৈছে। মোৰ এনেকুৱা অনুভৱ হৈছে যে It's a Govt. sponsored discrimination. চৰকাৰৰ জৰিয়তে এটা বৈষমতা, জাতি বা ধৰ্মৰ মাজত এটা বিভাজন নীতি সৃষ্টি কৰা হৈছে। যাৰ দ্বাৰা কাৰোবাক ভূমি প্ৰদান কৰা হৈছে, কাৰোবাক উচ্ছেদ কৰা হৈছে। আগন্তুক দিনত এই ব্যৱস্থাটোৱে অত্যন্ত মাৰাত্মক ভাৱে অসমৰ জাতীয় জীৱনত ক্ষতি কৰিব বুলি মোৰ অনুভৱ হৈছে।

তৃতীয়তে, আমাৰ চৰ অঞ্চল সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু কিছুমান বক্তব্য দিছে, যেনে চৰ অঞ্চলৰ মাটি বসুন্ধৰা- ৩ বা ৪ ৰ জৰিয়তে জৰীপ কৰিব। বিভিন্ন চৰ অঞ্চল বা বিভিন্ন পাৰ্বত্য অঞ্চলত এতিয়ালৈ survey কৰা হোৱা নাই। এই ঠাইখিনিৰ survey ভালকৈ হ'ব লাগে। যিখিনি non-cadastrial village আছে, তাৰে বহুখিনিৰ এতিয়ালৈ survey হোৱা নাই, তাত survey হ'ব লাগে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই পৱিত্ৰ সদনত কৈছে যে ৭ বিঘাকৈ মাটি চৰৰ মানুহক প্ৰদান কৰিব আৰু যিবিলাকে ৫০-৬০ বিঘাকৈ মাটি দখল কৰি আছে, তেওঁলোকৰ পৰা মাটিখিনি লৈ লোৱা হ'ব। আমি এটা কথা স্পষ্টকৈ দেখিছো, চৰকাৰৰ এনে কিছুমান নীতি হৈ আছে যে গছ-গছনি, জীৱ-জন্তু কূলৰ কাৰণে Forest বচাই ৰাখিব লাগে, কিন্তু সেইবুলি মানুহ কূলটো ধ্বংস কৰিব নালাগে। মানুহক উচ্ছেদ কৰি মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া বিভিন্ন প্ৰচাৰ মাধ্যমত আহি আছে। সেইটো কৰিব নালাগে। চৰকাৰখন ইমান নিৰ্দয়ী, ইমান অমানৱিক হ'ব নালাগে। যিখিনি ভূমি প্ৰদান কৰা হ'ব বুলি কৈছে, এই ক্ষেত্ৰত মই এটা কথা সংযোজন কৰিব বিচাৰিছো যে বহুত মাটি পৰি থাকিব। চৰৰ মাটি Forest ক দিয়া হৈছে, এতিয়া বুঢ়া চাপৰি চৰৰ মাটি Forestক দিয়া হৈছে। গতিকে বন ৰক্ষাৰ বাবে চৰ এলেকাও ৰাখিব লাগিব। আমি জানো যে ৰাজ্যৰ ৬৯% লোক কৃষি খণ্ডত জড়িত আৰু কৃষিজাত উৎপাদনসমূহে State GDP ত ২৫-৩০% share দি আছে। চৰৰ মানুহখিনিক যদি সেই ভূমিবোৰত অস্থায়ী বন্দৰস্তী (tempo-

rary settlement) দি তাত যদি তেওঁলোকক খেতি কৰিব দিয়া হয় আৰু সেইবিলাকৰ revenue যদি চৰকাৰে fix কৰি দিয়ে, মই ক'ব বিচাৰো যে তেন্তে চৰৰ সমস্যাটো সমাধান হ'ব আৰু চৰৰ সেই revenue ৰ দ্বাৰা State revenue টো যথেষ্ট টনকিয়াল হ'ব। সেই কাৰণে এই গোটেইখিনি বিষয় অত্যন্ত গুৰুত্বসহকাৰে চিন্তা-চৰ্চা কৰি চৰৰ মাটিৰ অস্থায়ী বন্দৰস্তী কৰি ৰাজহ সংগ্ৰহ কৰা হওঁক আৰু বসুন্ধৰা-২ ৰ জৰিয়তে যি Govt. sponsored discrimination চলি আছে, সেইটো বন্ধ কৰি, সকলোৰে কাৰণে কৰক। খিলঞ্জীয়া মানুহক দিছে আমি বেয়া পোৱা নাই। কিন্তু, যিসকল বঞ্চিত হৈছে, তেওঁলোকৰো হওক আৰু Proposed Reserve Forest ৰ মাটিৰ ক্ষেত্ৰত চিন্তা কৰা হওক। এইখিনিয়ে কৈ মই আজি যি সংকল্প প্ৰস্তাৱ আনিছো সেই প্ৰস্তাৱটো চৰকাৰ তথা এই সদনে গ্ৰহণ কৰক বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** চাৰ এক মিনিট। মই এইখিনিতে এটা কথা সংযোজন কৰিব বিচাৰিছো।

মাননীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ আনিছে তাৰ সমৰ্থন জনাই মই চমুকৈ অলপ ক'ব বিচাৰিছো। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ ৰাজ্যৰ দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা প্ৰতিটো পৰিয়াললৈ দিয়াৰ কাৰণে ইতিমধ্যে ব্যৱস্থা কৰিছে। আমাৰ অসমত এনে বহু দৰিদ্ৰ পৰিয়াল আছে যিসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ লাভ কৰিছে আৰু তালিকাত তেওঁলোকৰ নাম আছে। কিন্তু আজিৰ তাৰিখত অসমত এনে কিছুমান পৰিয়ালো আছে যিসকলৰ তালিকাত নাম থকাৰ পিছতো প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ ধন লাভ কৰা নাই। তাৰ কাৰণ হৈছে মাটিৰ সমস্যা। বহুত পৰিয়ালৰ ভূমি নাই। বহুত পৰিয়ালৰ ভূমি আছে, কিন্তু সেই ভূমি একচনীয়া, PGR, VGR হোৱাৰ কাৰণে বিভাগে তেওঁলোকক ঘৰ দিব পৰা নাই। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে প্ৰাধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ যিসকলে লাভ কৰিছে বা যিসকলে লাভ কৰা নাই, যিসকলৰ ভূমি সংক্ৰান্তীয় কিছুমান অসুবিধা আছে, এইক্ষেত্ৰত বিভাগে অলপ নৰম স্থিতি লৈ তেওঁলোকে যাতে নিজে থাকিবলৈ এখন ঘৰ লাভ কৰে, তাৰ কাৰণে সুবিধা কৰি দিব। অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে উদাহৰণস্বৰূপে ক'ব বিচাৰিছো যে মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিত মধ্য পকা গাওঁ পঞ্চায়তৰ লগতে আন আন পঞ্চায়তেতো বহু প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ কৰি তেওঁলোকে পঞ্চায়তৰ পৰা BDO ৰ কাৰ্য্যালয়লৈ, BDO ৰ কাৰ্য্যালয়ৰ পৰা CEO লৈ, CEO পৰা P&RD লৈ তাৰ পিছত Revenue Department লৈ এটাৰ পিছত এটা report দাখিল কৰাৰ পাছতো তেওঁলোকে ঘৰ লাভ কৰা নাই। এতিয়া এনে এটা পৰ্য্যায় আহিছে যে তেওঁলোকে এতিয়া ঘৰ সমূহ লাভ নকৰিব। সেই ঘৰৰ যিসমূহ ধন সেইবোৰ ঘূৰি যাব। গতিকে এই বিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰি বিভাগ সমূহক যাতে নিৰ্দেশনা দিয়ে এই কথাখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই অনা প্ৰস্তাৱটোৰ সমৰ্থণ কৰি দুআষাৰমান ক'ব বিচাৰিছো। 'ভূমিহীন মানুহক পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰি উচ্ছেদ কৰা নহওক'- এইটো তেখেতৰ প্ৰস্তাৱ আছিল। অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো যে আজি কিছুমান এৰিয়া নতুনকৈ Proposed Reserve Forest (PRF)কৰা হৈ আছে। গোৱালপাৰা পশ্চিম সমষ্টিৰ চাৰিওফালে ম্যাদী মাটি, ১০০ বছৰৰ পৰা বসতি তাত, আমবাৰী, কাৰাইখোৱা এইখিনি অঞ্চলৰ আশে পাশে যোৱা এবছৰ দুবছৰৰ পৰা এই

অঞ্চলবিলাকৰ ভিতৰত কিছু কিছু চৰকাৰী ভূমি আছিল আৰু তাত প্ৰস্তাৱ দি থকা হৈছে PRF ৰ কাৰণে। ঠিক এনেকুৱা ধৰণে নগাওঁ বা বিভিন্ন জিলাত নতুনকৈ প্ৰস্তাৱ দি PRF কৰা হৈ আছে। আমাক Forest লাগে। পাথাৰকান্দিৰ কথাও কৈছে, বৰাক- ব্ৰহ্মপুত্ৰৰ বিভিন্ন ঠাইত আমি লক্ষ্য কৰিছো এইবিলাক originally Govt.land, খাছ ভূমি আৰু ভূমিহীন মানুহ খাছ ভূমিত থাকিবই। আমাৰ অসমত যিটো গৰাখহনীয়াৰ সমস্যা, লাখ লাখ মানুহৰ ঘৰ নদীৰ বুকুত জাঁহ গৈছে আৰু অসমৰ জনসংখ্যাৰ আমি লক্ষ্য কৰিছো এতিয়াহে মাটি দি থকা হৈছে। কিন্তু গোটেইখিনি যদি হিচাপ কৰা যায়, এক তৃতীয়াংশ মানুহৰ হাতত মাটি নাই। তেখেতসকলে মাটিৰ ওপৰত থাকে কিন্তু তেখেতসকলৰ নামত কোনো মাটি থকাৰ ৰেকৰ্ড নাই। মাটি নাই যেতিয়া ভূমিহীন মানুহ আছে। এইটো মাননীয় মুখ্যমন্ত্ৰী আৰু চৰকাৰেও স্বীকাৰ কৰিছে আৰু আমিও দেখিছো, এইটো বাস্তৱ কথা। যাৰ ওচৰত মাটি নাই তেওঁলোকে আকাশতো চাং পাতি থাকিব নোৱাৰে। Naturally গৈ মাটিত বসতি স্থাপন কৰে। শ শ বছৰৰ পৰা তেওঁলোকে বসতি স্থাপন কৰিছে। এতিয়া নতুনকৈ যে PRF বনাই আছে, তাৰ পিছত যেতিয়া এইটো কালি গ্ৰহন হ'ব তেতিয়া উচ্ছেদ কৰিব আৰু এই ১০০ বছৰৰ পৰা বা ৫০-৭০ বছৰৰ পৰা যিখিনি মানুহ তাতে আছে, তেওঁলোকৰ যাবলৈ কোনো ঠাই নাই। গতিকে এইসকল যিহেতু ভূমিহীন, যদি চৰকাৰক সঁচাকৈয়ে লাগে,Forest যদি বঢ়াব লাগে, আচলতে কথা হ'ল যে আমাৰ যিখিনি Forest আছে, সেইখিনি আমি যাতে ৰক্ষা কৰো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো অঞ্চলত তাত যথেষ্ঠ Forest Land আছে। কিন্তু আমাৰ ভিতৰৰ Forest অঞ্চলখিনি ভাল নহয়। পাহাৰ কাটি তহিলং কৰি আছে, গছ কাটি তহিলং কৰি আছে। সেই Forest খিনি থাকিলেও যথেষ্ঠ। সেয়ে নকৰি নতুনকৈ বহুৱাৰ যদি প্ৰয়োজনো হয়, তথাপিও আমি বিৰোধ কৰা নাই। কিন্তু এই মানুহখিনিৰ সংস্থাপনৰ ব্যৱস্থা কৰি তেখেতসকলক মাটি দি যিহেতু তেওঁলোক এই দেশৰ bonafied নাগৰিক, তাৰপিছত যদি আমি মাটি লওঁ তেতিয়া কাৰো আপত্তি নাথাকিব। কিন্তু ৰাতাৰাতিৰ ভিতৰত propose কৰি, Forest declare কৰি তাৰ পিছত ঘৰ-বাৰী বিলাক ভাঙি দি এই দুখীয়া মানুহবিলাকক উচ্ছেদ কৰি ৰাস্তাৰ ভিক্ষাৰী বনাই দিয়াটো মানৱীয় কাম নহয়। গোৱালপাৰাত কিছুদিন আগতে উচ্ছেদ চলিছিল। আজি মেট্ৰিক পৰীক্ষা চলি আছে, হায়াৰ চেকেণ্ডাৰী পৰীক্ষা চলি আছে, সেই ঘৰ ভাঙি দিয়া বহুতৰে লৰা-ছোৱালী কিন্তু ৰাস্তাৰ পৰা গৈ পৰীক্ষা দি আছে। গতিকে এই কথা-বতৰা বিলাকো এটা কল্যাণকামী চৰকাৰৰ কাৰণে চিন্তা কৰাটো অপৰিহাৰ্য্য কৰ্তব্য। গতিকে যিসকল ভূমিহীন আছে, খিলঞ্জীয়া বা অখিলঞ্জীয়া বুলি নহয় ভাৰতীয় প্ৰত্যেকজন নাগৰিক, প্ৰত্যেকজন অসমীয়া, যিসকলৰ ভোটাৰ তালিকাত নাম আছে, যিসকলৰ ভোট লোৱাত কোনো আপত্তি নাই, সেইসকল ব্যক্তি যদি ভূমিহীন আছে জৰীপ কৰি এফালৰ পৰা মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলক মাটিৰ ব্যৱস্থা কৰাৰ পাছতহে যদি আমি Forest বঢ়াব লাগে,বঢ়াম আৰু আমাৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰণে আমি চৰকাৰী মাটি ললে কাৰো আপত্তি নাথাকিব। কিন্তু এইবিলাক নকৰি যেতিয়া এই দুখীয়া ভূমিহীন মানুহসকলৰ ঘৰ ভাঙি, উচ্ছেদ কৰি তেখেতসকলক ৰাস্তাৰ ভিক্ষাৰী বনাই মাটিখিনি লোৱা হয় আৰু পিছত কোৱা হয় যে আমি সংস্থাপনৰ ব্যৱস্থা কৰিম। সংস্থাপনৰ ব্যৱস্থা যদি আমি কৰোৱে তেনেহ'লে তেখেতসকলে মূৰৰ ঘাম মাটিত পেলাই যি উপাৰ্জিত পইচাৰে ঘৰ বনায়, এই পঁজাটো যেতিয়া আমি ভাঙি দিওঁতেতিয়া সেই মানুহজনৰ সপোন ভাঙি যায়। হয় দুখীয়া মানুহজন গোটেই জীৱন কষ্ট কৰি এই টিনপাতেৰে এখন ঘৰ সজা বা বাঁহ-বেতেৰে এটা ঘৰ সজাই তেখেতসকলে বসতিস্থাপন কৰি আছে। এই ঘৰটো যেতিয়া

আমি ভাঙি দিওঁ, আচবাব পত্র যেতিয়া আমি ভাঙি দিওঁ, নষ্ট কৰো, তেখেতসকলে ৰোপণ কৰা গছবোৰ যেতিয়া কাটি দিওঁ আৰু ৰাতিৰ ভিতৰত তেওঁলোকক ৰাস্তাৰ ভিক্ষাৰী বনাই দিওঁ, মই ভাৱো ইয়াতকৈ ডাঙৰ অমানৱীয় কাম আৰু একো হ'ব নোৱাৰে। সেইবাবে চৰকাৰৰ প্ৰতি আমাৰ আহ্বান থাকিল যে যিসকল অসমীয়া নাগৰিক, যিসকল ভাৰতীয় সেইসকলৰ জৰীপ চলাই যিমানবোৰ ভূমিহীন মানুহ আছে, প্ৰত্যেককে মাটি দিয়াৰ ব্যৱস্থা কৰক। এইখিনি কৰাৰ কাৰণে আমি অনুৰোধ ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক আমিনুল ইছলাম, জাকিৰ হুছেইন সিকদাৰ আৰু ৰকিবুল ইছলাম ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ এটা স্পৰ্শকাতৰ বিষয় ইতিমধ্যে প্ৰস্তাৱ আনিছে আৰু মই পোনচাতে কব বিচাৰো যে আমাৰ সেই প্ৰকৃত ভূমিহীনক মাটি দিয়াৰ উদ্দেশ্যে আমি বসুন্ধৰা আনিছো আৰু যেনেকৈ প্ৰথম পৰ্য্যয়িত record clarification, second ত ২.০ ত আমি যেনেধৰণে খিলঞ্জীয়া মানুহক ভূমি পত্তা প্ৰদান কৰা আৰু পৰৱৰ্ত্তী সময়ত আমি তেনেধৰণে ৩.০ পৰ্য্যায়ক্ৰমে কৰি গৈ থাকিম । কিন্তু এটা কথা আমি সদনত জনাবলৈ পাই অতিশয় আনন্দিত হৈছো যে মাটি প্ৰকৃতিৰ এক সম্পদ। ই সীমিত আৰু এই সীমিত মাটিখিনিক আমি সদ্ব্যৱহাৰ কৰিব লাগিব, আজিৰ তাৰিখত আৰু আমাৰ যি অধিসূচিত জলাশয়, যি notified জলাশয় হওঁক,জলভাগ হওঁক,পাহাৰ, বনভূমি পৰিৱেশীয় সংবেদনশীল অঞ্চল, ভূমিস্থলনৰ প্ৰৱণতা থকা, গৰাখহনীয়া থকা এই অঞ্চল সমূহত ভূমি আমি বন্দৱস্তী আৰু পট্টন দিয়াটো নহয়। সাধাৰণতে দেখা যায় বিভিন্ন সময়ত প্ৰাকৃতিকভাৱে যিবিলাক মুক্তাঞ্চল সেই মুক্তাঞ্চল বিলাকতে সুযোগ লৈ হয়তো এনেকুৱা জলাশয় বা এনেকুৱা ধৰণৰ অঞ্চলতে মানুহে বে-আইনী ভাৱে মাটিবিলাক দখল কৰে আৰু এই ঠাইত ঘৰ নিৰ্মাণ কৰি তেওঁলোকে বসবাস কৰি আছে। কিছু সংখ্যক লোকে এনে অবিবেচক কৰ্মকাণ্ডৰ দ্বাৰা চৰকাৰৰ দ্বাৰা সংৰক্ষিত এনেকুৱা ধৰণৰ জ্বলাশয় হওক, VGR হওক বা PGR হওক এই গোটেইখিনি মাটি অবৈধভাৱে দখল হৈ আছে। তাৰফলত আমাৰ সমাজলৈ এনেধৰণৰ দুৰ্য্যোগ নামি আহে, বানপানী, গৰাখহনীয়া আৰু ভূমিস্থলনকে ধৰি বিভিন্ন ধৰণৰ উপক্ৰম হৈছে যাৰফলত ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে অশনি সংকেত নামি আহিছে। এতিয়া মূল কথা হ'ল বৰ্তমান চৰকাৰী মাটিত বহুতো ব্যক্তি বা পৰিয়াল বে-দখল কৰাৰ ফলস্বৰূপে বিভিন্ন চৰকাৰী উন্নয়ণমুখী প্ৰকল্পৰ বাবে সংৰক্ষণ কৰিব পৰা নাই আৰু ভূমিবিলাক নাইকীয়া হৈ গৈছে। এনেধৰণে বৃহত্তৰ ৰাজহুৱা স্বাৰ্থত চৰকাৰখনৰ বিভিন্ন ধৰণৰ প্ৰজেক্ট নিৰ্মাণ কৰাৰ স্বাৰ্থত আমি এই চৰকাৰী মাটি ৰক্ষণাবেক্ষণ দিবই লাগিব। এতিয়া কথা হ'ল এই সকলক সংস্থাপন দিয়াৰ কাৰণে আমি যেনেধৰণে PRF ৰ কথা কৈছে, এইটো সম্পূৰ্ণ বন বিভাগৰ কথা আৰু বন বিভাগৰ যিহেতু strict rule আছে, সেইখিনিৰ কাৰণে তেওঁলোকে নোৱাৰে। এতি য়া কথা হ'ল এই propose forest আমি কেতিয়া কৰো। Revenue আৰু Forest ৰ এখন joint committe থাকে। এই সমিতিখনে কমিটীয়ে এইবিলাক Proposed Reserve Forest বুলি convert কৰে। তাত আজি eviction হবলৈ হলে আপোনালোকে জানে যে প্ৰদীপ দাই কলে হথাতে বাত বিচাৰ নোহোৱাকৈ ৰাতিৰ ভিতৰত সেইটো নহয়, newspaper ত বাতৰি দিয়া হয়, notification যায়, announce হয় আগতীয়াকৈ তাৰ পিছতহে ইভেকচন হয়।

কোনো ধৰণৰ ৰাতিৰ ভিতৰত নহয়। এইটো DC, Circle Officer ক courtয়ে পাৰাৰটো delegates কৰিছে। তেওঁলোকেও eviction টো কৰিব পাৰে। এতিয়া মুঠৰ ওপৰত কথা হ'ল আমি অসমত থকা NC village ত প্ৰায় ১০৭৪ খন আছিল। আমি প্ৰায় ৮০০ ৰ ওপৰত পলিকন survey কৰিছো আৰু প্ৰায় ২০০ ৰ ওপৰত detailed survey হৈ গৈছে। সকলো জৰীপ হৈ গৈছে। তাত তেওঁলোকে জিৰো taking কৰি fieldত কোনে কোন ঠাইত বসবাস কৰি আছে, তাৰ পিছত তেওঁলোকক পট্টা দিয়াৰ কাম আৰম্ভ হ'ব পৰ্য্যয়ক্ৰমে। আমাৰ NC village অসমত এখনো নাইকিয়া কৰিব বিচাৰিছোঁ। এই phase continue হৈ থাকিব। ১০৭৪ খন NC village ৰ প্ৰায় ৮০০ ৰ ওপৰত আৰু কেইখন মান NC villageত অলপ border problem আছে। এনেধৰণ আপুনি যে কলে Forest and Revenue ৰ লগত অলপ clash আছে, এনেকুৰা ধৰণৰ কাৰণে কেইখনমান NC village survey কৰিব পৰা নাই। গতিকে এই অসুবিধাটো আমি নাইকিয়া কৰিম। গতিকে বহু মানুহে ভূমি অধিকাৰ পাব। সেই ভূমি অধিকাৰ পোৱাৰ লগে লগে আমি খুব আন্তৰিকতাৰে কৈছো চৰকাৰে, যে আমি পৰ্য্যায়ক্ৰমে আইন প্ৰণয়ন নীতি নিয়ম কৰি হলেও, এইবাৰ যেনেকৈ আমি গ্ৰেন্টত মাটিৰ পট্টাৰ বসুন্ধৰা ২.০ য'ত দিছো, আমি যদি চৰকাৰী ভাৱে তেওঁলোকক MNP পট্টা দিয়া আছিল আৰু চৰকাৰে নিজে তেওঁলোকক সংস্থাপিত কৰিছিল। সেই দুই কেটগিৰিকহে আমি পট্টা দিব পাৰিলো। এইবাৰ আপুনি দেখিব ইয়াত কেনেকুৰা মানুহে পাইছে। কিন্তু সেই প্ৰমাণপত্ৰ কোনোবাই দিব পৰা নাই সেই দুই কেটগিৰিৰ বাকী সকলক মাটি দিব পৰা নাই। কিন্তু সেইখিনি পৰৱৰ্তী সময়ত আমাৰ চৰকাৰে নিশ্চয় বিবেচনা কৰিব। আমাৰ চৰকাৰৰ যি পলিচি আছে, সেই পলিচি মতে ২০১৯ পলিচি খন আপুনি চাব ভালকৈ ১৫ যিটো চেক্‌চন আছে, সেইটোত অকল মাটি দিয়াৰ কাৰণে এখন পলিচি হৈছে। ১৮৮৬ ৰ আমাৰ যিখন আইন আছে আইন খন আপোনালোকে চাব সেই খনৰ তাত এই চেক্‌চন ১৮ (২), ১৮(৩), তাত ক্লিয়াৰ্লি লিখা আছে কথাখিনি। ২০১৯ পলিচিত এই কথাখিনি ক্লিলিয়াৰ্লি লিখা আছে। এই পলিচি খনে ভূমি হীন মানুহক পট্টা দিয়াৰ কাৰণে পলিচি ৰচনা হৈছে। মই ভাৱো যে এই দুয়োখন আইনৰ আওতালৈ আনি আমি আকৌ যদি কৰবাত অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইদিনা কৈ গৈছে যে মাতব্যায়ি সকলক উচ্ছেদ কৰি তাত আপোনালোকেও যদি সহযোগ কৰে সেই মাটি খিনিও আমি তেওঁলোকক দিব পৰা ব্যৱস্থা আছে। এনেধৰণৰ সকলোৱে যদি সহযোগ কৰে এই যি সকলৰ এতিয়ালৈকে তথ্য বসুন্ধৰাত পোৱা নাই, বহুতে আইনত লিখা থাকে যে আমাৰ তিনিটা প্ৰজন্ম ৭৫ বছৰ হ'ব লগীয়া, এই কথাখিনি আমি প্ৰিপিয়াৰ কৰা নাই। এইখিনি কেন্দ্ৰীয় চৰকাৰৰ আইনত আছে। আইনক অমান্য কৰিতো কোনো চৰকাৰে বা কোনো মন্ত্ৰী বা কোনো বিভাগে এনেধৰণৰ কাম কৰিব নোৱাৰে। গতিকে এইখিনি পৰৱৰ্তী সময়ত যদি এমেণ্ডমেন্ট কৰিব লগীয়া হয়, বিবেচনা কৰিব লগীয়া হয় তেতিয়া নিশ্চয় সদনে এই বিলাক কথা আমি বিবেচনা কৰিম পৰৱৰ্তী সময়ত। আমাৰ বিভাগে এই বিষয়টো গভীৰ ভাৱে আমি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত আলোচনা কৰি আছো। যে এই সকলক আৰু তেখেতেও সেইদিনা স্পষ্টকৈ বক্তব্য সদনত দিয়াত বহু কথা উন্মুচিত হৈছে। আজিৰ তাৰিখতো তেখেতে অসমৰ বিভিন্ন ঠাইত গৈ এই খিনি খিলঞ্জীয়া মানুহক ভূমি পট্টা দিয়াৰ পৰৱৰ্তী সময়ত কি ব্যৱস্থা ল'ব ৩.০ ত গোটেই কথাখিনি আপোনালোকে জানিবলৈ পাব। আমি ভাৱো আপোনালোক সকলোৱে সহযোগ ৰাখিলে এই বিভাগটোৱে ভূমি সংক্ৰান্তিয় সকলো দণ্ড নাইকিয়া হ'ব লাগে। ভূমি অধিকাৰ প্ৰাপ্য অধিকাৰ সকলো খিলঞ্জীয়াই হওঁক ভাৰতীয় মানুহ, পাব লাগে,

এইখিনি আমাৰ দায়িত্ব। ইয়াত মানৱিয়তা দৃষ্টিভঙ্গীৰে বিবেচনা কৰি আমি পৰৱৰ্তী সময়ত বিভাগে আলোচনা কৰিম। আমি এতিয়া preparation কৰি ৰাখিছো ৩.০ আমি launching যেতিয়া কৰিম অলপ সময় লাগিব, লোক সভাৰ ইলেক্‌চনৰ পাছত। আমি এতিয়া preparation কৰি আছো। ক'ত Rules Frame ক'ত Rules Amend কৰিব লাগিব Act ত, কোনখনত কি লিখা আছে। এই গোটেইখিনিৰ ক্ষেত্ৰত আপোনালোকৰো কিবা পৰামৰ্শ থাকিলে জনাব আমি যাতে বিভাগে কাম খিনি নিয়াৰিকৈ কৰিব পাৰো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ যিটো কথা কৈছে যে কেইবাটাও আইন আছে, মই এজন আইনৰ ছাত্ৰ হিচাপে স্পষ্টকৈ কব খোজো Central government ৰ কোনো ৰুল্‌চ বা কোনো আইন নাই যে 3 generation হলেই তেখেত সকল খিলঞ্জীয়া হ'ব, there is no clear instruction কতো নাই। খিলঞ্জীয়া সম্পৰ্কত কতো কোনো আইনত কোনো শব্দ নাই এইটো এটা ভুল কথা হৈছে। 2nd কথাটো তেখেতে কব গৈছে Land Policy 2019 যি law, তেখেতে কৈছে আইন মতে, Land Policy 2019 is not a law, এইটো law নহয়, its a Policy. Policy আৰু আইনৰ মাজত প্ৰাৰ্থক্য আছে, পলিচি এটাক আইন হিচাপে establish কৰাতো পবিত্ৰ সদনৰ মাজত উচিত নহয়। এই কথাটো মই কব বিচাৰিছো। দ্বিতীয় কথাটো হ'ল- এই যিটো land দিয়াৰ ব্যৱস্থা কৰিছে যোৰাকালিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৩৩ হাজাৰ মানুহক ভূমি প্ৰদান কৰিছে ধেমাজীত আমি ভাল পাইছো। কিন্তু আমাৰ দক্ষিণশালমাৰাত not a single family, ধুবুৰীত কিছু অঞ্চলত দিয়া হোৱা নাই। গোৱালপাৰা, বৰপেটা, even দক্ষিণশালমাৰা জিলাৰ মোৰ সমষ্টিৰ সেই ঠাইখিনি British Act 1872 ৰ পিছৰ পৰা অসমৰ অংশ কৰি দিয়া হ'ল। সেই অংশটোৱে অসমৰ অংশ হৈ গ'ল তাত থকা মানুহখিনি খিলঞ্জীয়া নহ'ল।

**মাননীয় অধ্যক্ষ** ঃ আপুনি clarification বিচাৰক। বুজি পাইছো আপুনি এতিয়া কি জানিব খুজিছে তেখেতৰ পৰা।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ এনেকুৱা ভুল যদি অসমৰ Assembly হৈ থাকে, ১৮৭২ ৰ পৰা অভিভক্ত গোৱালপাৰা জিলা অসমৰ অংশ হ'ল। তাৰ মানুহখিনি খিলঞ্জীয়া নহ'ল। আমাৰ পূৰ্ব বিলাক খিলঞ্জীয়াৰ পৰা বাদ পৰি যাব। কেনেকুৱা ধৰণৰ ব্যখ্যা এইটো, কেনেকুৱা ধৰণৰ এইটো stand, Government Policy বিলাকক কোনোবাই আইন বুলি কব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি clarification বিচাৰক। ঠিক আছে।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই কৈছো যে পলিচি, পলিচিটো State Governmentয়ে লয়, পলিচিত লিখা আছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ))** ঃ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ no argument.

**শ্ৰীযোগেন মহন, (মন্ত্ৰী)** ঃ সেই কাৰণে policy যদি change কৰিব লাগে তেতিয়াহলে আমি পলিচিটো সলনি কৰিব লাগিব। পলিচিটো চৰকাৰে লোৱা বস্তু।

**মাননীয় অধ্যক্ষ** ঃ ইতিমধ্যে পলিচি লৈ আছে বুলি কৈ আছে। এতিয়া আপুনি সংকল্প প্ৰস্তাৱটো উঠাই ল'ব।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথা বিলাকৰ এটা

স্পষ্ট কথা হ'ব লাগে, মই এটা স্পষ্ট কথা কৈছো যে Government sponsored discrimination is going on in the State. চৰকাৰে ইচ্ছাকৃত ভাৱে বিভাজন মূখী ব্যৱস্থা ইয়াত লৈ আছে, sponsored discrimination is it or not, এইটো clear কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কলেই। চৰকাৰে যিটো লৈছে কৈছে। মাননীয় মন্ত্ৰী, আপুনিতো কৈ আছে পলিচিৰ কথাটো।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই কৈছো যে এইটো কোনো ধৰণৰ discrimination আমি লোৱা নাই। আপুনি যদি চায় শিৱসাগৰ জিলাত 68 জন minority মানুহে ভূমিৰ পট্টা পাইছে, যিটো মই কালি গৈ বিতৰণ কৰিলো। কিন্তু আপুনি যিটো কথা কৈছে যে অমুকৰ এইখিনি মানুহ আতৰাই ৰাখিব বিচাৰিছে, সেইটো নহয়, যাৰ যোগ্য যি কাগজ পত্ৰ জমা দিব পাৰিছে documents submit কৰিছে, government satisfied হৈছে, আমাৰ guideline satisfied হৈছে তেওঁলোকে পাইছে। এই যে ১৩ লাখ আবেদনৰ ২ লাখ ২৯ হাজাৰ দিলো বাকী খিনি পৰৱৰ্তীত আমি বিবেচনা কৰিম। আপোনাক এই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপুনি এতিয়া উঠাই লব।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই খিনি কথাৰ লগতে তেখেতে এটা আশ্বাস দিছে পবিত্ৰ সদনত, লগতে খালী মই এই কথাটো কম চৰৰ যিটো land, GDP state share ত যিহেতু ইয়াত participation agriculture যথেষ্ট কম, আমাৰ 70% মানুহ agriculture ৰ লগত জড়িত। চৰৰ মাটিখিনি যদি অস্থাই বন্দিবষ্টি কৰিব পৰা যায় তেখেত সকলে যদি খেতি কৰি periodical খেতি কৰি যদি revenue ল'ব পৰা যায়, এই বস্তুটোৰ এটা আশ্বাস মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, এইটো ইমান দীঘল আৰু কিয়?

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** চৰৰ মাটি খিনি, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, এইটো এটা আশ্বাস দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উঠাই ল'ব?

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি জৰীপ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** জৰীপ কৰিব।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** ধন্যবাদ, এইটো যদি হৈ যায়, আশ্বাসৰ প্ৰতি আমি আশা ৰাখিছো, নিশ্চয় অহা সদনত আৰু এই বিষয়টো আনিব নালাগে। এনেকুৱা আশ্বাস দিছে এই আশ্বাসৰ প্ৰতি বিশ্বাস ৰাখি মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সন্মত আছেনে, সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া পৰৱৰ্তী শ্ৰী জাকিৰ হুছেইন সিকদাৰ। ৫ মিনিটত শেষ কৰিলে ভাল হ'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৰুত্বপুৰ্ণ বিষয়ত সংকল্প প্ৰস্তাৱ আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ দিছো। মোৰ সংকল্প প্ৰস্তাৱটো হ'ল অসমৰ ৬০ বছৰ উৰ্দ্ধৰ সকলো কৃষকক পেঞ্চন দিয়া হওঁক। অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ৭০ শতাংশ লোক কৃষি কৰ্মৰ লগত জড়িত। অসমৰ মুঠ মাটি কালিৰ প্ৰায় ৫৪.১১ শতাংশ কৃষিভুমি

কাৰ্য্যত ব্যৱহাৰ কৰা হয়। কৃষক সকলক আমি অন্নদাতা বুলি সকলোৱে ভাবো, সন্মান কৰো। সেই অন্নদাতা কৃষক সকলে মাটি চহাই মাটিত শস্য শ্যামলা কৰি আমাৰ সকলোৰে কাৰণে ৰাজ্যখনৰ কাৰনে উৎপাদন কাৰ্য্যত সকলোৱে দিনে ৰাতিয়ে ব্যস্ত থাকে। কৃষক সকলে ৰ'দে বৰষুনে তিতি বিভিন্ন বাধাকো নেওচি ৰাজ্যখনক স্বাৱলম্বী কৰাৰ লগতে নিজৰ পৰিয়ালক পোহপাল দিয়াৰ কাৰনে নিজে জীয়াই থকাৰ তাড়নাত সকলোৱে কৃষি কাৰ্য্যৰ লগত জড়িত হৈ থাকে। আমি সকলোৱে আজি যে জীয়াই আছো, যি অন্ন খাই সেই অন্ন আমাক কৃষক সকলে দিছে। এই কৃষক সকলৰ কাষত গণতান্ত্ৰিক ভাবে যি দেশত ৰাইজে ৰজা যি দেশত ৰাইজৰ ভোটেৰে নিৰ্বাচিত হয় চৰকাৰ। সেই চৰকাৰে কৃষক সকলৰ ওচৰত থকাটো অত্যন্ত দৰকাৰ। আজি যদি অসমৰ কৃষক সকলক চাওঁ বেছিভাগ কৃষকে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। কৃষি কাৰ্য্যত তেওঁলোকে যেতিয়া নিজে উৰ্পাজন কৰাৰ বাবে সদায় লাগি থাকে, দুবেলা দুমুঠি খাবলৈ যেতিয়া তেওঁলোকে নিজৰ হাতেৰে শস্য উৎপাদন কৰিব চেষ্টা কৰে, সেই সময়খিনিত বহু বাধা আহে। কেতিয়াবা কেতিয়াবা বানপানী আহি তেওঁলোকৰ সপোনবোৰ চুৰমাৰ কৰি পেলাই, কেতিয়াবা কেতিয়াবা খৰাং বতৰে সপোনবোৰ চুৰমাৰ কৰি পেলাই, কেতিয়াবা বেয়া বতৰৰ কবলত পৰি শস্যবোৰ নষ্ট হৈ যায়। কেতিয়াবা কেতিয়াবা বৰষুণৰ অভাৱত কৃষক সকলে হাহাকাৰ কৰিব লগা হয়। কেতিয়াবা কেতিয়াবা মূৰৰ ঘাম মাটিত পেলাই যিখিনি ফচলৰ কাৰণে তেওঁলোকে বাট চাই থাকে সেই বিলাক পোক পৰুৱাই অনিষ্ট কৰে। কৃষক সকলৰ কাষত কেন্দ্ৰীয় চৰকাৰে হওঁক বা ৰাজ্য চৰকাৰেই হওঁক দীঘলীয়া আঁচনিৰ এখন তালিকা লৈ সহায় কৰাৰ কথা কয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া এই পবিত্ৰ সদনত আপোনাৰ লগতে প্ৰতিজন মাননীয় সদস্য সকলে বৰ্তমানেই হওঁক বা পূৰ্বতেই হওঁক পূৰ্বপুৰুষ সকল কৃষি কৰ্মৰ লগত জড়িত। আপোনাৰো এটা সাক্ষাৎকাৰ চাইছিলো অধ্যক্ষ ডাঙৰীয়া, আপুনিও যে কৃষি কাৰ্য্যৰ লগত জড়িত যে প্ৰকাশ কৰিছিল। কৃষকৰ এই মৰ্ম বেদনা কৃষকৰ এই অভাৱ অভিযোগ আপুনি মৰ্মে মৰ্মে উপলব্ধি কৰে, আৰু আপোনাৰো কৃষসকলৰ প্ৰতি সহায় সহযোগিতা কৰাৰ কাৰনে মন আপোনাৰ আছে বুলি আমি সকলোৱে জানো। শাসক পক্ষই হওঁক বা বিৰোধী পক্ষই হওঁক প্ৰতিজন সন্মানীয় বিধায়ক সকলৰ, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে মন্ত্ৰী সকলৰো কৃষক সকলৰ ওচৰত থকাটো দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যি দীঘলীয়া তালিকা বিভিন্ন আঁচনিৰ জৰিয়তে কৃষক সকলক যি সহায় কৰিব বিচাৰে বা যি ৰূপায়ন হৈ আছে অধ্যক্ষ ডাঙৰীয়া নিশ্চিত ভাবে আজিৰ হাউচে স্বীকাৰ কৰিব যে যি সমূহ আঁচনি আহে, যি সমূহ সা- সুবিধা আহে প্ৰকৃত কৃষকৰ কাষত ৩০ শতাংশ হে যায় ৭০ শতাংশ মধ্যভোগী আৰু বিষয়া সকলৰ খামখেয়ালিৰ বাবে ৭০ শতাংশ ওপৰৰ পৰাই গুছি যায়। ৭০ শতাংশ প্ৰকৃত কৃষক সকলৰ কাষত যাবই নোৱাৰে. আজি কৃষক সকল যেতিয়া কৃষি কাৰ্য্যৰ লগত জড়িত হৈ থাকে দিনে ৰাতিয়ে যেতিয়া কষ্ট কৰে, কোনো কষ্টক তেওঁলোকে ভয় নকৰে। সেই কৃষকসকল বিভিন্ন বেমাৰ আজাৰত আক্ৰান্ত হয়। অধ্যক্ষ ডাঙৰীয়া আমি যেনেকৈ কওঁ কুৰিতেই বুঢ়ি, ঠিক তেনেকৈ সেই কৃষক সকলে বিভিন্ন বেমাৰ আজাৰত আক্ৰান্ত হৈ উপযুক্ত চিকিৎসাৰ অভাৱত টকা পইচাৰ অভাৱত সুচিকিৎসাৰ অভাৱত বহু কৃষক কম বয়সতে মৃত্যুবৰণ কৰিব লগা হয়। যাৰ লগে লগে সেই পৰিয়াললৈ ঘোৰ অমানিশা নামি আহে, অন্ধকাৰ নামি আহে। বহুতে আত্মহত্যা কৰিব লগা হয়, দোকানৰ পৰা বাকী লৈ, মহাজনৰ পৰা টকা লৈ, কৃষিকাৰ্য্যত লগাই দিয়ে। কিন্তু কেতিয়াবা কেতিয়াবা প্ৰাকৃতিক দুৰ্য্যোগেই হওঁক বা বিভিন্ন কাৰণত তেওঁলোকে উপযুক্ত যিখিনি ফচল খেতিৰ পৰা আহিব লাগে সেইখিনি তেওঁলোকে ভড়াললৈ আনিব নোৱাৰে।

যাৰ কাৰণে তেওঁলোকে ধাৰত ডুব গৈ এই খন দেশত এইখন ৰাজ্যত বহু কৃষকে আত্মহত্যা কৰিব লগা হয়। দুখেই দুখ তেওঁলোকৰ. তেওঁলোকৰ দুখৰ সমভাগী হ'বলৈ ৰাজ্য চৰকাৰে কৃষক সকলৰ ওচৰলৈ যাব লাগিব। আজি প্ৰধান মন্ত্ৰীৰ কৃষক সন্মান নিধি আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ লগতে অসমতো কৃষক সকসক যিখিনি সন্মান দিয়া গৈছে, তেওঁলোকক যিখিনি অৰ্থ দিয়া গৈছে, বেছি ভাগেই প্ৰকৃত কৃষক সকলে পোৱা নাই। যি সকল কৃষি কাৰ্য্যৰ লগত জড়িত নহয়, যি সকলে নাঙলৰ মুঠি কেতিয়াও ধৰি পোৱা নাই। যিসকলৰ ঘৰত নাঙল নাই তেওঁলোকে বেছি ভাগ সেই সুবিধা লাভ কৰিছে। সময়ে সময়ে ইয়াৰ দাবী উত্থাপন হৈছে, কিন্তু তাৰ কাৰণে সু বিচাৰ আজিৰ তাৰিখলৈকে কৃষক সকলে পোৱা নাই। কৃষক সকল খেতি পথাৰত থাকিব লাগে, কৰ্ম ব্যস্ততাত থাকিব লাগে। ৰাতিপুৱা ৪ বজাত উঠি খেতিত যাব লাগে, যাৰ ফলত তেওঁলোকে অফিচ আদালতৰ দুৱাৰে দুৱাৰে ঘুৰিব নোৱাৰে। সময়ে সময়ে আমাৰ জনপ্ৰতিনিধি সকলৰ ওচৰলৈ আহে। আমি কথাবোৰ উত্থাপন কৰো। কিন্তু এতিয়া লৈকে তেওঁলোকক আমি সু বিচাৰ দিব পৰা নাই। আমাৰ দেশৰ খেতিয়ক সকলক আমাৰ ৰাজ্যখনৰ কৃষক সকলক অধ্যক্ষ ডাঙৰীয়া আমি সন্মান দিব লাগিব। আমি তেওঁলোকক যিকোনো বিপদত পৰিলে, তেওঁলোকক বিপদৰ পৰা উদ্ধাৰ কৰিব লাগিব। গতিকে আপোনাৰ জৰিয়তে আপুনি যিহেতু সময়ৰ কথা কৈছে, মই দীঘলীয়া নকৰো সেই কৃষক সকলক উপযুক্ত সন্মান দিয়াৰ কাৰণে এই ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি কৰিছে। গতিকে আজিৰ সভাত সিদ্ধান্ত হওঁক, আজিৰ সভাই প্ৰস্তাব গ্ৰহণ কৰিব লাগে যে ৬০ ৰ উৰ্ধৰ সকলো কৃষকক মাহিলী পেঞ্চন দিয়াৰ ব্যৱস্থা হওঁক। প্ৰকৃত কৃষকনো কোন? ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ হাতত এখন তালিকা দিব কিন্তু সেই তালিকা শুদ্ধ নহয়। এতিয়াও কৃষি বিভাগৰ বিভিন্ন বিষয়া সকলে প্ৰকৃত কৃষকৰ কাষত নাযায়। তেওঁলোকৰ ঘৰলৈ নাযায় খেতি পথাৰলৈ নাযায়,অফিচত বহি বজাৰত বহি কোনোবা মানুহৰ ঘৰত বহি তেওঁলোকে বিভিন্ন তালিকা কৰে। সেই তালিকা শুদ্ধ নহয়। গতিকে প্ৰকৃত কৃষকনো ৰাজ্যখনত কোন হ'ল, কোনে কৃষিকাৰ্য্যত জড়িত হৈ ৰাজ্যখনৰ জি ডি পি বৃদ্ধিত সহায় কৰি আছে সেই কৃষক সকলৰ তালিকা কৰি ৬০ ৰ উৰ্ধৰ সকলো কৃষকক তেওঁলোকক পেঞ্চন দিয়াৰ ব্যৱস্থা আজিৰ এই সদনে লওঁক এই প্ৰস্তাৱ ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰে কৃষক সকলৰ উন্নতিৰ কাৰণে যথেষ্ট পদক্ষেপ হাতত লোৱা সকলোৰে পৰিলক্ষিত হৈছে। ইয়াৰ লগে লগে সন্মানীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষক সকলৰ উন্নতিৰ কাৰণে যথেষ্ট কাম হাতত লৈছে। কৃষক সকল হৈছে আমাৰ অন্ন দাতা। অসমৰ ৭০ শতাংশ ৰাইজ কৃষিজীৱি গতিকে আমি কৃষক সকলক ন্যায় নিদিয়াকৈ কোনোৱেই শাসনত অধিস্থিত হ'ব নোৱাৰো। কৃষক সকলক ন্যায় দিছো কাৰণেই হয়তু অসমৰ জনসংখ্যাৰ ৭০ শতাংশ কৃষকে আমাক সমৰ্থন জনোৱাৰ কাৰণে আমি ইয়াতে চৰকাৰ চলাবলৈ সক্ষম হৈছো। সন্মানীয় সদস্য গৰাকীয়ে কৃষক সকলৰ পেঞ্চনৰ কথা কৈছে তেখেতে হয়তো পাহৰি গৈছে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ভাৰতবৰ্ষৰ কৃষক সকলক বছৰত ৬০০০ কৈ টকা কৃষক সন্মান নিধি ইতিমধ্যে প্ৰদান কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া কেন্দ্ৰীয় চৰকাৰে ভাৰত বৰ্ষৰ কৃষক সকলৰ সুবিধাৰ্থে আঢ়ৈ লাখ কোটি টকা ইউৰিয়াৰ কাৰণে অকল চাবচিডি দিয়ে। আমাৰ অসমত MSP ৰ কথা কোনেও নাজানিছিল। অসমত MSP ৰ আন্দোলন কেতিয়াও হোৱা নাছিল। কাৰণ অসমত MSP কি কোনেও গমেই পোৱা নাছিল। গোটেই দেশত যেতিয়া MSP ৰ কাৰণে আন্দোলন হয় অসমত এই আন্দোলনৰ কোনো প্ৰভাৱ

নপৰে। কাৰণ অসমৰ কৃষকে MSP বুলি যে কিবা এটা বস্তু আছে সেই বিষয়ে জ্ঞাত নাছিল। এইখন চৰকাৰে যোৱা আঢ়ৈ বছৰত অহৰহ প্ৰচেষ্টা চলাই কৃষকক ধানৰ ক্ষেত্ৰত MSP দিবলৈ সক্ষম হৈছে আৰু এইবাৰৰ পৰা আমি সৰিয়হৰ ক্ষেত্ৰতো MSP দিবলৈ আগবাঢ়িছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া কালি Agricultureৰ যেতিয়া কাটমোশন আছিল তেতিয়া মই কোনো এগৰাকী সন্মানীয় সদস্যই কোৱা শুনিছিলো যে যিমান আমাৰ টাৰগেট আছিল সিমান আমি achieve কৰিব পৰা নাই। হয়, আমি টাৰগেট achieve কৰিব পৰা নাই, কিন্তু আমি অসমৰ প্ৰত্যেক গৰাকী ৰাইজে জানো, যদি ইয়াত থকা প্ৰত্যেকজন সদস্যই আমি স্বীকাৰ কৰো যে আজিৰ পৰা দুবছৰ আগত অসমৰ গাওঁত ধানৰ প্ৰতি মোনৰ মূল্য আছিল মাত্ৰ চাৰে চাৰিশৰ পৰা ৫ শ টকা আৰু এতিয়া ধানৰ মূল্য গাঁৱৰ বেপাৰীয়েও ৮০০ ৰ পৰা ৮৫০ টকা দিবলৈ বাধ্য। এই কামটো কাৰ কাৰণে হৈছে, মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰৰ কাৰণে হৈছে। অসমৰ মানুহে খেতি কৰিবলৈ বাদ দিছিল। কাৰণ খেতিৰ দামেই পোৱা নাছিল। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই ইতিমধ্যেই কৈছো যে এক মোন ধানৰ দাম ৪৫০ ৰ পৰা ৫০০ টকা। মানে ৪০ কেজি। মাননীয় অধ্যক্ষ মহোদয়, আমি গাঁৱত ৪০ কে.জি ক ১ মোন বুলি কওঁ। কিন্তু ৩৫০ টকা ১ মোনত খৰছ হৈ যায়। গতিকে মানুহে খেতি কৰাতো বন্ধ কৰি দিলে। এতিয়া মানুহে দুগুণ উৎসাহেৰে খেতি কৰিবলৈ আৰম্ভ কৰিছে কিয় কাৰণ অসমত এতিয়া ধানৰ মূল্য গঢ়ে ১ কুইন্টলত ২২০০ টকা। আজিৰ পৰা ৭ বছৰ আগলৈকে ১১০০ টকা আছিল। গতিকে আমি চৰকাৰখনে অন্ন দাতা সকলৰ কাৰণে যথেষ্ট কৰিছো আৰু কৰিম বুলি সদনত প্ৰতিশ্ৰুতি দিছো। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে বেমাৰ হৈ কৃষক সকলৰ অসুবিধা হয়, মৃত্যু মুখত পৰে। তাৰ কাৰণে আমি যথেষ্ট কৰিছো। মাননীয় প্ৰধান মন্ত্ৰীৰ আয়ুস্মান ভাৰত আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আয়ুস্মান অসম। হয়তো ৭০ শতাংশ কৃষকৰ ৭০ শতাংশই লাভ কৰিছে। মই দৃঢ়তাৰে এই বিধান সভাত ক'ব খুজিছো। আমি ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসা কৰিছো। এইবাৰৰ পৰা আমি যিগৰাকী ব্যক্তিৰ হাতত ৰেশ্যন কাৰ্ড থাকিব তেওঁ মাননীয় মুখ্যমন্ত্ৰীৰ আয়ুস্মান কাৰ্ড পাব আৰু পৰিয়ালটোৱে বছৰত ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসা পাব। আকৌ কৈছো মাননীয় অধ্যক্ষ মহোদয়, ৭০ শতাংশ কৃষকৰ ৭০ শতাংশই এই আয়ুস্মান কাৰ্ড লাভ কৰিব। Insurance ৰ কথাও আছে মাননীয় অধ্যক্ষ মহোদয়। আমাৰ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে আমি ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছো। বানপানী, খৰাং, কীট-পতংগৰ আক্ৰমণ, ভূমিস্খলন, প্ৰাকৃতিক কাৰণত লগা জুই, বিজুলী, বা মাৰলি, শিলা বৃষ্টি, ঘূৰ্ণি বতাহ, প্ৰচণ্ড বতাহ আদিৰ ফলত যদি খেতি পথাৰ নষ্ট হয় তেতিয়াহ'লে আমি প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে বীমা কৰণ কৰাৰ ব্যৱস্থা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমত এই বীমা আঁচনিৰ জৰিয়তে ২০২২ বৰ্ষত ২ লাখ ৬২ হাজাৰ ৬৪৪ জন পঞ্জীভুক্ত কৃষকৰ বিপৰীতে ২০২৩ চনত পঞ্জীভুক্ত কৃষকৰ সংখ্যা হৈছে ৪ লাখ ৩১ হাজাৰ ৬৮ জন। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ এইয়া তালিকা ভুক্ত খেতিয়ক। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰত্যেকটো কাম কৰিছো। কৃষক সকলক ৬০০০ টকা সন্মান নিধি দিছো, ফচল বীমা যোজনাৰ জৰিয়তে কৃষক সকলৰ insurance কৰিছো। মাননীয় মুখ্যমন্ত্ৰীৰ আয়ুস্মান অসম, প্ৰধানমন্ত্ৰীৰ আয়ুস্মান ভাৰতৰ যোগেদি কৃষক সকলক আমি বিনামূলীয়া চিকিৎসা দিয়াৰ ব্যৱস্থা কৰিছো। ইয়াৰ উপৰিও আমি অসমৰ প্ৰায় ৫৫ লাখ পৰিয়ালক বিনামূলীয়াকৈ গাইপতি ৫ কেজি কৈ চাউল দিয়াৰ ব্যৱস্থা কৰিছো। তাতো ৭০ শতাংশ কৃষকে এই আঁচনিৰ আওঁতালৈ আহিছে। গতিকে আমি কৃষক সকলৰ কাৰণে যথেষ্ট কাম কৰিছো। আমাৰ যিবোৰ জন কল্যাণ মূলক আঁচনি

আছে তাৰ প্ৰত্যেকখন আঁচনিতে কৃষক সকল জড়িত। আমি যদি মহিলা উদ্যমিতা কৰিছো তাতো কৃষকৰ পৰিয়ালৰ মহিলাই পাইছে। যিসকল লোকে অৰুণোদয় পাইছে তাতো কৃষকে পৰিয়ালে পাইছে। আমি বিনামূলীয়াকৈ স্কুটি দিছো, তাতো কৃষকৰ পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে লাভ কৰিছে। যিদিনা 3rd grade আৰু 4th grade ৰ ৰিজাল্ট ওলাইছিল আৰু যিদিনা APSC ৰিজাল্ট ওলাইছিল তাতো আমি টি ভি ত দেখা পাইছো যে এনেকুৱা কিছুমান ল'ৰা-ছোৱালীয়ে চাকৰি পাইছে য'ত তেওঁলোকৰ ঘৰত বহিবলৈ এখন চকীও নাই আৰু তেওঁলোক সম্পূৰ্ণ ৰূপে কৃষকৰ লৰা-ছোৱালী। গতিকে আমি যথেষ্ট কৰিছো আৰু কৰিম। আমি কৃষক সকলক ইতিমধ্যে পেঞ্চন দি আছো। কিয়নো কৃষি সন্মান নীধি এটা পেঞ্চনেই। গতিকে সকলোৰে এইখিনি সুবিধা পাই আছে। সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ ৰাখিছে এই প্ৰস্তাৱটো এই মূহুৰ্ত্তত আমি গ্ৰহণ কৰিব পৰা অৱস্থাত নাই বুলি মই সদনত জনাব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য গৰাকীয়ে প্ৰস্তাৱটো উঠাই ল'বনে?

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন কথাই কৈছে। তেখেতে প্ৰধান মন্ত্ৰী কৃষি সন্মান নীধি আঁচনিৰ কথাও উল্লেখ কৰিছে। CAG ৰ প্ৰতিবেদন মতে ১২ লাখ ভুৱা অসমৰ কৃষকে প্ৰধানমন্ত্ৰী কৃষক সন্মান নীধিৰ আঁচনিৰ ধন লাভ কৰিছে। এই ১২ লাখ কৃষকে প্ৰায় ৫০০ কোটি টকা লৈ গৈছে। মাননীয় গুৱাহাটী উচ্চতম ন্যায়ালয়ে এই টকাখিনি ঘূৰাই দিবৰ কাৰণে কৈছে। প্ৰায় ডেৰ কোটি মান টকা ঘূৰি আহিছে। বাকী টকাখিনি এতিয়াও ঘূৰি অহা নাই। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই দৃষ্টিগোচৰ কৰিছো। দ্বিতীয় কথাটো হ'ল আমি এটা সময়ত শিশুৰ পৰা আৰম্ভ কৰি আমাৰ এটা বয়স যোৱাৰ লগে লগে আমাৰ শক্তি কমি আহে। আমাক চৰকাৰী ভাৱে ৬০ বছৰৰ পিছত অৱসৰ দিয়া হয়। গতিকে কৃষক সকলে যেতিয়া ৬০ ৰ দেওঁনা পাৰ কৰিব তেতিয়া তেওঁলোকে ৬০ বছৰ আগত যেনেদৰে পথাৰ আদিত গৈ কাম-কাজ কৰে বা কৃষি কাৰ্য্যৰ লগত জড়িত থাকে , তেনেকৈ ৬০ বছৰৰ পিছত কৰিব নোৱাৰে। সেই সময়খিনিত যেতিয়া তেওঁলোক বাৰ্ধক্য জীৱনত সোমাই সেই সময়খিনিত চৰকাৰ তেওঁলোকৰ লগত থাকিব লাগে। যাৰ কাৰণে মই কৃষক সকলক পেঞ্চন দিয়াৰ কথা কৈছো। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি বিবেচনা কৰিব বুলি আশা কৰি মই মোৰ সংকল্প প্ৰস্তাৱটো উঠাই ললো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা ডাটা দিবলৈ থাকি গ'ল। অসমৰ বৰ্তমান ১২.১৬ লাখ কৃষকে প্ৰায় ৪৮৭ কোটি টকা ১৫ তম কিস্তিত লাভ কৰিছে। অসমৰ ১২ লাখ ১৬ হাজাৰ কৃষকে অলপতে ৪৮৭ কোটি টকা লাভ কৰিছে আৰু ১৬ তম কিস্তিত ১৫.৯৪ লাখ কৃষকে ইয়াৰ সুবিধা লাভ কৰিব। ১৫ তম কিস্তিতকৈ ১৬ তম কিষ্টিত ৩ লাখতকৈ বেছি কৃষকে এই কিস্তি লাভ কৰিব। অসমত আৰু স্কোপ আছে আৰু প্ৰত্যেকটো কিস্তিত কৃষকৰ সংখ্যা বাঢ়ি গৈ থাকিব। গতিকে অসমত কৃষি সন্মান নীধি বাঢ়ি গৈ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ অনুমতি আছেনে। সদনৰ অনুমতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত এটা সংকল্প প্ৰস্তাৱ

আনিছো। প্ৰস্তাৱটো হৈছে যে 'ৰাজ্যৰ মাজেৰে বৈ যোৱা সুবিশাল ব্ৰহ্মপুত্ৰ নদী আৰু এই নৈয়ে ভৌগোলিক ভাৱে বিচিন্নতাৰ সৃষ্টি কৰাৰ লগতে পথ যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে। দেখা গৈছে যে ৰাজ্যত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত কেইবাখনো দলং নিৰ্মাণ হৈছে আৰু একাধিক দলং নিৰ্মীয়মান অৱস্থাত আছে। নামনি অসমৰ জালুকবাৰীৰ আমিনগাওঁত এখন দলং থকাৰ সমান্তৰাল ভাৱে গোৱালপাৰা আৰু বঙাইগাওঁ জিলাৰ সীমান্তত পঞ্চৰত্ন দলং খন আছে। ইয়াৰ মাজত কামৰূপ জিলা আৰু বৰপেটা জিলা সংলগ্ন কৰি এখন দলঙৰ খুবেই প্ৰয়োজন। যদিও বৰ্তমানলৈকে চৰকাৰে তেনে পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। অন্যহাতে বৰপেটা জিলাত কেইবাখনো গাওঁ পঞ্চায়ত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত থকা বাবেও যাতায়াতৰ সুব্যৱস্থা নথকাৰ বাবেও প্ৰশাসনিক কাম কাজৰ ক্ষেত্ৰতো অসুবিধাৰ সন্মুখীন হোৱাতো তেনে স্বাভাৱিক। ব্ৰহ্মপুত্ৰৰ ওপৰত বৰপেটা জিলাত এখন তেনে দলংৰ ব্যৱস্থা কৰিলে কামৰূপ জিলাৰ সৈতে বৰপেটা চহৰৰ মুল যাতায়তৰ দূৰত্ব যথেষ্ট চমু হোৱাৰ লগতে গোৱালপাৰা জিলা আৰু নিকটবৰ্তী মেঘালয় ৰাজ্যৰ সৈতেও যাতায়তৰ ব্যৱস্থা খোলা হৈ যাব আৰু তাৰ ফলত নতুন অৰ্থনৈতিক দিগন্তৰ সূচনা হোৱাতো নিশ্চিত। গতিকে এই সদনে বৰপেটা জিলাত বিশেষভাৱে বৰপেটা জিলাৰ দংৰা আৰু খলাবন্ধা হৈ নগৰবেৰালৈকে যদি এখন দলংৰ ব্যৱস্থা কৰে, তেনেহলে নিশ্চিতভাৱে বৰপেটা জিলাৰ লগতে নলবাৰী জিলা হওঁক, কামৰূপ জিলা হওঁক, ইত্যাদি অঞ্চলৰ মানুহে উপকৃত হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এটি নতুনকৈ গঠিত যি চেঙা সমষ্টি হৈছে, সেই চেঙা সমষ্টি বা পূৰ্বৰ বাঘবৰ  সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত বহু কেইখন গাঁও পঞ্চায়ত আছে। এই ঠাইৰ মানুহবিলাকে যেতিয়া মুল চহৰলৈ আহিবলৈ লাগে প্ৰশাসনিক কাম কাজে হওঁক, বা ব্যৱসায়িক কাম কাজতে হওঁক,তেওঁলোক ব্ৰহ্মপুত্ৰ নদীটো নাওঁৰে পাৰ হৈ আহিব লাগে। যাৰ কাৰণে বিভিন্ন সময়ত দুৰ্ঘটনা আদি দেখা পাইছো আৰু একেটা সময়তসেই ঠাই সমূহত চৰকাৰী সেৱা আদি প্ৰচাৰৰ ক্ষেত্ৰত যথেষ্ট বাধা বিঘিনিৰ সন্মুখীন হৈছে। আজি যি ঠাই সমূহত শিক্ষক, ডাক্তৰ সকলে যাব নিবিচাৰে, সেই ঠাইত যদি ৩.৫ কিলোমিটাৰ বা ৪ কিলোমিটাৰৰ দলং এখন হলে, লগতে ওচৰৰ প্ৰায় ৭০, ৮০ কিলোমিটাৰৰ ভিতৰত এখন দলং নাই। আজি গুৱাহাটী নিকটবৰ্তী অঞ্চলসমূহত আমিনগাঁও বা উত্তৰ গুৱাহাটীৰ লগত সংলগ্ন ফাছীবজাৰৰ কাষত এখন দলং হৈছে আমি ভাল পাইছো আৰু পলাশবাৰীটো হৈ আছে, কিন্তু গুৱাহাটী কেন্দ্ৰিক উন্নয়ন সমূহ যদি আৰু অকণমান নামনিলৈ নামি যায়, আমাৰ কাৰণে যথেষ্টখিনি সুবিধা। এতিয়া বৰপেটা জিলাত যিখিনি চৰ অঞ্চল আছে, সেই অঞ্চলসমূহত কৃষিজাত সামগ্ৰী কি ধৰণে উৎপাদন কৰে আপোনালোকে জানে। গোৱালপাৰা জিলাৰ পৰা আমাৰ সৈতে ব্যৱসায়ীৰ বাবে বহুত ঠাই ঘুৰি আহিব লগীয়া হয়। আজি নলবাৰী বা পাঠশালাৰ পৰা যদি কোনো এজন মানুহ গোৱালপাৰালৈ যাব লগীয়া হয়, বা তেনেকুৱা ঠাইলৈ যাব লাগে, তেনেহলে বহু দূৰত্ব ঘুৰি যাব লগীয়া হয়। এই দলংখন হলে ১০০ কিলোমিটাৰ দূৰত্ব কমি যাব। গতিকে এনেকুৱা এখন দলংৰ যথেষ্ট প্ৰয়োজন, আমি আশা কৰিম যে সদনে এই দলংখনৰ প্ৰস্তাৱটো গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ জীৱন ধৰণৰ মান উন্নত কৰিবলৈ বাট পথৰ যি প্ৰয়োজনীয়তা সেই কথা দুনাই এই সদনত বুজাই কোৱাৰ প্ৰয়োজনীয়তা নাই। আজি বৰপেটা জিলাৰ দঙৰাৰ পৰা যদি খলাবন্ধাত  দলংখন হয়, তাত তিনি কিলোমিটাৰও নাযাব। তাৰ পিছত খলাবন্ধাৰ ওপৰত যি ৰাস্তা আছে, তাৰ পিছত জলজ্বলিৰ ওপৰত দুখন তিনিখন দলং নিৰ্মাণ কৰিব লাগিব যি সমূহ ১০০ মিটাৰৰ ওচৰত। একদম গোৱালপাৰা কামৰূপ নগৰবেৰা টাউনৰ পৰা ৩০,

৪০ কিলোমিটাৰৰ ভিতৰত হৈ যাব আৰু ২০ মিনিটৰ দূৰত্ব হৈ যাব। যি ঠাইত আমি এতিয়া আহিবলৈ ৩.৫ ঘন্টা, ৪ ঘন্টা লাগে, সেই ঠাইৰ মানুহৰ মাজত যোগাযোগ নাই, আপুনি জানে যে আমাৰ নগৰবেৰা অঞ্চলে হওঁক বা বকো ছয়গাঁও অঞ্চলে হওঁক, যথেষ্ট ব্যৱসায়িক ভাৱে তেওঁলোকে উন্নত । আজি যদি এই দলংখন নিৰ্মাণ কৰা হয়, ভূটানৰ সৈতে মেঘালয়ৰ লগত ব্যৱসায়িক সম্পৰ্ক, সেই সম্পৰ্ক আৰু অধিক টনকীয়াল হ'ব।

একেদৰে ভুটানৰ পৰা আমি পোনপটীয়াকৈ বাংলাদেশলৈ সা-সামগ্ৰী ৰূপান্তৰ ক্ষেত্ৰত আৰু আমদানিৰ ক্ষেত্ৰত সুন্দৰ পথ এটাৰ সৃষ্টি হ'ব। আজি ইতিমধ্যে মানকাচৰ অঞ্চলত ৰাস্তা ঘাটৰ উন্নয়ন কৰি থকা হৈছে। একদম বাংলাদেশ বোৰ্ডাৰলৈকে ভাল ৰাস্তা হ'ব। যদি এই দলংখন হয়, ভুটানৰ সৈতে BTAD অঞ্চলৰো সুন্দৰ যোগাযোগ স্থাপন হ'ব, ৰাস্তা চমু হ'ব, ব্যৱসায়িক মানুহে যথেষ্ট উপকৃত হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্যৰ ক্ষেত্ৰত যদি চাওঁ IMR, MMR,আমাৰ চৰ অঞ্চলত যথেষ্ট বেছি, তাৰ পৰা যদি আমি কোনো এজন গৰ্ভৱতী মহিলা বা এনেকুৱা বেমাৰী মানুহক যদি মেডিকেললৈ আনিব লাগে, যথেষ্ট সময় লাগে আৰু আমাৰ তাত এনেকুৱা ambulance ৰো ব্যৱস্থা নাই, ৰাস্তা ঘাট তেনেকুৱা নাই। আজি যি দুই চাৰিখন Speed boat ambulance আছে, সেইবিলাকো সময়ত কাৰ্য্যকাৰী হৈ নাথাকে। এখন দলঙে সামগ্ৰিক ভাৱে বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ গোটেই মানুহখিনিৰ লগতে কামৰূপ আৰু গোৱালপাৰা জিলাৰ চৰ অঞ্চল বা নৈ কাষৰীয়া অঞ্চলৰ মানুহৰ জীৱন ধৰণৰ মান সাংঘাটিক ভাৱে সলনি কৰি দিব পাৰে।

একেটা সময়তে অসম আৰু বাংলাদেশৰ লগতে মেঘালয়ৰ মাজত ব্যৱসায়িক সা-সম্পৰ্কখিনি যথেষ্ট উন্নত কৰিব পাৰিব। গতিকে আশা কৰিম যে মোৰ এই দলংৰ প্ৰস্তাৱটো এই সদনে গ্ৰহণ কৰে আৰু অনাগত সময়ত চেঙা সমষ্টিত এনেকুৱা এখন দলং নিৰ্মাণ কৰি এটা নতুন দিনৰ দিগন্ত সূচনা কৰিব বুলি আশা ৰাখিছো আৰু মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্যা নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যিটো private resolution আনিছে, মই সম্পূৰ্ণ সমৰ্থন কৰিছো। তেখেতে খুব ভাল কথা কৈছে যে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং, কামৰূপ আৰু বৰপেটাৰ লগত যোগাযোগ অতি প্ৰয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, তেওঁ যিখিনি কথা কৈছে মই ইয়াৰ সমৰ্থন কৰিছো। দলং কোন ফালে হ'ব নালাগে, সকলোবোৰ technical department য়ে চাব। কিন্তু বহৰী আৰু চুণতলীৰ মাজত এখন দলংৰ আজি বহুদিনীয়া দাবী ৰাইজে কৰি আছিল। বহুত কেইটা কাৰণ আছে, দলংৰ প্ৰয়োজনীয়তাত। আজি কামৰূপ জিলাৰ চৰ চাপৰি অঞ্চল, টোপামাৰী আঞ্চলিক কলেজ, চুণতালী আঞ্চলিক কলেজ, নগৰবেৰা বিমলা প্ৰসাদ চলিহা কলেজ, এই কলেজবিলাকত বহুত ছাত্ৰ-ছাত্ৰীয়ে বৰপেটাৰ পৰা দৈনিক সেই নদীৰে পাৰ হৈ আহি শিক্ষাগ্ৰহণ কৰি আছে। তেনেকুৱা সময়ত মই ভাৱো অতি প্ৰয়োজনীয় এখন দলং।

ইয়াৰ বাহিৰে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰ চাপৰি বিলাক আজি কৃষি প্ৰধান অঞ্চল। কৃষিজাত সা-সামগ্ৰীৰ যাতায়তৰ কাৰণে সু-ব্যৱস্থাৰ অতি প্ৰয়োজন হৈ আছে। এতিয়া আমি নদীৰে যদি যাত্ৰা কৰিব লগীয়া হয়, বা কৃষি সামগ্ৰী নিব লগীয়া হয়, ৩,৪ ঘন্টা এই নদীৰে জাহাজত নিব

লগীয়া হয়। যাৰ ফলত কৃষকৰ যথেষ্ট ভাৱে আৰ্থিক অনাটন হৈ অসুবিধা হয়।

ঠিক তেনেদৰে আজি ছাত্ৰ-ছাত্ৰী সকলেও বহুতখিনি নাওঁৰ পইচা দিব লাগে। ইয়াৰ বাহিৰে মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে মেঘালয়ৰ কথা কৈছে, খুৱ প্ৰয়োজনীয়। আজি বৰপেটা অঞ্চলৰ বহুত শ্ৰমিক মেঘালয়ৰ যিবিলাক কয়লাখনি আছে, তাত কাম কৰিবলৈ দৈনিক অহা যোৱা কৰে। তেনেধৰণে আমি বিবেচনা কৰো, যেনেকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং চৰকাৰে ইতিমধ্যে নিৰ্মাণ কৰিছে, তেনেদৰে অতি প্ৰয়োজনীয় চুণতলী বহৰীৰ দলংখন যাতে নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে আমাৰ এই প্ৰস্তাৱ গ্ৰহণ কৰে, তাৰ কাৰণে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কেৱল এটা কথা মন্ত্ৰী মহোদয়ক উনুকিয়াই দিব খুজিছো যে ইয়াৰ আগতে বামুন নঙৰা পৰা নগৰবেৰাৰ মাজত দলং নিৰ্মাণৰ কাৰণে কৈছিলো আৰু মন্ত্ৰী মহোদয়ে একেধৰণে আশ্বাস দিছিল যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত positive response দিছে আৰু তেখেতে সদনত জনাইছিল যে মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশমৰ্মে জনাইছো যে এই ক্ষেত্ৰত কিবা ব্যৱস্থা লোৱা হ'ব। মই সেই কথাটো পুনৰ মনত পেলাই দিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ আনিছে, বৰপেটা জিলাত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন দলং হ'ব লাগে। তাক সমৰ্থন জনাই মই মাত্ৰ এষাৰ কথা ক'ব বিচাৰিছো, এই দলং হোৱাৰ লগে লগে সেই অঞ্চলৰ মানুহখিনিৰ যথেষ্ট অসুবিধাৰ পৰা তেওঁলোকে সুবিধালৈ আহিব আৰু তাত দলংখন হোৱাৰ লগে লগে কৃষিজাত সামগ্ৰীৰ লগতে সেই অঞ্চলটোৰ অৰ্থনৈতিক দিশ যথেষ্ট টনকিয়াল হ'ব যাৰ ফলত ৰাজ্যখনৰ GDP ও ভাল হ'ব।

গতিকে এই দলংখনৰ কাৰণে সেই অঞ্চলখিনিৰ মানুহে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে অনুৰোধ জনাম যে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াৰ লগতে কেইবাজনো সদস্যই ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত কামৰূপ আৰু বৰপেটা জিলাৰ মাজত এখন দলং নিৰ্মাণৰ কাৰণে প্ৰস্তাৱ ৰাখিছে। এইটো কথা সত্য যে যদি দলং এখন হয় কামৰূপ আৰু বৰপেটা জিলাৰ মাজত যোগাযোগ বহুখিনি উন্নত হ'ব।

ইতিমধ্যে লোকনিৰ্মাণ (পথ) বিভাগে ৰাজ্যৰ road network connectivity ৰ বাবে প্ৰস্তুত কৰা road network master plan ত বৰপেটা জিলাৰ গৰলাগাঁও উত্তৰ পাৰৰ পৰা কামৰূপ জিলাৰ নিতাৰখোলা দক্ষিণ পাৰলৈ এখন দলংৰ স্থান উল্লেখ কৰি ইয়াৰ পাৰম্ভিক তথ্য সংগ্ৰহ কৰিছে। কিন্তু দলংখন নিৰ্মাণৰ বাবে এতিয়াও সিদ্ধান্ত ল'ব পৰা হোৱা নাই। অতি খৰতকীয়াকৈ সিদ্ধান্ত লোৱাতকৈ বৰ্তমান চলি থকা গুৱাহাটী - উত্তৰ গুৱাহাটীৰ সংযোগী দলংখন সমাপ্ত হোৱাৰ পিছত আৰু অলপতে আৰম্ভ কৰা পলাশবাৰী আৰু শুৱালকুছি দলংখনৰ কাম কিছু আগবঢ়াৰ পিছত প্ৰকল্পটো হাতত ললে, উক্ত দলং দুখনৰ অভিজ্ঞতা বেছি ভালকৈ কামত লগাব

পৰা যাব বুলি বিভাগে অনুভৱ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই দলংখনৰ নিৰ্মাণ কাৰ্য্যৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণৰ কাম এটা অতি প্ৰত্যাহ্বান মূলক কাম। তদুপৰি এনে দলংৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ প্ৰয়োজনীয়তা, পৰিবেশ অনুকুলতা, নৈৰ বুকুৰ আৰু তলৰ মাটিৰ গুণাগুণ ব্যয় ইত্যাদি দিশ চালি জাৰি চোৱাৰ প্ৰয়োজন হয় আৰু সামাজিক আৰু পৰিবেশ সম্বন্ধীয় সমীক্ষাৰ জলবিদ্যা অধ্যয়ন ইত্যাদি কৰিব লগীয়া হয়। ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী দলংৰ কোনো পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ লগত আছে নেকি আৰু ৰেল পথ সংযোগী দলংৰ কোনো পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে নেকি সেয়াও বিচাৰ্জৰ বিষয়। তদুপৰি খৰতকীয়াকৈ সিদ্ধান্ত লৈ ৰাজ্য চৰকাৰৰ পৰা সমূদায় ব্যয় বহন কৰাতকৈ কিছু অপেক্ষা কৰি হলেও কেন্দ্ৰীয় চৰকাৰৰ পুঁজি বা কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থন বাজ্যিক সাহাৰ্য্য external funding agency ৰ বাবে এনেধৰণৰ ডাঙৰ প্ৰকল্প লোৱা চেষ্টা কৰা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা সময়খিনিত কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰে ব্ৰহ্মপুত্ৰত কেইবাখনো দলং নিৰ্মাণ কৰিছে আমি সকলোৱে ইতিমধ্যে জানো যে আমাৰ উত্তৰ গুৱাহাটী আৰু ফাচী বজাৰৰ মাজত দলং নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পথত। শুৱালকুছি আৰু পলাশবাৰীত দলং ইতিমধ্যে হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সৌসিদিনা এই বিধান সভাতেই যে আমাৰ নাৰেংগী আৰু কুৰুৱাৰ মাজত এখন দলং আৰম্ভ হ'ব, গুৱাহাটীৰ শৰাইঘাটত তৃতীয়খন ৰেলযুক্ত দলং অতি সোনকালে আৰম্ভ হোৱাৰ কথা ঘোষণা কৰিছে আমাৰ মৰিগাওঁ জিলা আৰু শোণিতপুৰ জিলাক সামৰি এখন দলং নিৰ্মাণৰ কথা ভবা হৈছে আৰু গহপুৰ আৰু নুমলীগড়ৰ মাজত ব্ৰহ্মপুত্ৰ নদীত এটা সুৰংগ অসমত নহয়, ভাৰতবৰ্ষত প্ৰথমবাৰৰ কাৰণে ৭ কিলোমিটাৰ দৈৰ্ঘ্য কৰিবলৈকে ইতিমধ্যে ব্যৱস্থা কৰা হৈছে। ধুবুৰী ফুলবাৰী দলং নিৰ্মাণ কাৰ্য্য চলি আছে, আমি এই বিষয়ে জানো। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ইখনৰ পাছত সিখন দলঙৰ কাম চলি আছে। ময়ো ব্যক্তিগতভাৱে অনুভৱ কৰো এইখিনি ঠাইত এখন দলং লাগে। জলজলী নদীৰ ওপৰত এখন দলঙৰ কথা সিদিনাখন মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই উপস্থাপন কৰিছিল। মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা বাইদেৱে সহযোগ কৰিছিল। সেই দলংখনৰ পৰিৱেশ লাগে নে নালাগে চাবলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাই আহিবলৈ মোকে নিৰ্দেশ দিছিল। অতি সোনকালে সেইটো চাবলৈকে মই বিধায়ক দুগৰাকীক লৈ যাবলৈ চেষ্টা কৰিম, আপোনালোকক দলে মোৰ লগত যদি যাবলৈ আদেশ দিয়ে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি)** ঃ নিশ্চয় দিব। সহযোগিতা আছে চৰকাৰৰ লগত উন্নয়ণমূলক কামত।

**শ্ৰী পীয়ুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া আৰু মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীক লগত লৈ জলজলী নদীৰ ওপৰত দলং হব লাগে নালাগে কেতিয়া হ'ব, কেনেকৈ হ'ব এইক্ষেত্ৰত আমি চাবলৈ যাম আৰু এই দলঙখনো যাতে পৰৱৰ্তী সময়ত হয় আমি খুৱ seriously তেখেতলোকৰ যি প্ৰস্তাৱ আমি গ্ৰহণ কৰিম। প্ৰস্তাৱটো মই ভোটত নহয়, কিন্তু আন্তৰিকতাৰে মই গ্ৰহণ কৰিম বুলি প্ৰতিশ্ৰুতি দিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জলজলীৰ ওপৰত বাঘমৰা শিমলুতোলাত এখন ব্ৰীজ লাগে ইতিমধ্যে এই কথাটো সদনত উত্থাপন কৰিছিলো। ২৫০ শ

কিলোমিটাৰ ৰাস্তা হৈছে কিন্তু জলজলী শিমলুতোলা ব্ৰীজ নোহোৱা কাৰণে connectivity টো হোৱা নাই। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো জনাইছো আপুনি kindly এইটো অলপ চাই দিব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মোৰ ফালৰ পৰা শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক support কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ অতি আন্তৰিকতা সহকাৰে তেখেতৰ উত্তৰত আমি ধন্যবাদ দিছো। আশা কৰিম এইটো যিমান সোনকালে বাস্তৱায়িত কৰিব পৰা যাব সিমান বেছি ভাল হ'ব। মই withdraw কৰিম তাৰ আগতে গৰলা নদী নেতৃপূৰ্ণা মেপত যিটো সোমাইছে, ঠাইৰ নামতো সম্ভৱতঃ ভুল আছে এই ঠাইখন চিনি পোৱা নাই। বাকী জলজলীৰ ওপৰত দলঙলৈ যাওঁতে আমাকো মাতিব লাগিব কাৰণ আমিও stake holder. কাৰণ চেঙা সমষ্টি তাৰ ভিতৰতে সোমাই আছে আৰু আশা কৰিম জলজলীৰ ওপৰত ব্ৰীজখন হ'লে আধাখিনি কাম আগবাঢ়ি থাকিব। মাজত আৰু ডাঙৰ কেইবাখনো গাঁও আছে তাৰ পিছত এখন ব্ৰহ্মপুত্ৰ নদী যিটো বৰ্তমান খৰালীত ২ কিলোমিটাৰ দেৰ কিলোমিটাৰ হৈ যায় বাৰিষাত ৩ ৰ পৰা ৪ কিলোমিটাৰ maximum হয়। খুব বেছি ডাঙৰো নহয়, যিসময়ত চৰকাৰে ২১ কিলোমিটাৰ দৈৰ্ঘৰ দলং বনাব পাৰে মই ভাবো যে এইটো কৰিব পাৰিব। আন্তৰিকতা আছে মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰতি বিশ্বাস আছে, তেখেতে নিশ্চিতভাৱে কৰিব। এইটো বাঘবৰ, বকো ইত্যাদি সমষ্টিৰ মানুহে নিশ্চিতভাৱে আশাৰে বাট চাই থাকিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ। মই ভাবো সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছে। সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া শ্ৰী আব্দুল বাতিন খণ্ডকাৰ। Absent.

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি)** ঃ চাৰ, আমি ল'ব পাৰো নেকি তেওঁ absent.

**মাননীয় অধ্যক্ষঃ** নালাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি prepare কৰি অহা নাই, তেখেতে নাথাকিব বুলি যোগাযোগ কৰিছিল।

**মাননীয় অধ্যক্ষঃ** ১৪ নম্বৰ Item আছিল। আমি এইটো পিছত ল'ম। আজি আৰু নলও। সেইটোৰ কাৰণে যদি House concent দিয়ে আমি পিছত লৈ লম, ১৪ নম্বৰ Item টো।

The House Adjourn 26th February at 9.30 A.M.